১৯৭৫-৭৭ শিক্ষাবৰ্ষৰ

প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানৰ

# কাব্য ভাবনা

## ২


সংকলক

শৰৎ বৰকাকতি

তপোধন দাস

জোনা মহন্ত

মদন চন্দ্ৰ ডেকা

পংকজ কুমাৰ নেওগ

সম্পাদনা

ড° আল্পনা সৰকাৰ ডেকা

**KABYA BHABANA** (2): A collection of poems composed and adored by the Cottonians of 1975-77 Pre-University Batch

প্ৰকাশক ঃ  ১৯৭৫-৭৭ শিক্ষা বৰ্ষৰ প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ান

প্ৰকাশ ঃ আগষ্ট, ২০২০

গ্ৰন্থস্বত্ব ঃ ১৯৭৫-৭৭ শিক্ষা বৰ্ষৰ প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ান

দাম ঃ ২০০.০০ টকা

মুদ্ৰণ ঃ শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ,
শংকৰদেৱ মাৰ্কেট, নুনমাটি, গুৱাহাটী-৭৮১০২০
ফোন ঃ ৯৭০৭০১০৮৮৯

# উচৰ্গা

অতিমাৰী কৰ'না ভাইৰাচৰ সৈতে
বিৰামহীন যুদ্ধত অৱতীৰ্ণ হোৱা
প্ৰতিগৰাকী
মানৱপ্ৰেমী যোদ্ধাৰ হাতত ...

# “কাব্য ভাবনা”ৰ কবিতাৰ অন্তৰ্নিহিত চেতনাবোধ

কটন মহাবিদ্যালয়, সাম্প্ৰতিক কালৰ কটন বিশ্ববিদ্যালয় অসমীয়া জাতিৰ ঐতিহ্যৰ অহংকাৰ; এক স্বাভিমান। ব্ৰহ্মপুত্ৰ নদে যেনেদৰে নিজে গঢ়ি লৈছে অসমৰ প্ৰাণস্পন্দনৰ বৰ্ণাঢ্য ইতিহাস, ‘কটন’ নামৰ এই শিক্ষানুষ্ঠানখনেও অসমৰ বিদ্যায়তনিক ক্ষেত্ৰৰ বাহিৰেও জাতীয় ঐতিহ্যবোধৰ চেতনাক আধাৰ কৰি আন আন দিশত প্ৰজ্বলিত কৰিছে বিশিষ্ট চিন্তা-ভাৱনা। অসমক ভালপোৱা প্ৰতিজন মানুহেই কটন শিক্ষানুষ্ঠানখনক প্ৰাণ ভৰি ভাল পায় বুলি আমি বিশ্বাস কৰোঁ। জনগণে বিচাৰে কটনৰ গৰিমা অটুট থাকক। সৌ তাহানিৰে পৰা অসমৰ সাহিত্য জগতত কটনে জন্ম দিছে সু-সাহিত্যিকৰ। তালিকা এখন প্ৰস্তুত কৰি গৰিমা সীমাৱদ্ধ কৰিবলৈ বিচৰা নাই। ইয়াৰ বিস্তৃতি বিশাল - গভীৰতাও তদনুৰূপ। ১৯৭৫-৭৭ শিক্ষাবৰ্ষৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানসকলৰ মাজৰ একাংশই ২০১৯ চনত প্ৰকাশ কৰি উলিয়ায় “কাব্য ভাবনা” নামৰ এখন কাব্য সংকলন। এক বিশেষ অৰ্থত তেখেতসকল প্ৰতিষ্ঠিত কবিও নহয়; কিন্তু হৃদয়ত আছে অসমীয়া সাহিত্যৰ প্ৰতি আলসুৱা মোহ, অকৃত্ৰিম ভালপোৱা। সেই ভালপোৱা ষাঠি বা ষাঠি অতিক্ৰমি যোৱা সকলৰ মাজত এতিয়াও পাতালী গংগাৰ দৰে বৈ থকা কথাটো আমাৰ দৃষ্টিত বিশেষ গুৰুত্বপূৰ্ণ। মনকৰিবলগীয়া কথা হ’ল - তেখেতসকলৰ আন্তৰিকতা আছে - এবাৰ এখন সংকলন উলিয়াই নিজৰ নাম যশ জহাবলৈ নহয়, পুনৰ এখন কাব্যসংকলনৰ জন্ম দি কবিতা বা সাহিত্যৰ প্ৰতি থকা একাগ্ৰতাক প্ৰতীয়মান কৰিছে।

কবিতা অধিক সংখ্যক মানুহে লিখে। এনে বহু কবিক লগ পাইছোঁ, কাব্য ৰচনা পঢ়িছোঁ, যিয়ে ওৰে জীৱন লিখিছে, অথচ কবিতাৰ থাকিবলগীয়া সাধাৰণ মৰ্মখিনিও উপলব্ধি কৰিবলৈ যত্ন কৰা নাই। কবিতা ৰচনাৰ বাবে কিছু বৌদ্ধিকতাৰো প্ৰয়োজন আছে। এনে মগজুৰ পৰা এটা বা দুটা কবিতা ওলালেও তাৰ মাজতে উপলব্ধি কৰিব পাৰি বহুতো কথা। এজন কবিৰ এশটা কবিতাতো পাঠকে মনে বিচৰাখিনি নাপাব পাৰে; অথচ এজন ৰচকৰ সীমিত সংখ্যক কবিতাইও পাঠকৰ চেতনাৰ দুৱাৰ মুকলি কৰিব পাৰে। তাৰ

মাজতে এইটো কথাও প্ৰাসংগিকভাৱে উল্লেখযোগ্য যে কবিতা সাধনাৰ বোধিমণ্ডপ। অধ্যয়নশীল এক মনোভাবেহে নিজৰ চিন্তা-চেতনাক অধিক সবল কৰি তোলে। তেনেক্ষেত্ৰত প্ৰতিজনেই এই দিশটোৰ দুৱাৰ-খিৰিকী প্ৰতিটো ক্ষণত উন্মুক্ত কৰি ৰাখিলেহে সাধনাই সফলতাৰ বাটত আগবাঢ়িব।

অসমীয়া কবিতাৰ এটা দীঘলীয়া ঐতিহ্য আছে। অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত আধুনিক অসমীয়া কবিৰ কাব্য সংকলন 'কুৰি শতিকাৰ অসমীয়া কবিতা'ত কাব্যঋষি নীলমনি ফুকনদেৱে পাতনিত এনেদৰে লিখিছে - "অসমীয়া কবিতাৰ এটা স্বতন্ত্ৰ চৰিত্ৰ আছে আৰু ই কেইবাশতিকা জোৰা এটা ঐতিহ্যৰো অধিকাৰী"। চহা জীৱনৰ মাত কথাক সামৰি লোৱাৰ পৰা, অপ্ৰমাদী কবি মাধৱ কন্দলী, মহান কবি শংকৰদেৱ, সু-কবি মাধৱদেৱ, পীতাম্বৰ-মনকৰ আদি পাঁচালী কবিসকলৰ দীঘলীয়া কাব্য পৰিক্ৰমাই আহি আহি জোনাকীৰ বাটত ৰৈ ৰং সলাইছে : 'জয়ন্তী'ৰ সতে কথা পাতি ৰোমাণ্টিক ভাৱনাত মোচৰ পেলাই সামাজিক চিন্তা চেতনাক বিষয় কৰি লোৱা কবিতাৰ পটভূমি কৰিছে। আৰু অলপ আগবাঢ়ি আধুনিক চিন্তা-চেতনাক পৰ্যৱেক্ষণ কৰাৰ সুবিধা লৈ যুগান্তকাৰী 'ৰামধেনু'ৰ পাতত আধুনিক যুগ-মানসিকতাৰ বিস্তৃতি ঘটাইছে। কাব্য-সাধকসকলে নিজে কাব্য সংকলন প্ৰকাশ কৰি সেই ঐতিহ্যক ধৰি ৰাখিছে, সাধকসকলক এক লগ কৰি তেখেতসকলৰ কবিতাৰ সংকলন উলিয়াইছে। ঐতিহ্যক ধৰি ৰাখিবলৈ এতিয়াও প্ৰয়াস অব্যাহত ৰাখিছে 'গৰীয়সী', 'প্ৰকাশ', 'প্ৰান্তিক', 'সাতসৰী'কে মুখ্য কৰি কষ্টৰ মাজত জীয়াই থকা আলোচনীসমূহে।

এই কাব্যসংকলনখন প্ৰাক্তন কটনিয়ানসকলৰ আন্তৰিক প্ৰয়াস; এইখন সৃষ্টিত তেখেতসকলৰ আবেগতকৈ চিন্তাৰ প্ৰাধান্য অধিক। তেখেতসকলে এই কথা প্ৰমাণ কৰিছে যে কটনিয়ানসকলে বহুতো কথা বেলেগকৈ ভাবে। এই দ্বিতীয় কাব্য সংকলনখনত বিশ গৰাকী কবিৰ কবিতা সংকলিত হৈছে। কবিসকল হ'ল - অগস্ত্য বৰুৱা, অমল শইকীয়া, কংকন শৰ্মা, কৃষ্ণা শৰ্মা, কস্তুৰী নিভা গগৈ, জোনা মহন্ত, তপোধন দাস, দীপালি ডেকা, পংকজ বৰুৱা, পংকজ কুমাৰ নেওগ, পূৰ্ণেন্দু শৰ্মা, ফাইজুৰ ৰহমান, বিৰাজ জ্যোতি গোস্বামী, মদন ডেকা, মীনাক্ষি ৰায় ডাকুৱা, ৰত্ন কান্ত শৰ্মা, ৰঞ্জনা দত্ত, ৰাতুল বৰুৱা, ৰুমিমা দাস, শৰৎ বৰকাকতি।

**অগস্ত্য বৰুৱা**ৰ চাৰিটা কবিতা কাব্যসংকলনখনিত সংকলিত হৈছে।

'জীৱনৰ গল্প' নামৰ কবিতাটোত অতি সহজভাৱে গল্পৰ কিহত মজা থাকে, কিহত নাথাকে, বাঘ কেতিয়া নৰখাদক হৈ পৰে, লোভৰ তাড়নাত মানুহে বিশেষকৈ ব্যঞ্জনৰ ক্ষেত্ৰত নিচা আৰু আসক্তিত ডুবি কেনেদৰে বৃত্তৰ পৰিধি (এই বৃত্ত জীৱন বৃত্ত) পথলৈ ওলাই আহে- এনে ভাবৰ সমাহাৰ ঘটাইছে। কবিৰ ভাষা সহজ-সৰল, বৰ্ণনাৰ গাম্ভীৰ্যও কবিতাটিত আছে। কবিতাটিৰ প্ৰথম দুশাৰীৰ প্ৰস্তাৱনাই শেষৰ ফালে সাৰ্থকভাৱে ব্যঞ্জনামুখৰ হৈছে--

"ভালপোৱাৰ কথাবোৰ মুকলি সংলাপ হ'লে
গল্পটোৰ মজা নাথাকে বুলি গল্পকাৰে ভাবে

মাংসৰ জুতি লোৱা বাঘে
ভোকতো বিচাৰি নাযায় নৰমাংস

তাৰ সোৱাদ সি নাজানে
লুণীয়া সোৱাদ পোৱাৰ পাছত
হৈ পৰে নৰখাদক

প্ৰেমৰ পৰিধি ভাঙি, গল্পকাৰে গল্পটো লিখিলে
মাংসৰ ব্যঞ্জনৰ প্ৰতীক সাজি

শহাপহুৰ পৰা মানুহলৈ

বিবিধ ব্যঞ্জন আৰু সেই জুতি
বৈধ অবৈধৰ বাহিৰত

নিচা আৰু আসক্তিত ডুবি

পথলৈ ওলাই গ'ল পৰিধি ভাঙি।।"

- আধুনিক সমাজ-জীৱন বৃত্ত ভঙাৰ যি আচৰণ কবিতাটোত সেই কথা প্ৰতীয়মান হৈছে।

**অমল শইকীয়া**ৰ সাতটি কবিতা সংকলনখনত সংকলিত। কবিতাসমূহৰ প্ৰকাশভংগীত মাধুৰ্য আছে; ভাৱৰ সাৱলীলতা লক্ষণীয়। আকাশ আৰু হেঁপাহৰ লগত মনৰ সংযোগ সাধন আৰু বিশেষভাৱে মনৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ 'মনৰ দৰে বতাহ' কবিতাটিত কবিয়ে প্ৰয়াস কৰিছে-- তলৰ স্তৱকটো মন-পৰশা আৰু ব্যঞ্জনাময়ো -

"কিমান উচ্চতালৈকে হাত মেলিলে ঢুকি পোৱা যায় আকাশ
কিমান ওজনৰ হাত ৰাখিলে
গম পোৱা যায় হেঁপাহ
কিমান গভীৰলৈকে গতি কৰিলে উমান পোৱা যায় মনৰ"

কবিতাটোৰ শেষ স্তৱকত কবিৰ কাব্যবাৰ্তা এনেধৰণৰ -

"মনবোৰ গভীৰ অৰণ্যৰ দৰে
বৰ জয়াল
যিদৰে ধুমুহা বতাহৰ
দৰে মন"

**কংকন শৰ্মা**ৰ কবিতাৰ সংখ্যা ন টা। সম্পাদনাই 'আই : পিতা' এই ভাৱ-চিন্তা আধাৰত প্ৰকাশ কৰা কবিতাকেইটিৰ মাজত কবিৰ 'পিতা' নামৰ ভাল কবিতাটিও আছে। আই পিতা বুলি ক'লে সন্তানৰ অনুভৱেই সুকীয়া। কবি নিৰ্মলপ্ৰভা বৰদলৈয়ে- "আহিনৰ পথাৰৰ গোন্ধ / কেনেবাকে নাকত লাগিলে / মই হেৰা পাওঁ মোৰ দেউতাক" বুলি কৈ কৃষিজীৱী সভ্যতাৰ ছবিখন দাঙি ধৰিছে। কবিয়ে পিতা আৰু আইৰ লগত তেওঁৰ একাত্মীয়তা, শ্ৰমৰ স্মৃতি ৰোমন্থন, সু-শাসন, পিতৃ বিয়োগৰ শ্মশানৰ স্মৃতি কাৰুণ্য, মৃতকৰ শ্ৰাদ্ধ-ক্ৰিয়া কৰ্ম ৰোমন্থন শেষত পিতৃলৈ থকা ভক্তি শ্ৰদ্ধা সহজ-সৰল ভাষাৰে প্ৰকাশ কৰিছে। আবেগত কবি বৰ উতলা হোৱা নাই, গভীৰ সংযমেৰে পিতৃ (লগতে মাতৃৰো) ৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা মিশ্ৰিত ভাৱনা প্ৰকাশ কৰিছে -

"কেতিয়াবা সপোনত তুমি মোক কান্ধত তুলিছা
কেতিয়াবা শাসন কৰিছা
ভয়ে মৰমে মিশ্ৰিত তোমাৰ আকাশ হেন আশ্ৰয়
মই কেতিয়াবাই হেৰুৱালোঁ
ঠেকি ঠেকি শিকিলোঁ বহুত
আয়ে দিয়া মৰমে মোক পাহৰালে দুখ"

**কৃষ্ণা শৰ্মা**ৰ কবিতাৰ সংখ্যা তিনি। কবিৰ 'গুৱাহাটী'ৰ প্ৰতি এক আন্তৰিক ভালপোৱা আছে। সময়ৰ সোঁতত কবিৰ ল'ৰালিৰ গুৱাহাটীখন হেৰাই যাবলৈ ওলাইছে। জীৱনৰ আনন্দতো আধুনিক জীৱন যাত্ৰাই প্ৰভাৱ পেলাইছে। তথাপিও কবিয়ে কিন্তু গুৱাহাটীক বিচাৰৰ কাঠগড়াত তোলা নাই। সময়ৰ সোঁতত প্ৰগতিৰ খেলা' এয়া যেন বাস্তৱ কথা। কবিয়ে আলফুলে

অতীতৰ ছবিখন সযতনে সামৰিহে থৈছে-

“তুমি মোৰ আপোন গুৱাহাটী অচিনাকি হ’লা,
চিনাকি ঘৰবোৰো অচিনাকি অট্টালিকা হ’ল!
বৰষুণত কাগজৰ নাও খেলা নলাবোৰো নোহোৱা হ’ল,
ঘোঁৰাগাড়ীৰ পিছে পিছে দৌৰি দৌৰি স্কুলৰ পৰা অহা
ঘোঁৰাগাড়ীও হেৰাই গ’ল!
লুইতৰ পাৰৰ বালিও দেখোন নেদেখা হলোঁ।
তোমাৰ মনোমোহা অতীতৰ ছবিখনি এতিয়াও থৈছোঁ
বৰ সযতনে
আলফুলে পৰিষ্কাৰকৈ।”

**কস্তুৰী নিভা গগৈ**ৰ পাঁচটি কবিতা কাব্যসংকলনখনত আছে। সাম্প্ৰতিক সময়ৰ কৰ’না ভাইৰাছক কাব্য পৰিধিত কবিয়ে সামৰি লৈছে। ‘অপেক্ষা’ কবিতাটোৰ ভাল লগা কথা এয়ে যে কৰ’না ভাইৰাছৰ নেতিবাচক দিশ কবিতাটিত নাই, প্ৰকাশ পাইছে কবিৰ সুখময় দিনৰ সন্ধানহে। কবিতাটিৰ বক্তব্য স্পষ্ট; কিছু ব্যঞ্জনো থাকিলে আৰু কবিতাটো অধিক কাব্যময় হ’লহেঁতেন। কবিয়ে কৈছে-

“তথাপি আপ্ৰাণ চেষ্টা নিৰোগী হ’বলৈ
কোৱাৰেণ্টাইন
লক্‌ডাউন
এয়াই নিৰোগী তথা ৰোগমুক্ত হোৱাৰ বচন
এয়াই সোণালী সুদিনৰ সপোন
আমি অপেক্ষাৰত।”

সহজ-সৰল আৰু পোনপটীয়া ভাৱে কবিতা লিখিছে **জোনা মহন্ত**ই। তেওঁৰ কবিতাৰ সংখ্যা ন টা। ‘শৈশৱৰ প্ৰেম’ কবিতাটিত কবিয়ে ল’ৰালিৰ আখৰ জোঁটনি, হস্তলিপি, শব্দৰ উচ্চাৰণ, সংখ্যাৰ প্ৰতি আন্তৰিক ভালপোৱা, গণিতৰ প্ৰতি থকা অপৰিসীম আকৰ্ষণ - ইত্যাদি দিশবোৰ বৰ সুন্দৰকৈ প্ৰকাশ কৰিছে। এই বিষয়সমূহ সহজ-সৰল ভাষাৰে বৰ্ণনা কৰিছে এনেদৰে--

“সংখ্যাবোৰ লাগিছিল তেনেই উজু
দহোটা আখৰৰ মাজতেই সকলো
চিঞৰি চিঞৰি কৰিছিলোঁ মুখস্থ

যোগ, বিয়োগ, পূৰণৰ নেওতা”

কবিৰ শেষ স্তৱকৰ বাৰ্তাটোৱে কবিতাটিক অধিক প্ৰোজ্বল কৰিছে –

“এতিয়াহে দেখোঁ নহয় সৰলৰৈখিক
জীৱনৰ ছন্দ
খোজেপতি খাঁও উজুটি
বিচাৰি সমিধান।”

**তপোধন দাস**ৰ কবিতাৰ সংখ্যা ছয়টা। ‘জীৱাশ্মত আৱিষ্কাৰ মানুহ প্ৰজাতি’ নামৰ কবিতাত বক্তব্য শক্তিশালী। মানুহৰ জৈৱিক স্থিতিৰ, সভ্যতাৰ ইতিহাস, ক্ষমতাৰ দ্বন্দ্ব আৰু ধ্বংসমুখী চেতনা কবিতাটোত স্পষ্ট –

“ক্ষমতাত আক্ৰান্ত হ’ল মানুহ
দণ্ডত ধাৰণ হ’ল আক্ৰোশ
আৱিষ্কাৰ হ’ল মাৰাত্মক অস্ত্ৰ
হঠাৎ ভেদি গ’ল সমস্ত প্ৰজাতি
স্থবিৰ বিজ্ঞান স্তব্ধ গতি”

**দীপালি ডেকা**ৰ মাত্ৰ এটা কবিতা অন্তৰ্ভুক্ত। ‘আই’ কবিতাটিত আইৰ প্ৰতি থকা স্নেহবোধ কাৰুণ্য মিশ্ৰিত ভাষাৰে প্ৰকাশ পাইছে। আইৰ প্ৰতি থকা শ্ৰদ্ধাত কবি সন্তোষিত যদিও তথাকথিত আভিজাত্যৰ গৌৰৱৰ কৃত্ৰিম ভোগ-বাসনাত আইক যেন মনত ৰাখিব পৰা নাই, সেই দুঃখবোধে কবিতাটিত গভীৰ ভাৱে ক্ৰিয়া কৰিছে – আইৰ ওচৰত ক্ষমা বিচাৰি কবিয়ে কৈছে –

“আই অ’,
মই আজি একেবাৰে নিঃস্ব
সংসাৰৰ চাকনৈয়াত ডুবা
এজন ভাগৰুৱা নাৱৰীয়া
আভিজাত্যৰ মহাসমৰৰ
মই এজন পৰাজিত সৈনিক
আই অ’ ক্ষমিবি মোক”

‘আভিজাত্যৰ মহাসমৰ’ শব্দ সমাহাৰে কবিতাটোক প্ৰাণ দিছে।

**পংকজ কুমাৰ বৰুৱা**ৰ তিনিটা কবিতা সন্নিৱিষ্ট হৈছে। ‘মুনি চুনি বেলি’ নামৰ কবিতাটিত কবিয়ে অৰ্থঘনত্বৰ সৃষ্টি কৰি জীৱনবোধৰ পৰিচয় দিছে।

কবিয়ে নিজৰ জীৱনৰ সময় আৰু পৰিৱেশক 'মুনি চুনি বেলি'ৰ পোহৰৰ লগত সমমৰ্মিতাৰে গ্ৰহণ কৰিছে। কিন্তু সেই আন্ধাৰ আশ্ৰিত পোহৰক নতুন আশাৰ আকুলতাৰ বাবে এৰি থৈ যোৱাৰ যি বাসনা - সিয়েই কবিতাটোক সুকীয়া মাত্ৰা প্ৰদান কৰিছে -

"নিশা হ'বলৈ বেছিপৰ নাই।
মোৰ যোৱাৰ সময় হ'ল
জীৱনৰ ৰং খিনি
থৈ গলো' তালৈ;
আকাশত সাতোৰঙী
ৰামধেনু আঁকিবলৈ।।"

পাঁচটি কবিতাৰে কাব্যসংকলনখন সমৃদ্ধ কৰা **পংকজ কুমাৰ নেওগৰ** 'বাখৰুৱা স্মৃতি' এটা উল্লেখযোগ্য কবিতা। কবিতাটিত কবিৰ শৈশৱ, শৈশৱত ৰচনা কৰা লেখা, অনূদিত উপন্যাস ডাকত অহা সময়ৰ ৰোমাঞ্চিত অভিজ্ঞতা-জড়তা নোহোৱাকৈ প্ৰকাশ পাইছে। জীৱনৰ সেই বাখৰুৱা স্মৃতি সোঁৱৰণ কৰি কবিয়ে কবিতাটিত এনেদৰে লিখিছে –

"নতুন কিতাপৰ মতলীয়া গোন্ধ আৰু
সেই কালজয়ী অনূদিত উপন্যাসবোৰে
মোৰ দিন-ৰাতি কৰিছিল একাকাৰ
সেইয়া আছিল মোলৈ ডাকত অহা
জীৱনৰ প্ৰথম অমূল্য উপহাৰ!"

**পূৰ্ণেন্দু শৰ্মা**ৰ দুটা কবিতা ইয়াত আছে। ইয়াৰে 'অচিন' নামৰ কবিতাটিৰ কাব্যিক আবেদন সুখকৰ। এটা চৰাইৰ মাতত কবিয়ে প্ৰাণ সঞ্চাৰ কৰিছে। কবিৰ মনত চৰাইটো অভিমানী, অথচ বৰ আপোন আপোন লগা। দোভাগ ৰাতি সি যেন নিশাৰ গভীৰতাহে সোঁৱৰাই দিয়ে-

"বৰ আপোন লগা
সুৰেৰে গঁথা
যেন নিলগৰ গাঁৱৰ
অচিন বাটত
সোঁৱৰাই দিয়া
নিশাৰ গভীৰতা।।"

সহজ-সৰল ভাষাৰে দুটি কবিতা ৰচনা কৰিছে **ফাইজুৰ ৰহমানে**। এটা কবিতা কৰ'না ভাইৰাছক লৈ। আনটো কবিতা 'আকৌ বহাগ আহিব'। তেনেই সহজ সৰল ভাষাৰ নিটোল কবিতা। ভাষাত জড়তা নাই। বহাগক কবিয়ে প্ৰাণ সঞ্চাৰ কৰিছে। বিশেষ কথা কবিতাটোত কোৱা নাই যদিও বৰ্ণনাৰ সাৱলীলতা আছে-

"ঢুলীয়া ডেকাই
চেনেহী নাচনীৰ
লাহতী খোপাত
কপৌফুল গুঁজিব
বিহু বিহু লাগিব গাত"

**বিৰাজ জ্যোতি গোস্বামী**ৰ কবিতাৰ সংখ্যা পাঁচ। ভাষা সহজ সৰল। বক্তব্যও পোনপটীয়া। 'মোক কবি বুলি নক'বা' - এটা বিশেষ অৰ্থত নিজক কবি বুলি ভবা নাই আৰু আনকো কবি বুলি ক'বলৈ মানা কৰিছে। যি ক্ষেত্ৰত কবিয়ে সপোনবোৰ শিকলিৰে বান্ধি থয়, কবিৰ বাবে সেয়া হৈ পৰে স্মৃতিৰ পথাৰ। এক নষ্টালজিক মনোভাব কবিতাটিত প্ৰকাশ পাইছে। মহাকাব্যিক চেতনাস্ৰোত কবিতাটিত আছে –

"এৰি অহা বাকৰিখনলৈ ঘূৰি গৈ
যেতিয়া হাল বাওঁ
স্মৃতিবোৰ শিৰলুত এটা এটাকৈ
প্ৰকট হ'বলৈ ধৰে
যেন একোজনী জানকী
আজন্ম দুখুনী অথচ প্ৰতিবাদহীন যেন একোটা
প্ৰস্তৰখণ্ড"

তিনিটি কবিতা ৰচনা কৰিছে **মীনাক্ষি ৰায় ডাকুৱাই**। 'অন্বেষণ' কবিতাটিৰ ভাবাৰ্থ গভীৰ; জীৱন সম্পৰ্কে কবিৰ দৃষ্টিভঙ্গী আছে। ভালপোৱাৰ মাজতেই লুকাই থাকে যন্ত্ৰণাবোধ। হেৰুওৱাৰ বেদনাই হৃদয়ত জগাই তোলে কাব্য চেতনা। কবিতাৰ অন্বেষণত কবিৰ শব্দই ধৰি ৰাখিছে এই বৌদ্ধিক ভাৱনা -

"চেতনাৰ গভীৰত অন্বেষণ কবিতাৰ
সেই অন্বেষণত থাকে প্ৰাণৰ

আকুতি আৰু সুগভীৰ আবেদন
শৈল্পিক নিয়মেৰে মোহিনীময় শব্দচয়ন
মেধা আৰু মননৰ স'তে
সুতীব্ৰ অনুভূতিৰ মিলিত নিৰ্মিতিত
খুলি যায় হৃদয় দুৱাৰ"

**মদন চন্দ্ৰ ডেকা**ৰ অনুভৱী ক্ষমতা আৰু প্ৰকাশভংগীৰ সজীৱতা থকা সাতটি কবিতা সংকলনত সংকলিত হৈছে। লোক জীৱনৰ প্ৰতি কবিৰ আগ্ৰহ প্ৰবল। ভাষাশৈলীতো সাৱলীলতা থকা 'পুনশ্চ' কবিতাত সাম্প্ৰতিক সময়ৰ সংকটময় স্বৰূপ অতি শক্তিশালী ৰূপত প্ৰকাশ পাইছে-

"আকৌ এটা সাধুকথাৰ জন্ম হ'ল
সাউদৰ পুতেক বণিজৰ পৰা উভতি নাহিল
ৰৈ ৰৈ তেজীমলাৰ ভাগৰ লাগিল"

কবিতাটিত কবিয়ে দিয়া বাৰ্তা বিশেষ ভাৱে মন কৰিবলগীয়া-

"ৰক্তহীনতাই প্ৰধান বেমাৰ
নহয়, একমাত্ৰ বেমাৰ
নিৰাময়ৰ কাহিনী কথনেই পৃষ্ঠভূমি এই সাধুকথাৰ"

**ৰত্ন কান্ত শৰ্মা**ৰ কবিতাৰ সংখ্যা দহোটা। কবিতাসমূহত প্ৰেমৰ এক সুৰ আছে। 'জীৱন প্ৰেম আৰু বিৰহৰ' নামৰ কবিতাত কবিয়ে প্ৰেমৰ এক পটভূমিত ভালপোৱাৰ সংজ্ঞা ৰচিছে। কবিয়ে ৰাতিক ভাল পায়, তাৰ কাৰণো কবিয়ে কৈছে এনেদৰে-

"ৰাতিটোহে মোৰ বৰ ভাল লাগে
ৰাতি যে ফুলে তগৰ মালতী
আৰু ভাল লাগে
কিয় জানানে
তৰাবোৰে দিয়ে সপোন সিঁচি
সপোন কুঁৱৰীয়ে জোনাক সানি
গুপুতে গুপুতে ধৰেহি সাবটি।"

**ৰঞ্জনা দত্ত**ৰ কবিতাৰ সংখ্যা বাৰটা। কবিতাবোৰ বাস্তৱধৰ্মী। সাম্প্ৰতিক সময়ৰ নিঃসংগতাবোধ, জড়তাবোধ আৰু তাৰ বিনাশৰ প্ৰয়াস, যান্ত্ৰিকতাৰ পৰা আঁতৰি যোৱাৰ বাসনা ইত্যাদি ভাৱনাবোৰ কবিতাত মূৰ্ত হৈছে।

'কাঁচিজোনৰ পোহৰত' কবিতাটিৰ শেহৰ স্তৱকটো এই ক্ষেত্ৰত মন কৰিবলগীয়া-

"তীখা, বাৰুদ, জুই, ধোঁৱা,
জোনাকবিহীন ৰাতি
মোক আৰু নেলাগে।
সময় হৈছে আৰু।
কাঁচি জোনৰ পোহৰতেই উভতিব লাগিব।
তেহে, ঘৰৰ যোৰ পুখুৰীত
জোনাকীবোৰে কাঁহী জোনৰ স'তে ওমলা চাবগৈ পাৰিম।।"

**ৰাতুল বৰুৱাৰ** দুটা কবিতা সংকলিত। 'শব্দবোৰ যেতিয়া শব্দ নহয়' আৰু 'তিনিটা স্তৱক'। দুয়োটা কবিতাই এক বিশেষ মান ৰাখিব পাৰিছে। 'তিনিটা স্তৱক' শিৰোনামৰ তিনিওটা স্তৱক অৰ্থময় আৰু কাব্যিক। শেহৰ স্তৱকটোত আধ্যাত্মিক ভাৱনাক সুকীয়া দৃষ্টিৰে চাবলৈ বিচাৰিছে এনেদৰে -

"ৰু ৰুৱাই অহা ধুমুহাত
আছাৰ খাই পৰিলোঁ
মন্দিৰৰ দুৱাৰদলিত,
দেৱতাৰ সুদৃষ্টি হেনো সেয়া,
পূজাৰীয়ে ক'লে।
হাজাৰ বছৰীয়া
পুতিগন্ধ বোকাত
হাত খেপিয়াই বিচাৰিছোঁ
মন্দিৰলৈ বাট কেনি"

**ৰুমিমা দাসৰ** আঠটি কবিতা পাইছোঁ। কবিতাসমূহত সামাজিক চেতনা প্ৰকাশ পাইছে। মানবীয় অনুভূতিও গভীৰভাৱে প্ৰোথিত হৈছে। প্ৰেমৰ, আন্তৰিকতাৰ, পাৰস্পৰিক বুজাবুজিৰ বোধ এটাই ক্ৰিয়া কৰিছে ভালপোৱাৰ সংজ্ঞাত--

"তোমাক বুজাব পৰাকৈ
হয়তো শব্দৰ অভাৱ মোৰ
তথাপি কোৱাচোন এবাৰ
হৃদয়ৰ সমস্ত অনুভৱেৰে

সাবটি ৰাখিম তোমাক
হেৰাব নোৱৰাকৈ
প্ৰতীক্ষা মাথোঁ
কোৱানা এবাৰ”

**শৰৎ বৰকাকতি**ৰ কবিতাৰ সংখ্যা এঘাৰটা। কবিতা সমূহৰ ভাৱ-চিন্তাত কাব্যময়তা আছে। ‘বৃত্ত’ নামৰ তিনিটা চুটি স্তৱকৰ কবিতাত অনুভৱৰ গভীৰতা, মননশীলতা ইত্যাদি কাৰকসমূহৰ আধাৰত জীৱন বৃত্তৰ ছবিখন অংকিত হৈছে এনেদৰে--

“কেন্দ্ৰত
মোৰ হিয়াখন
পৰিধিত
তোমাৰ সুনীল আকাশ
বৃত্তৰ সংজ্ঞা মোৰ ইমানেই”

আমাৰ বোধেৰে প্ৰতিজন কবিৰ কবিতাৰ দীঘ-বাণিৰ এটি ইংগিত ওপৰৰ চমু আলোচনাই দিব। বহলাই আলোচনা কৰাৰ সুবিধা নহ’ল। কবিতাৰ ভাৱ, চিন্তা, শব্দ মাধুৰ্য, ব্যঞ্জনা, কাব্যময়তা, চিত্ৰকল্প, প্ৰতীক আদিৰ সুষম প্ৰয়োগ হ’লে এটা কবিতা পাগত উঠে। আমি জানো কবি কেইগৰাকীৰ সাহিত্যৰ প্ৰতি থকা গভীৰ আস্থাবোধহে ইয়াৰ মূল বিচাৰ্য বিষয়। সেই দৃষ্টিৰে সামান্য বিচাৰ কৰিছোঁ। আমি এই কথাও জানো যে প্ৰতিগৰাকী কবি প্ৰতিষ্ঠিত কবি নহয়; কিন্তু এই কথাটো পাহৰিলে বোধহয় নহ’ব - প্ৰতিগৰাকী কবি অসমৰ অন্যতম জাতীয় চেতনা হৃদয়ত শক্তিশালী কৰা কটনিয়ান। কবিতাৰ মান মই ইয়াত জুখিব নোখোজোঁ। কিন্তু মোৰ ভাল লগা চাৰিগৰাকী কবিৰ কবিতাৰ স্তৱক একোটা উদ্ধৃত কৰাৰ মোহ সামৰিব নোৱাৰিলোঁ-

(১)
“এজনী পখিলাৰ দৰে তাই উৰি ফুৰোঁতে কোমল সময়বোৰ
সুগন্ধিময় হৈ পৰিছিল
পিঠিত কঢ়িয়াই আনিছিল জালিকটা সুখ”
‘এটা সেউজ প্ৰাৰ্থনাৰ দৰে’ - অমল শইকীয়া

(২)
“নৈত সাঁতুৰিছিলোঁ একেলগে

পথাৰৰ বোকাত লেটি লৈছিলোঁ
জোনাকত গা ধুইছিলোঁ একেলগে

হাজাৰ যোজনৰ দূৰত্ব
শতিকাৰ ব্যৱধান
কেৱল মাথোঁ কেৱল
ইগ'ই কুটে আমাৰ বন্ধুত্ব"

'সময়' - মদন চন্দ্ৰ ডেকা

(৩)

"শিলৰ চোলা পিন্ধি ল'লোঁ আজি
সূতাৰ আৰু প্ৰয়োজন নাই

সকলোখিনি থাকি যাব শিলৰ ভিতৰত"

'শিলৰ চোলা' - অগস্ত্য বৰুৱা

(৪)

"নেমু দিয়া দাইলত দুটুকুৰা মাছ
আৰু বনশাকৰ ভাজি
অহাৰ আগনিশা
তুমি যে
কাঁহৰ কাঁহীত দিছিলা সাজি"

'আইলৈ মনত পৰে' - শৰৎ বৰকাকতি

অন্যান্য কবিৰ দুই-এটা স্তৱকো বহুক্ষেত্ৰত সমৃদ্ধ যদিও সেয়া পাঠকৰ মন আৰু মগজুলৈ থলো।

ড° আল্পনা সৰকাৰ ডেকাই সম্পাদনাত যত্নৰ ত্ৰুটী কৰা নাই। বৌদ্ধিক চিন্তা আৰু সুস্থ পৰিকল্পনাৰে কবিতাৰাজিৰ অন্তৰ্ভাগত প্ৰৱেশ কৰি সংকলনখনি এটা উন্নত মাপকত লৈ যাবলৈ চেষ্টা কৰিছে।

সকলোৰে শৰীৰ আৰু মন ভালে থাকক- 'কাব্য ভাবনা' ভৱিষ্যতেও প্ৰকাশ হওক। প্ৰতিগৰাকী কবিলৈ আমাৰ অভিনন্দন -

ড° পূৰ্ণ ভট্টাচাৰ্য
দিনাংক ঃ ৬ জুলাই, ২০২০

# ‘কাব্য ভাবনা’ৰ বাট-চ’ৰা

এয়া ‘কাব্য ভাবনা’ৰ দ্বিতীয় গ্ৰন্থ।

‘কাব্য ভাবনা’ প্ৰকাশৰ চিন্তা কৰা হৈছিল ২০১৯ চনত। ১৯৭৫-৭৭ চনৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ান সকলৰ চিন্তা চেতনাৰ স্বাক্ষৰ বহন কৰিছিল তেওঁলোকৰ মাজত ডিজিটেল মাধ্যমত হোৱা আলাপচাৰিতাই। সেই আলাপত আনন্দ-বিষাদ আদি মানবিক চেতনাসমূহ মূৰ্ত হৈছিল। প্ৰত্যক্ষভাৱে নহয়, পৰোক্ষভাৱে আমিও সেই চিন্তা, ভাব, অনুভূতিৰ দ্বাৰা সমৃদ্ধ হৈছিলোঁ। তেতিয়াই মনত এটি ভাবে দোলা দিছিল, যদি এই লেখা খিনি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা যায়, হয়তো অদূৰ বা দূৰ ভৱিষ্যতত ইয়াৰ মাজৰ পৰা অমূল্য সম্পদ কিছু আৱিস্কৃত হ’বও পাৰে। হয়তো নহ’বও পাৰে - তথাপি সংৰক্ষিত ভাবখিনি কাৰোবাৰ বাবে অনুপ্ৰেৰণাৰ উৎসও হয়তো হ’ব পাৰে। কোনে জানে সময়ে কাৰ বাবে কি সম্পদ সাঁচি ৰাখিছে!

‘কাব্য ভাবনা - ১’ ত আমি কৈছিলোঁ যে কবিতা লিখাৰ প্ৰয়াসেৰে তেওঁলোকে কবিতা লিখা নাছিল। ‘কাব্য ভাবনা’ৰ লেখা বিলাক বিভিন্ন সময়ত তেওঁলোকৰ মনত দোলা দিয়া ভাবৰ অনুৰণনহে।

‘কবিতা কবিতা হয় কেৱল মাত্ৰ আনন্দৰ চৰম মুহূৰ্তত। বোধকৰো কাব্যসম্ৰাট নৰকান্ত বৰুৱাৰ অমৰ বাণী। আকৌ ‘সুগন্ধি পখিলা’ৰ কবি হীৰেণ ভট্টাচাৰ্যই কৈছিল ঃ

> ‘কবিতা মোৰ দুখৰ দিনৰ
>
> এপাঁহ খৰিকাজাঁই।’

‘কাব্য ভাবনা’ৰ লেখকসকলে আনন্দ-বিষাদঘন সময়ত তেওঁলোকৰ মনৰ ভাগ-বাটোৱাৰা কৰিছিল, তাৰেই লিখিত ৰূপ এই ৰচনা সমূহ। আমি একেটা কথাকে বাৰে বাৰে দোহাৰিছোঁ যে এই ৰচনা সমূহে উৎকৃষ্ট কাব্য হিচাপে স্বীকৃতি নাপাবই পাৰে, কিন্তু তেওঁলোকৰ চিন্তা চেতনাক স্থায়ী ৰূপ দিয়াৰ বাবেই ‘কাব্য ভাবনা’ প্ৰকাশৰ প্ৰয়োজন।

আমি জানো অৰণ্যত যেনেকৈ বৃহৎ মূল্যৱান বৃক্ষৰ জন্ম হয়, তেনেকৈ

ক্ষুদ্ৰ অপতৃণৰো জন্ম হয়। কিন্তু বিধাতাৰ সৃষ্টিত কোনো ক্ষুদ্ৰ বস্তু অপ্ৰয়োজনীয় নহয়। ক্ষুদ্ৰ হ'লেই কোনো তুচ্ছাতিতুচ্ছ হ'ব বুলি ভবাটো অপৰাধ। তুচ্ছতকৈয়ো তুচ্ছ পদাৰ্থৰো মূল্য আছে সৃষ্টিকৰ্তাৰ সৃষ্টিত। মানৱ মনো বিধাতাৰ অপৰূপ সৃষ্টি। সেই সৃষ্টিৰ চিন্তা চেতনাও নিশ্চয় তুচ্ছাতিতুচ্ছ নহয়। কবি জীৱনানন্দ দাসে কৈছিল -

'সকলেই কবি নয়, কেউ কেউ কবি।'

সকলোৱে কবিতা লিখিলেও সকলোৱে কবি হিচাপে শ্ৰেষ্ঠত্ব লাভ নকৰিবও পাৰে, কিন্তু মনৰ ভাববিলাক নিজৰ বাবে, অইনৰ বাবে ক্ষণিক আনন্দদানৰ বাহক হ'বতো পাৰে। এইবাবেই 'কাব্য ভাবনা'ৰ দ্বিতীয়খন গ্ৰন্থ প্ৰকাশ কৰাৰ কথা ভবা হৈছে। আমাৰ এই আশাবাদ ভূমুকি মাৰিছে ৰাতুল বৰুৱাৰ চিন্তাত -

'কেইটামান গুটিমালি ফুল,
সেয়া মই লৈ যাম
সেউজীয়া দেশলৈ
বসন্ত কালত সিঁচি দিম
ফুল নহ'লেও গছ হৈয়েই
থাকিব সিহঁত।'

যোৱা এবছৰত বহু কবিতা গোট খাইছে। তাৰ পৰা নিৰ্বাচন কৰি কিছু সংখ্যক কবিতাহে কাব্য ভাবনাত স্থান দিয়া হৈছে। কবিতা সমূহৰ ৰচনাকাল আৰু এইবোৰৰ প্ৰকৃতিলৈ চাই কেইবাটাও ভাগত ভাগ কৰা হৈছে। প্ৰকৃতিৰ ৰূপ পৰিৱৰ্তনৰ লগে লগে মানৱমনত তাৰ প্ৰভাৱ পৰে। অনুভূতিশীল মানৱমনে প্ৰকৃতিৰ পৰিৱৰ্তন হৃদয়ত অনুভৱ কৰে। সেই অনুভৱী ভাবেৰে লিখা বহুত কবিতাই 'কাব্য ভাবনা'ত স্থান লাভ কৰিছে।

বিষয়বস্তুৰ প্ৰকৃতি আৰু কবিমনৰ প্ৰকৃতিলৈ লক্ষ্য কৰি কৰা ভাগ সমূহ হ'ল ঃ

১. জীৱন ঃ জীৱনৰ সাধনা
২. আস্থা ঃ অনাস্থা
৩. আই ঃ পিতা
৪. অতীত পীড়া ঃ ঐতিহ্য চেতনা

৫. প্ৰেম ঃ প্ৰেমৰ অনুভূতি

৬. ঋতু ঃ প্ৰকৃতি

৭. কৰ'না ঃ অতিমাৰীৰ গাথা

৮. স্বপ্ন ঃ স্মৃতি ঃ বিষাদ

৯. বাৰমিহলি

ভাগ সমূহ নিশ্চয় নিকপকপীয়া নহয়, তাৰ বিচাৰৰ ভাৰ বিজ্ঞজনলৈ এৰিলোঁ।

'জীৱন জীৱন বৰ অনুপম' - এই আশাৰে জীৱনৰ সাধনা কৰা কবিসকলৰ কাপৰ পৰা নিগৰি ওলাইছে কিছু অনুপম সৃষ্টি। অগস্ত্য বৰুৱাই জীৱনটো এটা কবিতা ৰূপেৰে উপলব্ধি কৰিব বিচৰাৰ বিপৰীতে, বিৰাজজ্যোতি গোস্বামীয়ে জীৱনৰ বাস্তৱ স্বৰূপ উদ্‌ঘাটন কৰিছে ঃ

'কেতিয়াবা হেৰুৱাই কেতিয়াবা পোৱাৰ আশা
হয়তো এয়াই আমাৰ জীৱনৰ পৰিভাষা'

কঙ্কন শৰ্মাৰ 'সুখৰ উপলব্ধি' সুখৰ অনুপম অনুভৱ ঃ

'সুখ হ'ল নৈসৰ্গত
ওপঙি থকা অদৃশ্যমান
কিবা!
তাক পাব নোৱাৰি
সান্ত্বনা ল'ব পাৰি পোৱা বুলি।'

ৰাতুল বৰুৱাই অপৰাহ্নৰ ৰং আঁকিব খোজোঁতেই দেখিলে শব্দবোৰৰ ৰং হেৰাল, কিন্তু

'শব্দবোৰ
বহুদিন আছিল মোৰ লগত
সুখে দুখে সিহঁত
মোৰ সঙ্গী আছিল।'

তগৰ মালতীৰ গোন্ধে আমোলমোলাই থকা ৰাতিটোহে আকৌ ৰত্ন কান্ত শৰ্মাৰ প্ৰিয় ৰাতি। কিয় ভাল লাগে তাকো তেওঁ কৈছে ঃ

'তৰাবোৰে দিয়ে সপোন সিঁচি
সপোন কুঁৱৰীয়ে জোনাক সানি
গুপুতে গুপুতে ধৰেহি সাবটি।'

ৰঞ্জনা দত্তৰ ‘একাকীত্ব’ নামৰ ৰচনাত ফুটি উঠিছে আধুনিক যুগৰ যন্ত্ৰণাময় এক বাস্তৱ চিত্ৰ। আজিৰ যান্ত্ৰিক সভ্যতাই নিঃসঙ্গ কৰি দিয়া মানৱৰ হৃদয়ৰ হাহাকাৰে দোলা দিছে তেওঁৰ ভাবনাত। আজিৰ তীব্ৰ প্ৰতিযোগিতাৰ দিনত অকলশৰীয়া বৃদ্ধ পিতৃ-মাতৃৰ অসহায়তাৰ নিৰ্মম প্ৰতিচ্ছবি ঃ

‘বৰ অকলশৰীয়া লাগে
আইজনী বেগতে আহিবিচোন
ক্ষন্তেক কাষতে বহিবি
মোৰ দুয়ো হাত ধৰি।’

‘অন্বেষণ’ নামৰ কবিতাত মীনাক্ষি ৰায় ডাকুৱাই জীৱনৰ অমল অনুভৱ বিচাৰি পাইছে কবিতাৰ মাজত ঃ

‘মনস্ক অনুভৱী কবিৰ নিত্যসঙ্গী কবিতা
চেতনাৰ গভীৰত অন্বেষণ কবিতাৰ।’

কবি অমল শইকীয়াই মানৱ মনক বতাহৰ সৈতে ৰিজাই চাইছে। মানৱ মনৰ উমান পোৱা সহজ নহয়। মনৰ গতি জটিল ৰেখাৰ দৰে সেয়ে তেওঁ কৈছে ঃ

‘মনবোৰ গভীৰ অৰণ্যৰ দৰে
বৰ জয়াল।’

সময় অমোঘ, সময়ৰ কুটিল চক্ৰত সকলো ধৰাশায়ী হয়। তাৰ ৰূপ বৈচিত্ৰ্য আছে পংকজ কুমাৰ নেওগৰ কবিতাত ঃ

‘বিবৰ্ণ, মদৰুৱা;
ছিৰা ছিৰ হৈ পৰা,
অ’ৰ-ত’ৰ খলা-বমা
আৰু চেকাবোৰে যেন
সোঁৱৰায় সময়ৰ ক্ৰুৰ অভিসাৰ।’

পংকজ কুমাৰ বৰুৱাই সময়ৰ হাতত নিজক সমৰ্পণ কৰি উঠিও আশাৰ সপোন দেখিছে এনেদৰে ঃ

‘মোৰ যোৱাৰ সময় হ’ল
জীৱনৰ ৰং খিনি
থৈ গলোঁ তালৈ;

আকাশত সাতোৰঙী
ৰামধেনু আঁকিবলৈ।’

এইলানি কবিতাৰ এটা স্পষ্ট ৰূপ পোৱা যায় মদন চন্দ্ৰ ডেকাৰ ‘ত্ৰিশঙ্কু’ আৰু ‘আকিঞ্চন’ কবিতাত। জীৱন এতিয়াও জটিল যুগসন্ধিৰ চাকনৈয়াত বন্দী; মানুহে জীৱনৰ সঁচা বাট বিচাৰি দিগ্‌ভ্ৰান্ত ঃ

‘আলি দোমোজাত আমি
পূবৰ নে পশ্চিমৰ পথ ধৰি আগুৱাওঁ!’

আকৌ যান্ত্ৰিক যুগৰ ব্যস্ততাৰ ছৱি আঁকিছে তেওঁ ঃ

‘কোবাকুবিকৈ ডাঙৰীয়া গুচি গ’ল

কাৰ স’তে বিনিময় কৰোঁ
কুশল-মঙ্গল বতৰা!’

মানুহে মানুহৰ ওপৰত বিশ্বাস হেৰুৱাৰ হৃদয় ভগা শব্দ ধ্বনিত হৈছে আস্থা-অনাস্থা জাতীয় ৰচনাত ঃ

‘বিশ্বাসবোৰত ভেঁকুৰ লাগিল
... ... ... ... ...
কিমান মূল্যত বিক্ৰী কৰিব পাৰে নিজৰ সত্তা’

ৰুমিমা দাসৰ হৃদয়ত আকৌ

‘বাষ্পপিণ্ড হৈ জ্বলে
নিঃসঙ্গ অন্তৰৰ বেদনাবোৰ’

মীনাক্ষি ৰায় ডাকুৱাৰ ‘আশাৰ সপোন’ আজিৰ দুৰ্বহ সময়ৰ মাজতো আস্থা আৰু সপোনৰ বাণী কঢ়িয়াই অনা এটি সুন্দৰ কবিতা। আশাৰ সপোনবোৰ বুকুত লৈ কটোৱা উজাগৰী নিশাৰ অন্তত -

‘জীৱনৰ মেলা খিৰিকীৰে সোমাই অহা
সূৰ্যোদয়ৰ প্ৰথম কিৰণত সৃষ্টি হয়
এক নতুন বিশ্বাস আৰু আস্থা...’

তাৰেই ফলত সঁজাল ধৰে তেওঁৰ দুচকুৰ নিষ্পাপ সপোনবোৰ। ‘কাঁচি জোনৰ পোহৰত’ ৰঞ্জনা দত্তৰ এটি ভিন্নসুৰী কবিতা। আমি জীৱনৰ ভিন ভিন সময়ত বহু দুঃসময়ৰ মুখামুখি হৈছোঁ। জীৱনে বাগৰ সলাইছে। জীৱনৰ অৰ্থ বিচাৰি বহু সপোন হেৰাই গৈছে গভীৰ অৰণ্যৰ অগাধ আন্ধাৰত। তথাপিও, তথাপিও কবি ৰঞ্জনা দত্তই বিশ্বাস ৰাখিছে কিবা এক সন্মোহনৰ’

মাজেৰে কাঁহী জোনেও পোহৰাব নোৱৰা সেই অৰণ্যৰ পৰা স্বপ্নাতুৰ যৌৱন উভতি আহিব জোনাকী গাঁওখনলৈ। তেওঁ আস্থা ৰাখিছে

‘তীখা, বাৰুদ, জুই, ধোঁৱা,
জোনাকবিহীন ৰাতি
মোক আৰু নেলাগে।
সময় হৈছে আৰু।
কাঁচি জোনৰ পোহৰতেই উভতিব লাগিব।
তেহে, ঘৰৰ যোৰ পুখুৰীত
জোনাকীবোৰে কাঁহী জোনৰ স’তে ওমলা চাবগৈ পাৰিম।’

গভীৰ আশাৰে তেওঁ বাট চাইছে অনাগত দিনবোৰলৈ।

‘কাব্য ভাবনা’ৰ কবিসকলে বিভিন্ন সময়ত নিজৰ পিতৃ-মাতৃলৈ স্মৃতি তৰ্পণ কৰিছে। জীৱনৰ অশ্বদৌৰত দৌৰি থাকোঁতে কেতিয়ানো জীৱনে ভাটি দিলে তলকিবই নোৱাৰিলে। এতিয়া জীৱনৰ বিয়লি বেলিকা শৈশৱৰ স্মৃতিত দোলা দি জীৱন ভৰাই ৰখা অথচ হেৰাই গৈয়ো হৃদয় স্পন্দনত সজীৱ হৈ থকা পিতৃ-মাতৃৰ ছবি একোখনি স্পষ্টৰূপত প্ৰকাশ কৰিছে কেইবাগৰাকী কবিয়ে। পিতৃদিৱস, মাতৃদিৱস পাতি একোটা নিৰ্দিষ্ট দিনেৰে পিতৃ-মাতৃক মূল্যায়ণ কৰিব নোৱাৰি। প্ৰতিটো ক্ষণেই হ’ব লাগে পিতৃ-মাতৃৰ প্ৰতি উৎসৰ্গিত। এই অনুভৱৰেই প্ৰকাশ দেখা যায় জোনা মহন্ত আৰু দীপালি ডেকাৰ কবিতাত। আজিৰ যুগত বৃদ্ধাশ্ৰমত পিতৃ-মাতৃক এৰি অহা, পদপথত দলিয়াই দিয়াৰ কাৰুণ্যই কবিসকলক ব্যথিত কৰিছে। জোনা মহন্তই কৈছে ঃ

‘আছে জানো তোমাৰ বাবে
পিতৃ দিৱসৰ প্ৰয়োজন,
তুমিতো চিৰদিন আছা
প্ৰতিক্ষণতেই মোৰ মাজত’

শৰৎ বৰকাকতিৰ ‘আইলৈ মনত পৰে’ এটা স্মৃতি ৰোমন্থন শীৰ্ষক কবিতা। জীয়াই থাকোঁতে আই-পিতাইৰ অভাৱৰ অনুভৱ আৰু চিৰদিনলৈ হেৰাই যোৱাৰ পিছৰ অনুভৱৰ মাজত কিমান পাৰ্থক্য কবিয়ে তাকেই ব্যক্ত কৰিছে ঃ

‘তুমি কাষত নেথাকোঁতে
আৰু একেবাৰে নোহোৱা হওঁতে হোৱা
শূন্যতাৰ অনুভৱ ইমান পৃথক...’

কঙ্কন শৰ্মাই মৃত পিতৃক এবাৰ স্মৰণ কৰিব খুজিছে ঃ

‘তুমি ছুঁয়া ময়া ছবি হৈ গ’লা
ধূসৰ’

কৃষ্ণা শৰ্মাৰ ‘মই মা’ কবিতাটিত এগৰাকী মাতৃৰ মানসিকতাৰ লগতে এগৰাকী চিৰন্তন ভাৰতীয় নাৰীৰ মানসিকতা আৰু যন্ত্ৰণা স্পষ্টৰূপত ফুটি ওলাইছে। কবিতাটিৰ দুটামান পংক্তিয়ে, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ এটি কবিতাৰ দুটি পংক্তিলৈ মনত পেলায় ঃ

‘মই বাৰু কি ভাল পাওঁ
মনতেই নপৰা হ’ল ভাল পোৱাবোৰ;
মই জানো মাথোঁ আনৰ ৰুচি বোৰ;
... ... ... ... ...
মই যেন এক স্বয়ংক্রিয়
ভাবলেশ অনুভূতিহীন এক যন্ত্ৰ।
হয়! মায়ে শিকাইছিল সহনশীল হ’বলৈ
নহ’লে হোনো নৰ’ব সংসাৰ! ভাঙি ছিঙি যাব!
... ... ... ... ...
মোৰ মগজুত যেন পাকঘৰৰ বাদে একোৱেই নাই’

(কৃষ্ণা শৰ্মা)

এ সংসারে এসেছিলাম ন-বছরের মেয়ে,
তার-পবে এই পরিবারের দীর্ঘ গলি বেয়ে
দশের-ইচ্ছা-বোঝাই-করা এই জীবনটা টেনে টেনে শেষে
পৌছিনু আজ পথের প্রান্তে এসে;
সুখের দুখের কথা
একটুখানি ভাবব এমন সময় ছিল কোথা?

(মুক্তি) রবীন্দ্রনাথ ঠাকুর

এৰি থৈ অহা দিনবোৰ মানুহৰ বৰ প্ৰিয়। এইবোৰে কঢ়িয়াই লৈ আহে আনন্দ-বিষাদ-যাতনা। এই স্মৃতি সমূহেই হৈ পৰে কেতিয়াবা ঐতিহ্যৰ বাৰ্তাবাহক। যন্ত্ৰযুগত আগৰ চিঠিৰ ঠাই লৈছে মোবাইল, ইণ্টাৰনেটে। কিন্তু চিঠিত থকা অনুৰাগ জানো যন্ত্ৰই যোগাব পাৰে? তাৰ বাবেই হয়তো জোনা মহন্তই চিঠি এখনকে লিখিছে। য’ত সপোন সপোন লগা দিনবোৰৰ বাৰতা

পঠিয়াইছে। চিঠিখন দীঘল হ'ল, ক্ষতি কি?

জোনা মহন্তৰ 'নষ্টালজিয়া', পঙ্কজ কুমাৰ নেওগৰ 'বাখৰুৱা স্মৃতি, ৰঞ্জনা দত্তৰ 'এলবাম' আদি কবিতাত অতীত স্মৃতিয়ে ভূমুকি মাৰিছে ঃ

'মইতো একেই আছোঁ,
মাথোঁ সলনি হৈছে সময়।'

পূৰ্ণেন্দু শৰ্মাই এতিয়াও শুনে -

'দোভাগ ৰাতি
আজিও ভাহি আহে
অভিমানী
চৰাইটিৰ সেই
চিনাকি মাত।
বৰ আপোন লগা ...'

মদন চন্দ্ৰ ডেকাৰ 'উগুনা' এটা সুন্দৰ অনুভৱী কবিতা।

'তৰপে তৰপে জমা হ'ল উগুনা
আইৰ ৰাজহাড় কোনখিনিত ভাঙিছে
তাৰ উমান লৈছা নে বোলো!'

কৃষ্ণা শৰ্মাৰ 'গুৱাহাটী', শৈশৱৰ গুৱাহাটী সলনি হ'ল। প্ৰগতিয়ে তাৰ ৰূপ সলনি কৰিলে। তথাপি গুৱাহাটীৰ প্ৰতি তেওঁৰ ভালপোৱা অমলিন। কবিতাটো সময় পৰিবৰ্তনৰ দস্তাবেজ ৰূপে প্ৰতীয়মান হ'ব। গুৱাহাটীৰ পুৰণা ছবিখনো ইয়াৰ প্ৰতিফলিত হৈছে।

মানৱ জীৱন সমৃদ্ধ কৰা অনুপম অনুভূতি হ'ল প্ৰেম। কবি ড° নিৰ্মল প্ৰভা বৰদলৈয়ে কৈছিল-

'আটাইবোৰ আয়নাতে
মই তোমাৰ মুখ দেখোঁ।
ক'তো এখন আয়না
বিচাৰি নেপালো,
য'ত দেখা পাওঁ
মোক মুখখন
এবাৰলৈ!'

এই অনুভৱত আপ্লুত হৈ ভালে কেইগৰাকী কবিয়ে প্ৰেম মূলক কবিতা

ৰচনা কৰিছে। সেয়ে চাগে আমি বিৰাজজ্যোতি গোস্বামীৰ ৰচনাত পাওঁ

‘শব্দবোৰত তুমি
সুৰত তুমি
গানবোৰ তোমাৰেই ...’

তপোধন দাসৰ বাবে প্ৰেম শাশ্বত। সেইবাবেই তেওঁ সেই প্ৰেমৰ সংবেদনাত বিলীন হ’বলৈ হাবিয়াস কৰিছে -

‘কুলিৰ মাতত শিহৰা যৌৱনে ৰিঙিয়াইছে
.... .... .... .... ....
.... .... .... .... ....
বিলীন হ’ম শাশ্বত প্ৰেমৰ সংবেদনাত।’

শৰৎ বৰকাকতিয়ে আকৌ প্ৰেমৰ উপস্থাপনা কৰিছে ভিন্ন ধৰণে -

‘কেন্দ্ৰত
মোৰ হিয়াখন
পৰিধিত
তোমাৰ সুনীল আকাশ
বৃত্তৰ সংজ্ঞা মোৰ ইমানেই’

ৰুমিমা দাসে আবিৰৰ ৰং ছটিয়াই তেওঁৰ প্ৰিয়জনৰ সুখবোৰ চাব বিচাৰি হাবাথুৰি খাইছে।

জোনা মহন্তৰ অনুভৱত প্ৰেম
‘মাথোঁ এক মিঠা অনুভৱ।’

অসমত প্ৰকৃতিয়ে ৰূপ সলায়। প্ৰতিটো ঋতুৰে একোটা বৈশিষ্ট্য আছে। বৈচিত্ৰ্যময় প্ৰকৃতিৰ ৰূপ বিচিত্ৰতাই সময়ে সময়ে ‘কাব্য ভাবনা’ৰ কবিসকলক উন্মনা কৰিছে। বাৰিষা কালত অসমৰ আকাশত মাজে মাজেই ৰামধেনু দেখা যায়। আকাশৰ ৰামধেনুৰে কস্তুৰী নিভা গগৈয়ে জীৱনৰ ৰং অঁকাৰ হাবিয়াস কৰিছে ঃ

‘জীৱনো এনেকুৱাই সাতোৰঙেৰে বোলোৱা
সাতোৰঙৰ মাজতে সোমাই আছে বহু ৰং বিৰং।’

বাৰিষা সময় আৰু গতিশীল নদীয়ে শৰৎ বৰকাকতিৰ মনলৈ সভ্যতাৰ ইতিহাসৰ বতৰা লৈ আনিছে ঃ

'গতিশীলা তোমাৰ হেনো নাম
থুনুক থানাক মাত
ফুটে সভ্যতাৰ
পাৰতে তোমাৰ ...'

তাৰ লগতে মনলৈ আহে বিপুলজ্যোতি শইকীয়াই লিখা ঃ

'নদীৰ কোনো নিজস্ব শৰীৰ নাই
নদী নাৰীৰ দৰে
স্বপ্নৰ ভিতৰৰ আশ্চৰ্য নিৰ্মাণ।'

আকৌ বৰকাকতিৰ কাপতে পোৱা যায় যে

'বাৰিষা প্ৰেমৰ জীপাল ঋতু।'

মেঘদূতৰ বিৰহী যক্ষই বাৰিষা কালতে প্ৰিয়তমালৈ বুলি বাৰতা পঠিয়াইছিল - আষাঢ়স্য প্ৰথম দিৱসে। অভিনৱ চিত্ৰকল্পৰে পঙ্কজ কুমাৰ বৰুৱাই 'নীলা জোনাক' কবিতাত কৈছে -

'পূৰ্ণিমাৰ নিশা
জোন নামি আহিব আকাশৰ পৰা
ৰাংছালি ঘাটত গা ধুবলৈ'

আকাশে দিয়া নীলা কাপোৰযোৰ পিন্ধি আকাশৰ বুকুত মিলিব।

শেৱালি ফুলাৰ বতৰত 'দূবৰিৰ বুকুত আহিনৰ শেৱালি সৰে।' কেতিয়াবা অমল শইকীয়াই আকৌ

'আঘোণৰ ৰিঙত ঢৌ খেলা ভৱিষ্যতৰ
জীৱন সম্ভাৱনাৰ মিঠা হাঁহি' দেখা পায়।

ৰঞ্জনা দত্তই -

'ফাগুনৰ ধুলিয়ৰি
বতাহজাকতো
কিবা বহাগ বহাগ গোন্ধ...' পায়।

শুকুলা ডাৱৰ, কঁহুৱা আৰু শেৱালিৰ ছবিৰে শাৰদী ৰাণীৰ মন পৰশা ছবি দাঙি ধৰিছে কৃষ্ণা শৰ্মাই।

'লুইতেই দিছে আমাৰ দেশক সুজলা সুফলা বেশ'

এই সুৰ প্ৰতিধ্বনিত হৈছে বিৰাজজ্যোতি গোস্বামীৰ লুইত ঃঃ বৰলুইত কবিতাত। লুইত অসমৰ সভ্যতা সংস্কৃতিৰ কেন্দ্ৰ বিন্দু -

'গঢ় লৈ উঠিল
সৰু বৰ চহৰ
সহস্ৰ কৃষকৰ সপোন সিঁচা
সোণোৱালী পথাৰ
সহস্ৰ শতাব্দীৰ এক সভ্যতা।'

'পূৰ্ণিমা জোনাক নিশা
নুঠে নাচি মন প্ৰাণ
আঁউসীয়ে নথ'লে লুকাই...'

'ভয়াবহ আঁউসীৰ গৰ্ভতে লুকাই থাকে জোনাকৰ নিৰ্মল জ্যোতি।' এই অনুভৱৰ কোমল আভাস কঙ্কন শৰ্মাৰ 'জোনাক' কবিতা -

'আন্ধাৰ তই কাযে কাযে থাক
নহ'লে চিনিব নোৱাৰি জোনাক।'

ৰত্ন কান্ত শৰ্মাৰ 'মিঠা ৰাগিনী' কবিতা পঢ়িলে সঁচাকৈয়ে জাৰৰ দিনত নামি অহা বৰষুণজাকৰ সময়ত জুহালত উম লৈ বহি থকাৰ আমেজ অনুভৱ হয়।

পঙ্কজ কুমাৰ নেওগৰ "এটা শীৰ্ণকায় 'ৱাদী" এটা অনন্যসুন্দৰ কবিতা। ওমান আৰু আৰৱ দেশৰ পাহাৰৰ উপত্যকাত থকা অগভীৰ খালবোৰৰ বৰ্ণনা পঢ়াৰ লগতে কবিতাটোত পাঠকে বহু নজনা কথাৰ উমান পায়। কবিতাটোৱে হৃদয় সংবেদনশীলতাৰ লগে লগে মানসিক ভাৱেও পাঠকক সমৃদ্ধ কৰে। নিয়তিৰ নিষ্ঠুৰতাৰ কথাও কবিতাটোত ফুটি উঠিছে -

'গোটেই নিশাটো সাৰে ৰ'ল মাথোঁ আকাশৰ অবুজ বিলাপ আৰু
ফেনে ফোটোকাৰে বৈ যোৱা অবাধ্য 'ৱাদী'টোৰ নিলাজ গৰ্জন!
দুদিনৰ পিছত...
চহৰৰ ৰাতিপুৱাৰ খবৰ কাগজবোৰত
য়াকুব ৱাহেইবি নিজেই খবৰ হ'ল।'

স্বপ্ন ঃ স্মৃতি ঃ বিষাদ শীৰ্ষক শিতানত কবিসকলে কেতিয়াবা যদি বিপন্নসময়ৰ ছবি আঁকিছে কেতিয়াবা প্ৰেম আৰু মমতাৰ আমোলমোলোৱা জীৱনৰ মন মতলীয়া সপোন দেখিছে। সপোন ক'ত থাকে? বুকুত নে মগজুত

তাৰো কৰ্ষণ কৰিছে। তথাপি সপোনবোৰ জীয়াই থাকে। জীৱনৰ কাঠিন্যৰ সৈতে সহমৰ্মিতা ৰক্ষা কৰিও সপোনে সঁজাল ধৰে মনৰ মজিয়াত। শৈশৱৰ আখৰ শিকাৰ কিটিপ, শৈশৱৰ সোণোৱালী সময়খিনি ধৰি ৰাখিছে জোনা মহন্তই 'শৈশৱৰ প্ৰেম' কবিতাত -

'নুবুজিলোঁ আজিও
But যদি বাট, Put হয় পুট কেনেকৈ...'

অৱশেষত তেওঁ বুজিলে

'এতিয়াহে দেখোঁ নহয় সৰলৰৈখিক
জীৱনৰ ছন্দ।'

ৰুমিমা দাসে অতীতৰ সুখৰ স্মৃতি সুঁৱৰি বৰ্তমানৰ বিষাদ গাথা অঙ্কন কৰিছে -

'আধা ভগা সপোনৰ বিননি
ক'তোৱেই নাই তুমি।'

কঙ্কন শৰ্মাৰ 'অপৰাহ্নৰ ৰং' এটা সহজ সৰল ভাষাৰে লিখা সুন্দৰ কবিতা। মানৱ জীৱনক ৰিজাইছে তেওঁ দিনটোৰে লগত। পুৱা, দুপৰীয়া, আবেলিৰ চিত্ৰকল্পৰে তেওঁ আঁকিছে একো একোখন মনোমোহা ছবি। জীৱনৰ প্ৰতিটো ক্ষেত্ৰৰেই আছে নিজা মাদকতা। কবিতাটোৱে কবি দুৰ্ৱাৰ 'জীৱন জেউতি' কবিতাটোলৈ মনত পেলায়।

ৰত্নকান্ত শৰ্মাই কৈছে -

'স্মৃতি আৰু স্মৰণ এতিয়া বৰ নিঃকিন'

মদন চন্দ্ৰ ডেকাৰ 'পুনশ্চ' কবিতাত বৰ্তমান দুঃসময়ৰ ছবি ফুটি উঠিছে -

'এতিয়া ইয়াত বতাহ নাই
তেজীমলাৰ চকুপানী চকুত শুকাল
শগুণৰ জাক আকাশ ঢাকি উৰিছে'

'কাব্য ভাবনা'ৰ মাজত প্ৰতিফলিত হৈছে সমসাময়িক সময়ৰ ঘটনাৰ প্ৰতিচ্ছবি। বিশ্ব এতিয়া ৰোগাক্ৰান্ত। বিভিন্ন সময়ত পৃথিৱী বিভিন্ন ধৰণৰ মহামাৰীৰ কবলত পৰিছে। বিশ্ব সাহিত্যত ইয়াৰ ইতিহাস প্ৰতিফলিত হৈছে। ইং ২০২০ চনত সমগ্ৰ বিশ্ব ছানি ধৰিছে অতিমাৰীয়ে। লাখ লাখ মানুহৰ প্ৰাণহানি ঘটিছে। এসময়ত এই ঘটনা ইতিহাস হৈ ৰ'ব। 'কাব্য ভাবনা'ৰ কিছুমান

কবিতাত মহামাৰী কৰ'নাক কেন্দ্ৰ কৰি কবি মনত ক্ৰিয়া কৰা আশা-আশংকা দুখবোধ আদিৰ ছবিও স্পষ্ট হৈ উঠিছে। দৈত্যৰূপী কৰ'নাৰ সংহাৰৰ পৰা বিশ্ব এদিন মুক্ত হ'ব, মানৱে পুনৰ আনন্দেৰে দিন কটাব এই ধৰণৰ ভাবনাৰে তেওঁলোক উজ্জীৱিত হৈছে। তাৰ লগে লগে এই দুৰ্যোগৰ সময়ত অসুস্থ মানুহৰ কাষত মানৱতাৰ প্ৰতিভূৰূপে থিয় দিয়া মানুহৰূপী দেৱদূত সকলৰ প্ৰতি শ্ৰদ্ধা জনাই লিখা কবিতাও আছে। কঙ্কন শৰ্মাই সেয়ে কৈছে ঃ

'আজিৰ এই দিনবোৰ সিদিনা সোঁৱৰণী হ'ব
মনত নেৰাখে কোনেও
মৃত্যুৰ কথা।
সকলোবোৰ সপোন বুলি
পাহৰি যাব।'

কিন্তু অতিমাৰীয়ে আমাক কেৱল দুখেই দিলেনে? আজিকালি ব্যস্ততাৰ বাবে একেলগ হ'ব নোৱৰা পৰিয়ালবোৰ তলাবন্ধৰ বাবে একেলগে ঘৰতে থকাৰ সুবিধা পালে। সেয়ে ঃ

'ৰৈ যাব স্মৃতিত
একেলগে ঘৰৰ মাজত কটোৱা দিনবোৰৰ কথা।'

কস্তুৰী নিভা গগৈয়ে

'অপেক্ষা কৰি আছোঁ
এটি সুসংবাদলৈ
কৰ'না ভাইৰাছ মৰি শেষ হ'ল
ৰোগাক্ৰান্ত মানুহবোৰৰ নিৰাময় হ'ল..'

বহু আশাৰে বাট চাইছে। পঙ্কজ কুমাৰ নেওগেও কৈছে ঃ

'আকৌ নতুন প্ৰভাত হ'ব, কাল অমানিশাৰ পৰিব যবনিকা'। তপোধন দাসে আকৌ জীৱাশ্মত মানুহ প্ৰজাতি আৱিষ্কাৰ হ'ব বুলি ধাৰণা কৰিছে। যেন-

'শতিকাৰ নিস্তব্ধতা পৃথিৱীত
নিস্তব্ধ ৰাজন্য আদেশ বিপ্লৱৰ শ্ল'গান
নিস্তব্ধ ৰাজপথ আকাশমাৰ্গ
জীৱাশ্মত উদ্ধাৰ মানুহ প্ৰজাতিৰ এই ইতিহাস।'

কৰ'নাৰ ভয়াবহতাত ৰুমিমা দাসৰ মন আশঙ্কাত উদ্বিগ্ন হৈ পৰিছে।

অতি সহজ সৰলভাৱে লিখা ফাইজুৰ ৰহমানৰ দুটা কৰ'না বিষয়ক কবিতা আছে। এটা কবিতাত তেওঁ কৰ'না ভাইৰাছৰ সংহাৰৰ কথা ব্যক্ত কৰিছে ঃ

হৃদয় বিদাৰি যোৱা বৰ্ণনা

'শত শত মানৱৰ
শাৰী শাৰী কবৰৰ
নিষ্প্ৰাণ দেহাৰ পৰা
ভাহি অহা আত্মাৰ
কৰুণ বিননি'

আনটো কবিতাত তেওঁ সপোন দেখিছে - 'আকৌ বহাগ আহিব' বুলি। দুৰ্যোগৰ দিনবোৰ আঁতৰি গৈ ভাল দিন অহাৰ আশাই কবিতাটোৰ মূল কথা।

নৱকান্ত বৰুৱাৰ 'খিৰিকি কাষৰ কবি' কবিতাটিৰ পৰা প্ৰেৰণা লৈ লিখা মদন চন্দ্ৰ ডেকাৰ 'চল্লিশ দিনীয়া যাত্ৰা' কবিতাটোত তলাবন্ধৰ সময়ছোৱাৰ এখন সুন্দৰ ছবি ফুটি উঠিছে। তলাবন্ধৰ দিনবোৰ এসময়ত অতীত হৈ যাব, কিন্তু কবিতাটোৰ মাজত জীৱন্ত হৈ ৰ'ব সমকালিন ঘটনাৰ ছবি। তলাবন্ধই পৃথিৱী পৰিচ্ছন্ন কৰিলে, কিন্তু হ'লনে বাৰু

'ভৰলুৰ পূতি গন্ধময় পানী পৰিষ্কাৰ
নিদিয়ে কোনেও খবৰ
নিৰ্মল হ'লনে বাহিনীৰ পানী
সন্ধ্যা ললিতা কান্তাৰ ত্ৰিধাৰা।'

তলাবন্ধৰ সময়ৰ মানুহৰ ভীত, সন্ত্ৰস্ত মানসিকতাৰ ছবিয়েও কবিতাটিত স্থান লাভ কৰিছে।

অগস্ত্য বৰুৱাৰ 'শিলৰ চোলা' এটি অন্যতম সুন্দৰ কবিতা। তেওঁৰ 'সকলোখিনি থাকি যাব শিলৰ ভিতৰত।' তথাপি অন্য এটা একেজাতীয় কবিতাত তেওঁ আশা কৰিছে

'খৰস্ৰোতা পানীয়ে উটুৱাই নিয়ক
দুঃসময়ৰ দিনপঞ্জী।'

ৰঞ্জনা দত্তৰ 'সপোন বহুদূৰ' এটি চিন্তা উদ্ৰেককাৰী কবিতা। কবিতাটো বুজিবৰ কাৰণে পাঠকৰ মগজুৰ অনুশীলনৰ প্ৰয়োজন। অনুষঙ্গৰ লগত চিনাকি নাথাকিলে কবিতাটোৰ মৰ্মাৰ্থ পাঠকে অনুধাৱন কৰিব নোৱাৰিব। ডাক্তৰ

দেৱদূত সকললৈ উচৰ্গা কৰা তেওঁৰ এটি কবিতা 'দেৱদূত'।

'বগা আৰু নীলা ৰক্ষা কৰচৰ
আঁৰত থকা দেৱদূতজন
মোৰ অৰ্ধচেতন দেহৰ কাষত
ব্যস্ত অহৰ্নিশে।'

শৰৎ বৰকাকতিৰ 'পাৰ হৈ যাব এই দুঃসময়' গভীৰ আশাবাদী কবিতাঃ

'আশাৰে উজলিব
মানুহৰ মৰহা হৃদয়।
পাৰ হৈ যাব এই দুঃসময়...'

একেগৰাকী কবিৰে এইলানি কবিতাৰ আন এটি হ'ল 'সোণাপুৰ বহুদূৰ'। নিৰাশাৰ হাত ধৰি আশাৰ সজাঁল কঠীয়াই জীপ লৈছে কবিতাটোৰ প্ৰতিটো স্তৱকত।

'কাব্য ভাবনা-২' ৰ শেষৰ শিতান 'বাৰমিহলি'। এই শিতানত প্ৰেম-বন্ধুত্ব, কিতাপ, কথা, সোঁৱৰণীমূলক ইত্যাদি ভালেমান কবিতা আছে।

ফাইজুৰ ৰহমানৰ 'কবিতা' এটি প্ৰেমৰ কবিতা। কবিতাৰ প্ৰতি থকা প্ৰেমেই তেওঁক কবি হ'বলৈ অনুপ্ৰেৰণা যোগাইছে। বৰ্তমান যুগৰ কথা কোৱাৰ, লেখাৰ ধৰণ তপোধন দাসৰ 'ৰেস্পন্দ' কবিতা। কবিতাটো পঢ়াৰ পিছত মগজুৰ সৈতে 'কিছু সময় লাগিব 'এডজাষ্ট' হওঁতে -

'কিছু সময় লাগিব তোমাক 'ৰেস্পন্দ' কৰোঁতে'

কঙ্কন শৰ্মাৰ কিতাপ ঃ

'জীৱনৰ অমৃত।'
'লিখাবোৰ নীলা পানী'

'সোৱৰণীমূলক কবিতা 'হীৰুদাৰ সোঁৱৰণত' 'সুগন্ধি পখিলা'ৰ কবি হিৰেণ ভট্টাচাৰ্য্যৰ গৌৰৱগাথা।

অমল শইকীয়াৰ 'কথা' এটি সুন্দৰ কবিতা। হয় এতিয়া কথা ক'লৈই লেঠা বাঢ়ে, কথাত ওজন কমে। আনহাতে

'লুভীয়া কথাবোৰ দেখিলে কলাত্মক কথাবোৰ আঁতৰি যায়।'

ইগ' এটা আচৰিত শব্দ। যি শব্দই সম্পৰ্কত আউল লগায়। 'সময়'

নামৰ কবিতাত মদন চন্দ্ৰ ডেকাই কৈছে ঃ

'হাজাৰ যোজনৰ দূৰত্ব
শতিকাৰ ব্যৱধান
কেৱল মাথোঁ কেৱল
ইগ'ই কুটে আমাৰ বন্ধুত্ব।।'

হৃদয়ত অনুৰণন তোলা চিন্তা উদ্ৰেককাৰী কবিতা অগস্ত্য বৰুৱাৰ 'সীমা'। সকলো কথা-কামৰে সীমা থকা উচিত, কাৰণ -

'আমাক ছাঁ দিবলৈ হাওলি পৰা মানুহবোৰেও
নাজানে সীমাৰেখা
পৰি থাকে উঠিব নোৱৰা হৈ।'

ৰঞ্জনা দত্তৰ 'ৰাৱণ' কবিতাত তেওঁ মন মগজুত সোমাই থকা দানৱীয় চিন্তাবোৰৰ কথা উল্লেখ কৰিছে। সেয়ে যুদ্ধক্লান্ত হৈ কেতিয়াবা তেওঁ -

'গুচি যাওঁ অনাদি কাললৈ
বুদ্ধৰ সপোনৰ দেশলৈ
মনৰ ৰাৱণবোৰে
নিতাল মাৰে।'

ৰত্ন কান্ত শৰ্মাৰ সুলেখা কলমটোৱে মাথোঁ প্ৰেমৰ কবিতা লিখে বাবেই কলমটো আঁতৰাই থলে। কাৰণ 'তেওঁ আৰু প্ৰেমৰ কবিতা নিলিখে।' তেওঁ লিখিব হালোৱাৰ তেজ আৰু ঘামৰ কবিতা। কাৰণ -

'তিনিকুৰি তিনিৰ বয়সত
প্ৰেমৰ ভাবনা সঁচাই ভ্ৰান্ত';

কিন্ত শেষত তেওঁ -

'আকাশলৈ মূৰ তুলি চালোঁ
..... ..... .....
এইবাৰচোন নামি আহিল
প্ৰেমৰ ডবাপিতা বৰষুণ এজাক।'

শৰৎ বৰকাকতিৰ 'মদনৰ কি দোষ' আন এটি প্ৰেমৰ কবিতা ঃ

'মুৰুলীৰ সুৰে সুৰে
নাচিছে যমুনা

ভক্তিময় প্ৰেমত মুখৰ
কবিৰ কল্পনা...।'

'কাব্য ভাবনা-২' ৰ কবিসকল '৭৫ ৰ বেট্‌চৰ প্ৰাক্তন কটনিয়ান। 'এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ' শীৰ্ষক কবিতাটোৱেই 'কাব্য ভাবনা-২' ৰ শেষ কবিতা। কবিতাটোত কবি কস্তুৰী নিভা গগৈয়ে তলাবন্ধ, গৃহবন্দিত্বৰ সময়ত তেওঁলোকে কৰা কামৰ এখন সুন্দৰ ছবি দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁলোক দায়িত্বসম্পন্ন নাগৰিক, কৰ্মব্যস্ত ব্যক্তি। গতিকে তেওঁলোক কেতিয়াবা থিয় হৈছে দুঃস্থ, আৰ্ত মানৱৰ কাষত, কেতিয়াবা সৃজনিমূলক কামকাজত ব্যস্ত। তেওঁলোকৰ মাজৰে বহুকেইগৰাকী ডাক্তৰ বন্ধু ব্যস্ত ৰোগীৰ চিকিৎসাত। কবিতাটি কটনিয়ান সকলৰ দিনলিপি, য'ত কৰ'নাৰ ভয়াবহতা আঁতৰি যোৱাৰ পিছতো মানুহে বিচাৰি পাব পাৰ হৈ যোৱা সময়ৰ প্ৰতিচ্ছবি।

'কাব্য ভাবনা-২' ত বহু কবিতা সন্নিৱিষ্ট হৈছে। সকলোবোৰ কবিতাৰ পৰ্যালোচনা আগবঢ়োৱা সম্ভৱ নহয়। কবিতাবোৰৰ ঐতিহাসিক প্ৰয়োজনীয়তা থকা বাবেই এইবোৰ পাঠকৰ বাবে মূল্যৱান বুলি পৰিগণিত হোৱাৰ দাবী কৰিব পাৰে। সাহিত্যই সমসাময়িক সমাজ জীৱন প্ৰতিফলিত কৰে। 'কাব্য ভাবনা-২' ৰ কবিতাসমূহৰ মাজত প্ৰতিফলিত হৈছে অতীত আৰু বৰ্তমানৰ সময়ৰ কিছুমান খণ্ডচিত্ৰ। কবিতাসমূহৰ ভাষা সহজ সৰল। সাধাৰণ পাঠকেও কবিতাবোৰ পাঠ কৰি আনন্দ লাভ কৰিব বুলি আমাৰ বিশ্বাস। ইয়াত কেইগৰাকীমান প্ৰতিষ্ঠিত কবিৰ বাহিৰে বাকী সকলোৱেই নতুনকৈ কবিতা লিখিবলৈ লৈছে, সেয়ে আমি আলোচনাৰ ভাৰ পাঠকৰ হাতত তুলি দিলোঁ।

শেষত কৈছোঁ - বৰ্তমান অসমীয়া সাহিত্যৰ এগৰাকী বিদগ্ধ সমালোচক, কবি ড° পূৰ্ণ ভট্টাচাৰ্য্য দাদাক অনুৰোধ কৰা মাত্ৰই মোলৈ আগবঢ়োৱা মৰমখিনিয়ে মোক অভিভূত কৰিছে। তেওঁৰ পৰ্বতপ্ৰমাণ কামৰ বোজাৰ মাজতো মোৰ দৰে অভাজনৰ দাবী ৰক্ষা কৰি এটি সুচিন্তিত দীঘল পাতনিৰে গ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰি মোক ঋণী কৰি ৰাখিলে। তেওঁক মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কিতাপখনৰ বাবে কবিতাসমূহ যুগুতাই দি প্ৰকাশৰ পথলৈ আগবঢ়াই দিয়া বন্ধু-বান্ধৱী শৰৎ বৰকাকতি, তপোধন দাস, জোনা মহন্ত,

মদন চন্দ্ৰ ডেকা আৰু পঙ্কজ কুমাৰ নেওগক মোৰ হাৰ্দিক ভালপোৱা জ্ঞাপন কৰিলোঁ। লগতে ’৭৫ চনৰ প্ৰাক্-বিশ্ববিদ্যালয় কটনিয়ান দলে মোক গ্ৰন্থখনৰ সম্পাদনাৰ কাম কৰিবলৈ মনোনীত কৰা বাবে তেওঁলোক আটায়ে মোৰ কৃতজ্ঞতাৰ দাবীদাৰ হৈ ৰ’ল।

যোৱাবেলি ‘কাব্য ভাবনা-১’ প্ৰকাশ পাইছিল ২০১৯ চনৰ জুলাই মাহৰ ৭ তাৰিখে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বাবে এইবাৰ গ্ৰন্থখনে পোহৰ দেখিবলৈ এমাহতকৈ অধিক দিন বাট চাবলগীয়া হয়। এয়া আমাৰ অসহায়তা। আমি আশা কৰিম প্ৰতিবছৰে ‘কাব্য ভাবনা’ সময়মতে প্ৰকাশ পাব, কাৰণ আমি আশাবাদী যে ঃ ‘দুঃসহ সময়ের হবে অবসান’।

‘কাব্য ভাবনা-২’ যাৰ হাতৰ পৰশত প্ৰাণ পাই উঠিল তেওঁলোক হ’ল শ্ৰীগণেশ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰীমান প্ৰতুল ভট্টাচাৰ্য্য আৰু তেওঁৰ কৰ্মীবৃন্দ। তেওঁলোক সকলোকে মোৰ আন্তৰিক মৰম যাচিলোঁ। সম্পাদনা আৰু আৰ্হি কাকত চাই সহায় কৰা বাবে মদন চন্দ্ৰ ডেকাৰ ওচৰত কৃতজ্ঞ হৈ ৰলোঁ।

অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত কৰযোৰে ক্ষমা বিচাৰিছোঁ। ‘কাব্য ভাবনা-২’ য়ে পাঠকৰ সমাদৰ লাভ কৰিলে আমাৰ চেষ্টা সাৰ্থক হ’ব।

‘কাব্য ভাবনা-২’ ৰ সফলতাৰ ভাগ লেখক প্ৰকাশক সকলোৰে। ভুলখিনি আমাৰ জ্ঞানৰ সীমাৱদ্ধতা।

শ্ৰদ্ধাৰে

দিনাঙ্কঃ ২৪ আগষ্ট, ২০২০ (ড° আল্‌পনা সৰকাৰ ডেকা)

# ॥ সূচীপত্ৰ ॥

*জীৱন ঃ জীৱনৰ সাধনা*


- জীৱনৰ গল্প - অগস্ত্য বৰুৱা /৪৩
- আমিষ - অগস্ত্য বৰুৱা /৪৪
- জীৱনৰ পৰিভাষা - বিৰাজ জ্যোতি গোস্বামী /৪৪
- মোক কবি বুলি নক'বা - বিৰাজ জ্যোতি গোস্বামী /৪৫
- জীৱনে ৰিঙিয়াই মাতে - শৰৎ বৰকাকতি /৪৬
- পৃথিৱী ধুনীয়া কৰোঁ আহা - শৰৎ বৰকাকতি /৪৭
- সুখৰ উপলব্ধি - কঙ্কন শৰ্মা /৪৯
- আন্ধাৰ - কঙ্কন শৰ্মা /৫১
- জীৱন প্ৰেম আৰু বিৰহৰ... - ৰত্ন কান্ত শৰ্মা /৫২
- এখনি ৰুমাল - ৰত্ন কান্ত শৰ্মা /৫৩
- একাকীত্ব - ৰঞ্জনা দত্ত /৫৪
- চাহাৰাৰ বৰষুণ - ৰঞ্জনা দত্ত /৫৬
- অকাব্যিক সন্ধান জীৱনৰ - তপোধন দাস /৫৭
- অন্বেষণ - মীনাক্ষি ৰায় ডাকুৱা /৫৮
- শব্দবোৰ যেতিয়া শব্দ নহয় - ৰাতুল বৰুৱা /৫৯
- তিনিটা স্তৱক - ৰাতুল বৰুৱা /৬১
- মনৰ দৰে বতাহ - অমল শইকীয়া /৬২
- এটা সেউজ প্ৰাৰ্থনাৰ দৰে - অমল শইকীয়া /৬৩
- আত্মাৰ যৌৱন - পংকজ কুমাৰ নেওগ /৬৪
- মুনিচুনি বেলি - পঙ্কজ কুমাৰ বৰুৱা /৬৫
- ত্ৰিশঙ্কু - মদন চন্দ্ৰ ডেকা /৬৬
- আকিঞ্চন - মদন চন্দ্ৰ ডেকা /৬৬

## *আস্থা ঃ অনাস্থা*


- অনাস্থা - অমল শইকীয়া /৬৯
- আবেলিৰ সুহুৰি - অমল শইকীয়া /৭০
- কাঁচি জোনৰ পোহৰত - ৰঞ্জনা দত্ত /৭১
- মায়া - ৰঞ্জনা দত্ত /৭২
- আশাৰ সপোন - মীনাক্ষি ৰায় ডাকুৱা /৭৩
- মহাভাৰত - মদন চন্দ্ৰ ডেকা /৭৪
- আৰ্তনাদ - ৰুমিমা দাস /৭৫
- দাপোণ - শৰৎ বৰকাকতি /৭৬


## *আই ঃ পিতা*


- আই মোৰ - জোনা মহন্ত /৭৯
- পিতালৈ মনত পৰে - জোনা মহন্ত /৮০
- আই - দীপালি ডেকা /৮২
- আইলৈ মনত পৰে - শৰৎ বৰকাকতি /৮৪
- মা তুমি আহিবানে... - ৰত্ন কান্ত শৰ্মা /৮৭
- পিতা - কঙ্কন শৰ্মা /৮৯
- মই মা - কৃষ্ণা শৰ্মা /৯১


## *অতীত পীড়া ঃ ঐতিহ্য চেতনা*


- চিঠি এখনকে লিখোঁ - জোনা মহন্ত /৯৫
- নষ্টালজিয়া - জোনা মহন্ত /৯৭
- বাখৰুৱা স্মৃতি - পঙ্কজ কুমাৰ নেওগ /৯৮
- এলবাম - ৰঞ্জনা দত্ত /১০০
- নহ্ কা লিকাই - ৰঞ্জনা দত্ত /১০২
- অচিন - পূৰ্ণেন্দু শৰ্মা /১০৪
- উগুনা - মদন চন্দ্ৰ ডেকা /১০৫
- জাকি মাৰি আহিল ৰ'দ - অমল শইকীয়া /১০৬

- সভ্যতা - পঙ্কজ কুমাৰ বৰুৱা /১০৭
- মুকুতা মণি - ৰত্ন কান্ত শৰ্মা /১০৮
- গুৱাহাটী ঃ মোৰ মৰমৰ গুৱাহাটী - কৃষ্ণা শৰ্মা /১০৯


## *প্ৰেম ঃ প্ৰেমৰ অনুভূতি*


- প্ৰেম - বিৰাজ জ্যোতি গোস্বামী /১১৩
- শব্দবোৰ - বিৰাজ জ্যোতি গোস্বামী /১১৪
- শাশ্বত প্ৰেম - তপোধন দাস /১১৫
- বৃত্ত - শৰৎ বৰকাকতি /১১৬
- কাহিলি কাহিলি পুৱা - শৰৎ বৰকাকতি /১১৭
- মাথোঁ তোমাৰ বাবে - ৰুমিমা দাস /১১৮
- ভাল পোৱাৰ সংজ্ঞা - ৰুমিমা দাস /১১৯
- তুমি মোৰ মৰমৰ নৈ - ৰত্ন কান্ত শৰ্মা /১২০
- হৃদয়ত মাথোঁ তুমি - ৰত্ন কান্ত শৰ্মা /১২১
- গানে প্লাৱন আনে - জোনা মহন্ত /১২২
- প্ৰেমৰ সংজ্ঞা - জোনা মহন্ত /১২৩
- অনুস্মৰণ - ৰঞ্জনা দত্ত /১২৪
- ভঙ্গুৰ - পূৰ্ণেন্দু শৰ্মা /১২৫
- তোমাৰ বুকুৰ সেউজ - মীনাক্ষি ৰায় ডাকুৱা /১২৬


## *ঋতু ঃ প্ৰকৃতি*


- ৰামধেনু - কস্তুৰীনিভা গগৈ /১২৯
- নদীৰ আহ্বান - শৰৎ বৰকাকতি /১৩০
- বাৰিষাৰ গুণ গুণ - শৰৎ বৰকাকতি /১৩২
- নীলা জোনাক - পঙ্কজ কুমাৰ বৰুৱা /১৩৩
- শেৱালি ফুলাৰ বতৰত - অমল শইকীয়া /১৩৫
- আঘোণৰ ৰিং - অমল শইকীয়া /১৩৬
- আমন্ত্ৰণ - ৰঞ্জনা দত্ত /১৩৭
- পৰিভ্ৰমী - ৰঞ্জনা দত্ত /১৩৮

- শাৰদী ৰাণী - কৃষ্ণা শৰ্মা /১৩৯
- লুইত ঃঃ বৰলুইত - বিৰাজ জ্যোতি গোস্বামী /১৪০
- মিঠা ৰাগিনী - ৰত্ন কান্ত শৰ্মা /১৪১
- জোনাক - কঙ্কন শৰ্মা /১৪২
- এটা শীৰ্ণকায় ‘ৰাদী’ - পঙ্কজ কুমাৰ নেওগ /১৪৩


## *ক’ৰ’না ঃ অতিমাৰীৰ গাথা*


- বিধ্বস্ত - অমল শইকীয়া /১৪৯
- আশা - জোনা মহন্ত /১৫০
- শ্মশানৰ দুখ - কঙ্কন শৰ্মা /১৫১
- চিন্তা নকৰিবা - কঙ্কন শৰ্মা /১৫১
- অপেক্ষা - কস্তুৰী নিভা গগৈ /১৫৩
- আকৌ আহিবনে সেই দিন - কস্তুৰী নিভা গগৈ /১৫৪
- মোৰ ছাঁটোৰ সন্ধানত - পংকজ কুমাৰ নেওগ /১৫৬
- নিৰাময়ৰ অপেক্ষাত ঃ তিনিটা স্তৱকৰ আঁত লৈ- পঙ্কজ কুমাৰ নেওগ /১৫৭
- সপোন হ’ব পাৰে জীৱন - তপোধন দাস /১৬০
- জীৱাশ্মত আৱিষ্কাৰ মানুহ প্ৰজাতি - তপোধন দাস /১৬১
- উন্মুক্ত বিচৰণ - ৰুমিমা দাস /১৬৩
- অপেক্ষা পোহৰৰ - ৰুমিমা দাস /১৬৪
- আকৌ বহাগ আহিব - ফাইজুৰ ৰহমান /১৬৫
- ক’ৰনা ভাইৰাছৰ সংহাৰ - ফাইজুৰ ৰহমান /১৬৬
- চল্লিশ দিনীয়া যাত্ৰা - মদন চন্দ্ৰ ডেকা /১৬৮
- শিলৰ চোলা - অগস্ত্য বৰুৱা /১৭৩
- ক’ম বুলি ভাবি থকা কথাবোৰ কোৱাই নহ’ল - অগস্ত্য বৰুৱা /১৭৪
- সপোন বহুদূৰ - ৰঞ্জনা দত্ত /১৭৫
- দেৱদূত - ৰঞ্জনা দত্ত /১৭৭
- পাৰ হৈ যাব এই দুঃসময় - শৰৎ বৰকাকতি /১৭৯
- সোণাপুৰ বহুদূৰ - শৰৎ বৰকাকতি /১৮১

## *স্বপ্ন ঃ স্মৃতি ঃ বিষাদ*


- দুটা স্তৱক - কস্তুৰী নিভা গগৈ /১৮৫
- গুণ গুণ গুণ... - শৰৎ বৰকাকতি /১৮৬
- সপোনবোৰ জীয়াই থাকে - জোনা মহন্ত /১৮৭
- শৈশৱৰ প্ৰেম - জোনা মহন্ত /১৮৮
- প্ৰেমৰ স্তৱক - ঋমিমা দাস /১৯০
- আছে জোনাক আছে নিয়ৰ - ঋমিমা দাস /১৯১
- অপৰাহ্নৰ ৰং - কঙ্কন শৰ্মা /১৯২
- মেঘৰ কোলাত সৌদামিনী তাই মৃণালিনী - ৰত্ন কান্ত শৰ্মা /১৯৪
- পুনশ্চ - মদন চন্দ্ৰ ডেকা /১৯৬


## *বাৰমিহলি*


- কবিতা - ফাইজুৰ ৰহমান /১৯৯
- বন্ধুত্ব - ঋমিমা দাস /২০০
- ৰেস্পন্দ্ - তপোধন দাস /২০১
- সমীকৰণ - তপোধন দাস /২০২
- কিতাপ - কঙ্কন শৰ্মা /২০৩
- হীৰুদাৰ সোঁৱৰণত - কঙ্কন শৰ্মা /২০৫
- কথা - অমল শইকীয়া /২০৬
- সময় - মদন চন্দ্ৰ ডেকা /২০৭
- সীমা - অগস্ত্য বৰুৱা /২০৮
- ৰাৱণ - ৰঞ্জনা দত্ত /২০৯
- কলমটো বৰ মৰমৰ - ৰত্ন কান্ত শৰ্মা /২১০
- প্ৰেমৰ কবিতা নিলিখোঁ - ৰত্ন কান্ত শৰ্মা /২১২
- মদনৰ কি দোষ - শৰৎ বৰকাকতি /২১৪
- এজাক প্ৰাক্তন কটনিয়ান কলৰৱ - কস্তুৰী নিভা গগৈ /২১৫

# জীৱন ঃ জীৱনৰ সাধনা

# জীৱনৰ গল্প

**অগস্ত্য বৰুৱা**

ভালপোৱাৰ কথাবোৰ মুকলি সংলাপ হ'লে
গল্পটোৰ মজা নাথাকে বুলি গল্পকাৰে ভাবে

মাংসৰ জুতি লোৱা বাঘে
ভোকতো বিচাৰি নাযায় নৰমাংস

তাৰ সোৱাদ সি নাজানে
লুণীয়া সোৱাদ পোৱাৰ পাছত
হৈ পৰে নৰখাদক

প্ৰেমৰ পৰিধি ভাঙি, গল্পকাৰে গল্পটো লিখিলে
মাংসৰ ব্যঞ্জনৰ প্ৰতীক সাজি

শহাপহুৰ পৰা মানুহলৈ

বিবিধ ব্যঞ্জন আৰু সেই জুতি
বৈধ অবৈধৰ বাহিৰত


নিচা আৰু আসক্তিত ডুবি

পথলৈ ওলাই গ'ল পৰিধি ভাঙি।।

# আমিষ

**অগস্ত্য বৰুৱা**

জীৱনটো এটা এবষ্ট্ৰেক্ট গল্প নহ'বও পাৰে
গল্পটোহে এবষ্ট্ৰেক্ট হ'ব পাৰে
প্ৰতীক চিত্ৰকল্পেৰে এটা কবিতা হ'ব পাৰে
জীৱনটো কবিতা হোৱা হ'লে...



# জীৱনৰ পৰিভাষা

**বিৰাজ জ্যোতি গোস্বামী**

কেতিয়াবা জীৱনৰ আশা
কেতিয়াবা মনৰ নিৰাশা
কেতিয়াবা আনন্দই জিলমিলায়
কেতিয়াবা বাস্তৱে তিৰবিৰায়
কেতিয়াবা হেৰুৱাই কেতিয়াবা পোৱাৰ আশা
হয়তো এয়াই আমাৰ জীৱনৰ পৰিভাষা।

# মোক কবি বুলি নক'বা

## বিৰাজ জ্যোতি গোস্বামী

হে মোৰ প্ৰিয় বন্ধু
কবি আৰু মই স্বভাৱবৈৰী

কবিয়ে সপোনবোৰ
আখৰৰ শিকলিৰে বান্ধি থয়
মোৰ কিন্তু স্মৃতি হৈয়ে ৰ'ল

এৰি অহা বাকৰিখনলৈ ঘূৰি গৈ
যেতিয়া হাল বাওঁ
স্মৃতিবোৰ শিৰলুত এটা এটাকৈ
প্ৰকট হ'বলৈ ধৰে
যেন একোজনী জানকী
আজন্ম দুখুনী অথচ প্ৰতিবাদহীন যেন একোটা
প্ৰস্তৰখণ্ড
কবিয়ে
কিন্তু বিচাৰি নেপায় সেই প্ৰস্তৰখণ্ড
সেই শিৰলু
সেই জানকীক আৰু বাকৰিখন

# জীৱনে ৰিঙিয়াই মাতে

**শৰৎ বৰকাকতি**

হিয়াৰ হেঁপাহে
ডেউকা মেলিলে
নীলা আকাশলে' বুলি
সোণেৰে সজোৱা
নীৰস সজাটিৰ
বন্ধ দুৱাৰ খুলি...

শুকুলা মেঘত
আবেলিৰ ৰ'দে
মুঠি মুঠি ৰং সিঁচে
শিল্পী মনৰ বিমূৰ্ত আৱেগ
জুই হৈ তাতে নাচে
ছগা হৈ যেন জাহ যাম তাতে
ধূপ হৈ ৰ'ম জ্বলি
উৰি যাওঁ সেই দূৰ নীলিমলৈ
যুগৰ শিকলি খুলি...

মন গ'লে মই চিঞৰি চিঞৰি
পোহৰৰ গান গাম
কাজলী পুৱাতে নিদ্ৰামগন
জগত নিতে জগাম
মোৰ সুৰত সূৰুযমুখী
ফুলিব পাহি মেলি
হেজাৰ হিয়াই গুণগুণাব
নতুন গীতৰ কলি।

# পৃথিৱী ধুনীয়া কৰোঁ আহা

**শৰৎ বৰকাকতি**

পৃথিৱী ধুনীয়া কৰোঁ আহা
সমবেত কণ্ঠত আমাৰ গীতেৰে...

মানুহৰ লালসাৰ
জুয়ে পোৰা সেউজীয়া
তিলে তিলে হেৰোৱা
উশাহ, পানীৰ নিজৰা
বচাওঁ মিলি আহা
আমাৰ হাতেৰে...

দেশে দেশে বিকাশৰ লৰ
ধৰণীৰ বুকু ফালি
গঢ়ি তোলে সম্পদৰ বিশাল পাহাৰ
নামনিত ভোকাতুৰ
মানুহৰে হাহাকাৰ
সুদূৰৰ যোগাযোগ হাতৰ মুঠিতে
হৃদয়ৰ হুমুনিয়া পিছে কোনেও নুশুনে
সভ্যতাৰ সংজ্ঞা
আহা তেনে সলাওঁ আমিয়ে
হিয়াই হিয়াই এনাজৰী গাঁথোঁ
নতুন সুৰেৰে ...

পৃথিৱী ধুনীয়া কৰোঁ আহা
সমবেত কণ্ঠত আমাৰ গীতেৰে...

## কাব্য ভাবনা

জীৱন আমাৰ মহাজীৱনৰ অংশ
ভৱিষ্যৰ প্ৰজন্মলে'
পৰিৱেশ বচোৱাটো
আমাৰে দায়িত্ব
ধুনীয়া পাহাৰ, বন, জুৰি
ফুল, পশু, চৰাই, পখিলা
জোন, বেলি, তৰা
নদী, পথাৰক লৈ
আজিৰ কবিতা
সেয়া যদি নাশ কৰে
আমাৰ স্বাৰ্থৰ মোহে
ধনেৰেতো কাইলৈ
কিনিব নোৱাৰে...

আহা জীৱশ্ৰেষ্ঠ মানুহৰ মান ৰাখোঁ
লোভ এৰোঁ, বিলাওঁ হিয়াৰে
মিলিজুলি জীৱনৰ ধাৰাটি বোৱাওঁ
দায়িত্বৰ ন মনসাৰে...

পৃথিৱী ধুনীয়া কৰোঁ আহা
সমবেত কণ্ঠত আমাৰ গীতেৰে...



# সুখৰ উপলব্ধি

কঙ্কন শৰ্মা

সুখৰ সংজ্ঞা বিচাৰি
ওলালোঁ এদিন ঢলপুৰাতে
হাতত পৰি অঁটোৱা
Conquest of Happiness

ভিন্নজনে কোৱা ধৰণে
ভিন্ন ঠাইত বিচাৰিলোঁ সুখ!

বয়স বঢ়াৰ লগে লগে
যুক্তিবোৰো টুলুঙা লাগে
এসময়ৰ সুখবোৰ
এতিয়া অৰ্থহীন লাগে!

তেতিয়াৰ দুখবোৰ
এতিয়া বিবেচনাত নাহে
নতুন দুখবোৰ
বহুত কঠিন!!
তেনেদৰে সুখৰ সূত্ৰবোৰে
মগজুত নধৰে।

সুখ হ'ল নৈসৰ্গত
ওপঙি থকা অদৃশ্যমান
কিবা!

তাক পাব নোৱাৰি
সান্ত্বনা ল'ব পাৰি পোৱা বুলি।

সুখ নোপোৱা বুলি ক'লে
আনে হাঁহিব!
সেই ভয়তেই
মুখত এমোকোৱা হাঁহিৰে
দুখবোৰ ঢাকি
অভিনয় কৰোঁ
আৰু সুখ প্ৰাপ্তিৰ
দিক দিওঁ।



# আন্ধাৰ

**কঙ্কন শৰ্মা**

আন্ধাৰ হৈ আহিছিল
আৰু জোনাকীৰ চাকি জ্বলিছিল।
পোহৰবোৰ এটা এটা
বিন্দু হৈ
শুভ্ৰ পুষ্পপাহিৰ দৰে
ভাহি ভাহি
দূৰণিত বিলীন হৈছিল।

আন্ধাৰত নিজকে নেদেখি
নেদেখি আন্ধাৰৰ শৰীৰ
কেনেদৰে লুকাই পৰে
পোহৰৰ কাযে কাযে।

মই আন্ধাৰবোৰ
পুখুৰীত নামি যোৱা দেখিছোঁ।
গা ধুই তৰাৰ দেশলৈ
যোৱা দেখিছোঁ।
পোহৰত ছাঁটো হৈ সি
মোৰ লগত সদা থাকে
লগে লগে সন্তৰ্পণে।
আন্ধাৰ হ'লেই
ই মোক আৱৰি ধৰে--
ছাঁটো বিলীন হৈ যায়
খেলিবলৈ যায়
আন্ধাৰৰ সতি-সন্ততিৰ স'তে।।

# জীৱন প্ৰেম আৰু বিৰহৰ...

**ৰত্ন কান্ত শৰ্মা**

জীৱন প্ৰেম আৰু বিৰহৰ সুসজ্জা
কাকনো কওঁ
কোনবা সাৰে আছে এই মাজৰাতি
সাৰে আছেনে বাৰু
কোনোবা মোৰ প্ৰিয় সখী
টোপনি আৰু সপোনৰ স'তে
লুকাভাকু খেলি
কিয়বা উথলি উঠিল হৃদয় নদী
ইন্দ্ৰধনুৰ ৰঙে মচি দিলে
হেঙুলীয়া অঙ্গৰাগ আবেলিৰ বেলিৰ
ৰঙা নীলা দলিচাত
কোমল কোমল খোজ পেলাই
বাখৰুৱা সুবাস বিলাই
পদূলি ধুৱাই আহিল গধূলি
কাৰ বা চাদৰৰ মিঠা বা লাগি
মাৰ গ'ল সন্ধিয়াৰ অভিমান
আৰু উচুপনি
ৰাতিটোহে মোৰ বৰ ভাল লাগে
ৰাতি যে ফুলে তগৰ মালতী
আৰু ভাল লাগে
কিয় জানানে
তৰাবোৰে দিয়ে সপোন সিঁচি
সপোন কুঁৱৰীয়ে জোনাক সানি
গুপুতে গুপুতে ধৰেহি সাবটি।

# এখনি ৰুমাল

**ৰত্ন কান্ত শৰ্মা**

শুই উঠিয়েই দেখিলোঁ
এপাহি শেৱালি
আৰু এখন পুৰণি চিঠি
পিৰালিত বৈ আছে
ৰ'দ বৰষুণ বিচাৰি যোৱা পাৰযুৰিও
উভতি আহি আমন জিমন মন
বৰ অভিমান
ঠেঙত জিলিকিছে
চিকমিক চিনাকি আঙঠি
চকুলৈ জুমি জুমি চালোঁ
দুচকুত বিধ্বস্ত চহৰ
পুৰাৰ মলয়াত ভাহি আহিল
বিৰহৰ তপত নিশ্বাস
সপোন ভঙা এখনি ঘৰ
আৰু উজাগৰী নিশাৰ
অবুজ উচুপনি
তিনিকুৰি বছৰ অতীতৰ ডেউকা মেলোঁতেই
সৰি পৰিল
চকুলোৰে তিতা
এখনি ৰুমাল
এখনি পুৰণি পৃথিৱী
আৰু মৰুদ্যান গৰকা
এখন হৃদয়হীন প্ৰাচীন মৰুভূমি

# একাকীত্ব

**ৰঞ্জনা দত্ত**

চাৰিকুৰি বাৰ বছৰ
অৱসৰৰ ডেৰ কুৰি হ'ল
চকুৰ সিৰাবোৰ হেনো
শুকাই গ'ল।
অন্ধকাৰ দুচকুৰে
নিজ কোঠালিৰ শেতেলিত
মই আৰু মোৰ তাজিঘোঁৰাটো
যি ঘূৰি ফুৰে নিৰৱকাশ।
তেওজবেলি অন্তিম সংস্কাৰ
স্মৃতি ভ্ৰংশিত লুকিৰ মাকৰ
এলজেমাৰৰ হেনো
চিকিৎসাই নাই।
লুকি দেউতাৰক চাবলৈ আহিবিচোন!!
ক্ষন্তেক কাষতে বহিবি
অফিচ, সংসাৰৰ ব্যস্ততা সকলো বুজোঁ
তাৰ মাজতে পাৰ যদি আহিবি
তই মাথোঁ কৈ যাবি
সকলো খবৰ দেশৰ,
ঘৰৰ আপোনৰ
যেনেকৈ কৈছিলি আগতে।
ৰানাক আমনি নকৰোঁ
চৰকাৰী বিষয়া
অফিচে ঘৰে অনেক কাম

# কাব্য ভাবনা

কাষত বহিবলৈ
তাৰ আহৰিয়ে নাই
মোৰো কোনো অনুযোগ নাই।
তাজিঘোঁৰা থমকে
পুৰাবৃতৰ মাজত
দ্ৰোণাচাৰ্যৰ পুত্ৰ আৰু অৰ্জুন
পুত্ৰৰ নাম আলিমুলি লাগে
তই আহিলে সকলো সুধিম।
হবিচিয়া বাৰ দিন
তই নাহিলেও হ'ব দে
তেতিয়াতো সকলো আহিব
মিতিৰ কুটুম, প্ৰতিবেশী
মোৰ গুণ গান গাব
কৰ্মী, দয়ালু, কৰ্মনিষ্ঠ...
কেৱল মইহে নাথাকিম।
বৰ অকলশৰীয়া লাগে
আইজনী বেগতে আহিবিচোন
ক্ষন্তেক কাষতে বহিবি
মোৰ দুয়ো হাত ধৰি।।



# চাহাৰাৰ বৰষুণ

**ৰঞ্জনা দত্ত**

চাহাৰাৰ দৰে উত্তপ্ত
ধৰাৰ বুকুলৈ আজি চেৰাপুঞ্জী নামিছে।
ৰ'দত দেই পুৰি যোৱা কোমল কুঁহিপাত, কলপাত আৰু
কাকিনী তামোলৰ আগ
হৰিষত হালি জালি
মিতিৰালিত মগ্ন।
ঢোলৰ চেৰে চেৰে
পছোৱাৰ স'তে নাচি বাগি
আহি সিঁচি দিছে শীতলতা
এক প্ৰতীক্ষাৰ অন্তত।
মৰিবলৈ ধৰা
কোমল পাতবোৰক
কৈছিলা... অধৈৰ্য নহ'বা
মই দেখোন আহি আছোঁ
তুমি পদধ্বনি শুনা নাইনে?
ওখ তামোল জোপাত বহি
জুৰুলি জুপুৰি কাউৰীটো
আনন্দত পাখি জোকাৰিছে।

তপ্ত মাটিৰ পৰা
ৰোৱনীৰ ঘামৰ গোন্ধ
ওলাই আহে...
জীপাল মাটিত সিঁচা
বীজবোৰ অংকুৰিত হ'ব,
অন্তঃসত্ত্বা পৃথিৱী
পৰিপূৰ্ণ হ'ব অচিৰেই।
চাহাৰাৰ বুকুত যে
চেৰাপুঞ্জী নামিছে!

# অকাব্যিক সন্ধান জীৱনৰ

## তপোধন দাস

শব্দহীনতাত ৰোগগ্ৰস্ত মোৰ শব্দশিল্প
অভ্যন্তৰত নিষ্প্ৰাণ ভাস্কৰ্য
নিষ্ফল কাব্যৰ প্ৰাণান্তিক আহ্বান
পৰিৱৰ্তনশৈলীত অপৰিৱৰ্তিত স্বাৰ্থ
পোছাকত ক্লান্ত সম্ভ্ৰম
মাথোঁ স্বচ্ছ এক আচ্ছাদন
ঢাকি থওঁ উৎকৰ্ষহীন সত্তা

সভ্যতাৰ বিহ্বল অৱসাদ
প্ৰতিৰোধহীন কাব্য প্ৰাপ্যৰ বঞ্চনাত
প্ৰতিবাদহীন স্বৈৰিতাত
ভীত ক্ষমতাৰ ৰঙচুৱা দৃষ্টিত
নিৰ্লিপ্ত শীতল মস্তিষ্কৰ দানৱিক কৰ্ষণত
মন্দিৰত বিশ্বাসৰ অন্ধ ব্যৱসায়
ৰাজপথত আশা আৰু জীৱনৰ ভিৰ
নদীত জীৱন আৰু জীৱিকাৰ সংহাৰ
সকলোতে নিৰাশ্ৰিত মোৰ মৌলিক কবিতা
সংস্কাৰত অসমৰ্থ সৃষ্টিশীলতা
মাথোঁ এক প্ৰযুক্তি মনোৰঞ্জনৰ
তেনে সন্ধান কৰোঁ এক অকাব্যিক জীৱন।

# অন্বেষণ

## মীনাক্ষি ৰায় ডাকুৱা

সকলো ভালপোৱাৰ গভীৰতেই বই যায়
অন্য আৰু এখন দুঃখময় নদী
ভালপোৱা শব্দটোৰ মাজতেই যেন
প্ৰচ্ছন্ন যন্ত্ৰণাবোধৰ আভাস
নোপোৱা বা পাই হেৰুওৱাৰ বেদনাৰ পৰাই
তাত জন্ম হয় কবিতা
সেই কবিতাৰ ওচৰতেই
ঋণী হৈ থাকিব লাগে আজীৱন
সেই কবিতাত মহা আনন্দেৰে উৰি ফুৰে
ঐশ্বৰ্যময় বিষাদ পংক্তিমালা
মনস্ক অনুভৰী কবিৰ নিত্যসঙ্গী কবিতা
চেতনাৰ গভীৰত অন্বেষণ কবিতাৰ
সেই অন্বেষণত থাকে প্ৰাণৰ
আকুতি আৰু সুগভীৰ আবেদন
শৈল্পিক নিয়মেৰে মোহিনীময় শব্দচয়ন
মেধা আৰু মননৰ স'তে
সুতীব্ৰ অনুভূতিৰ মিলিত নিৰ্মিতিত
খুলি যায় হৃদয় দুৱাৰ।

# শব্দবোৰ যেতিয়া শব্দ নহয়

**ৰাতুল বৰুৱা**

শব্দবোৰ
বহুদিন আছিল মোৰ লগত
কিছুমান ফুলৰ
পাহিৰ দৰে কোমল
আনবোৰ তীক্ষ্ণ চুৰিৰ
দৰে,
সুখে দুখে সিহঁত
মোৰ সঙ্গী আছিল।

বৰ্ষা যেতিয়া বৰষুণৰ
টোপালবোৰে মোক
আঘাত কৰিছিল,
সিহঁতে
মূৰৰ ওপৰত
আচ্ছাদন টানি দিছিল।

প্ৰচণ্ড শীতত যেতিয়া
কাতৰ হৈ পৰিছিলোঁ,
সিহঁতৰ উমত
আইৰ পৰশ পাইছিলোঁ।

যৌৱনত কিমান যে
ৰং সানিছিল,
সেইবোৰ আকাশৰ

পৰা খুজি আনিছিল
সিহঁতে।
বহুদিনৰ বিৰতিত
আজি অপৰাহ্নৰ ৰং
আঁকিব খুজিছিলোঁ,
জোলোঙাটো মেলি দেখিলোঁ শব্দবোৰৰ
ৰং হেৰাল।

কিমান মান, অভিমান
সুখ, দুখ; হাঁহি, কান্দোন
সিহঁতে সাঁচি ৰাখিছিল
সযতনে বহুবছৰে,
সেইবোৰ সকলো মলঙিল।

এতিয়া সিহঁতে উচুপি
উঠে নিঃশব্দে,
কেতিয়াবা তীক্ষ্ণ তৰোৱাল হৈ বুকুত
আঘাত হানে,
কেতেকী হৈ বিনায়
মোৰ হৃদয়ত।



# তিনিটা স্তৱক

**ৰাতুল বৰুৱা**

(১)

ঠিক কুঁৱলীৰ আৱৰণ ফালি ওলাই অহা তেজাল
বেলিটোৰ দৰে,
মৰিশালিৰ নিস্তব্ধতা
ভেদি বহু দূৰ পালোঁহি;
এতিয়া ইয়াত দোকমোকালি,
এজাক চৰাইৰ কলৰৱে
মোক জোকাৰি গ'ল,
সূৰ্যোদয়ৰ অপেক্ষাত মই।

(২)

তেওঁৰ প্ৰসাৰিত হাতৰ মুঠিত
কেইটামান গুটিমালি ফুল,
সেয়া মই লৈ যাম
সেউজীয়া দেশলৈ
বসন্ত কালত সিঁচি দিম
ফুল নহলেও, গছ হৈয়েই
থাকিব সিহঁত

(৩)

ৰু ৰুৱাই অহা ধুমুহাত
আছাৰ খাই পৰিলোঁ
মন্দিৰৰ দুৱাৰদলিত,
দেৱতাৰ সুদৃষ্টি হেনো সেয়া,
পূজাৰীয়ে ক'লে।
হাজাৰ বছৰীয়া
পুতিগন্ধ বোকাত
হাত খেপিয়াই বিচাৰিছোঁ
মন্দিৰলৈ বাট কেনি।

# মনৰ দৰে বতাহ

**অমল শইকীয়া**

বৰ আলসুৱা
বৰ কোমল
মন
বতাহ
মনৰ দৰে বতাহৰ গতি

কিমান উচ্চতালৈকে হাত মেলিলে ঢুকি পোৱা যায় আকাশ
কিমান ওজনৰ হাত ৰাখিলে
গম পোৱা যায় হেঁপাহ
কিমান গভীৰলৈকে গতি কৰিলে উমান পোৱা যায় মনৰ
মনবোৰ বতাহৰ দৰে
চুব নোৱাৰি
গোন্ধ ল'ব নোৱাৰি
চকু মেলিলে চাবও নোৱাৰি।

সাবটি ল'বও নোৱাৰি হেঁপাহেৰে মন আৰু বতাহক

মনবোৰ গভীৰ অৰণ্যৰ দৰে
বৰ জয়াল
যিদৰে ধুমুহা বতাহৰ
দৰে মন

# এটা সেউজ প্ৰাৰ্থনাৰ দৰে

**অমল শইকীয়া**

এজনী পখিলাৰ দৰে তাই উৰি ফুৰোঁতে কোমল সময়বোৰ
সুগন্ধিময় হৈ পৰিছিল

পিঠিত কঢ়িয়াই আনিছিল জালিকটা সুখ।

বৰ্ণময় ভাষাৰ কথোপকথনত
বিষাদবোৰ নেওচি সুখৰ অগাদেৰাত গা টঙালে এজাক সোণোৱালী ৰ'দ।

কোনো প্ৰশ্ন উত্থাপনৰ অবিহনে উত্তৰৰ অপেক্ষাত বৈ থকা নাছিল সুখৰ সপোন
অথবা ৰ'দৰ থিতাপি।

আপোচহীনতাৰে নিবিড় সময়ক সাবটি
থিয় দি ৰ'ল এজাক বুকুৰ স্পন্দিত উশাহ।

বিনন্দীয়া সুখৰ আপাহতে
প্ৰত্যাগমনৰ প্ৰতিশ্ৰুতিৰে
ৰ'দজাকে
মেলানি মাগিলে

এটা সেউজ প্ৰাৰ্থনাৰ দৰে॥

# আত্মাৰ যৌৱন

## পংকজ কুমাৰ নেওগ

মোৰ সুদৃশ্য মোবাইলটোৱে এদিন
এটা শুধ বগা চামৰাৰ চোলা পিন্ধিছিল;
হৃদয়ৰ সমস্ত বিশ্বাস চামৰাৰ বৰ্মটোত
অকাতৰে সঁপিছিলোঁ মই।
এতিয়া সেই চোলাটো
বিবৰ্ণ, মদৰুৱা;
ছিৰা-ছিৰ হৈ পৰা,
অ'ৰ-ত'ৰ খলা-বমা,
আৰু চেকাবোৰে যেন
সোঁৱৰায় সময়ৰ ক্ৰুৰ অভিসাৰ
আলফুল নিদ্ৰাত আজিও নিমগ্ন মোবাইলটো
সময়ে বখলিয়াই নিয়া
দুৰ্গটোৰ নিৰ্ভয় ছায়াত
মোৰ দুৰ্বাৰ ইচ্ছাশক্তিৰ
এনে এটা অভেদ্য দুৰ্গৰ মাজত,
আত্মাৰ অনন্ত যৌৱন
সাজি-কাচি হৈ ৰওক চিৰবন্দী,
কালৰ বিধ্বংসী আঁচোৰে যদিওবা
পলে পলে কৰিবহি মোৰ কায়িক ৰক্তক্ষৰণ;
মোৰ মগজুৰ হাজাৰ
সূৰ্যৰ প্ৰোজ্জ্বল স্বপ্ন আৰু
হৃদয়ৰ পৰিধিহীন বাসনাবোৰ
সেয়ে হৈ ৰওক
মোৰ আত্মাৰ অনন্ত সুধা সঞ্জীৱনী

# মুনিচুনি বেলি

**পঙ্কজ কুমাৰ বৰুৱা**

সি আহিল
পুৱাৰ সূৰুযৰ সুবাস সানি
তজবজীয়া ঘোঁৰা চেকুৰাই;
পশ্চিমত এতিয়া হেঙুলি বেলি
নিশা হ'বলৈ বেছিপৰ নাই।
মোৰ যোৱাৰ সময় হ'ল
জীৱনৰ ৰং খিনি
থৈ গ'লোঁ তালৈ;
আকাশত সাতোৰঙী
ৰামধেনু আঁকিবলৈ।।



## ত্ৰিশঙ্কু

**মদন চন্দ্ৰ ডেকা**

আলি দোমোজাত আমি
পূবৰ নে পশ্চিমৰ পথ ধৰি আগুৱাওঁ!

হাতনি পেৰা তেনেই পুৰণি
লকাৰো নিৰাপদ নহয়

ই-বুকত জ্ঞান ভাণ্ডাৰ
বিশ্বভাৰতীৰ ৰমণীয় কিতাপৰ গোন্ধ

আমিষ-নিৰামিষৰ জটিল সূত্ৰত
বন্দী আমাৰ সত্তা।

## আকিঞ্চন

**মদন চন্দ্ৰ ডেকা**

ডাঙৰীয়াক বাটতে লগ পালোঁ

'ভাল নে ছাৰ'
'হুম্... ওঁ'

কোবাকুবিকৈ ডাঙৰীয়া গুচি গ'ল

কাৰ স'তে বিনিময় কৰোঁ
কুশল-মঙ্গল বতৰা!

# আস্থা ঃ অনাস্থা

# অনাস্থা

**অমল শইকীয়া**

আস্থাৰ বিপৰীতে অনাস্থা
দুমুখীয়াৰ দৰে দুখন মুখ
এখন ক'লা ছাইৰঙী
অন্যখন মানুহৰঙী।
বিশ্বাসবোৰত ভেঁকুৰ লাগিল
বিশ্বাসৰ পিঠিত অবিশ্বাস জিলিকিল
স্বাৰ্থৰ কাৰণে কিমান গভীৰতালৈকে
বুৰ মাৰিব পাৰে পানীত।
কিমান মূল্যত বিক্ৰী কৰিব পাৰে নিজৰ সত্তা
মানুহ পানী হৈ যায়
বোৰতী নৈ স্থবিৰ হৈ পৰে
এই মৰে
এই জীয়ে
পুনৰ নিজক নিজে মাৰে
সিহঁতৰ কথাবোৰ মূল্যহীন হৈ পৰে
ভীতিগ্ৰস্ত হৈ সাহস বৰ্জন কৰি পনীয়া মানুহলৈ ৰূপান্তৰিত হয়
সিহঁতি গান গোৱাৰ দৰে কথাবোৰ ক'বলৈ আপ্ৰাণ চেষ্টা কৰে কলুষতাৰে
কথাবোৰত বিষ নিগৰে সিহঁতৰ অগোচৰে

সিহঁত পৰ্যবসিত হয় অনুক্ৰমে মানুহৰ পৰা অমানুহলৈ
বিশ্বাসৰ পৰা অবিশ্বাসলৈ
আস্থাৰ পৰা অনাস্থালৈ

সিহঁত দুমুখীয়া মানুহ।

# আবেলিৰ সুহুৰি

**অমল শইকীয়া**

আবেলি এটা সোধপোছ নোহোৱাকৈ গুচি আহিছে
মুখত তাৰ এটা
নেজ লগা সুহুৰি
সুহুৰিৰ সুৰত পথৰুৱা গৰুৰ জাকটোৱে ধূলিৰ সৈতে দৌৰিবলৈ ল'লে

আবেলিটো কিন্তু আমন জিমনকৈ থমকি নৰ'ল
তাৰ খোজৰ ছন্দত অলপ আন্ধাৰৰ গুৰি ছটিয়াই দিলে সমগ্ৰ পথ পখৰা হ'ল

তিৰিজনীৰ মুখত অলপ ভাগৰে জিৰণি ল'লে
পোনাকণৰ চকুৰ পতাত টোপনি এটা জুপুকা মাৰি বহিল।
সি বাৰে বাৰে বৰশী টুপাবলৈ ল'লে।

আৰু মই
মই আবেলিৰ সুহুৰিটো থপিয়াই ধৰিবলৈ যাওঁতেই
আন্ধাৰে ধমকি দি ক'লে
সকলোকে নিজৰ নিজৰ কাম কৰিবলৈ দিয়া।
কাৰণ নিজস্বতাৰ সংজ্ঞা নিজস্বতা।

# কাঁচি জোনৰ পোহৰত

**ৰঞ্জনা দত্ত**

কাঁচিলেখীয়া জোনবাইটো
বাঢ়ি বাঢ়ি চকলীয়া হৈ
ঘূৰণীয়া কাঁহীখনৰ দৰে হ'ল।
আগচোতালৰ যুৰীয়া পুখুৰীত
কাঁহীলেখীয়া জোনবাইটোৰে
জোনাকীবোৰৰ স'তে উমলি জামলি
গা ধুই থকা পৰতে
মই শীতৰ সৰাপাত গচকি
কিবা এক সন্মোহনৰ মাজেৰে
সিহঁতৰ পিছে পিছে গুচি গ'লোঁ
কাঁহী জোনেও পোহৰাব নোৱৰা
গভীৰ অৰণ্যলৈ।।
বাঁহীৰ স'তে খেলি ভাল পোৱা আঙুলিবোৰে
ধাতব নলীৰ স'তে খেলা
আজি বহুত দিনেই হ'ল।
অজ্ঞাতবাসৰ বা কিমান দিন হ'ল?
হিচাপ লওঁ সতীৰ্থৰ ৰূপোৱালী চুলিত বা
মুখাৱয়বৰ আঁচোৰৰ মাজত।
আজিকালি মনটোৱেও মোক
জোকাই থাকে।
সুৰুঙা পালেই মোক লৈ যায়
সোণোৱালী শৈশৱলৈ,
মোৰ জোনাকী গাঁওখনলৈ।

তীখা, বাৰুদ, জুই, ধোঁৱা,
জোনাকবিহীন ৰাতি
মোক আৰু নেলাগে।
সময় হৈছে আৰু।
কাঁচি জোনৰ পোহৰতেই উভতিব লাগিব।
তেহে, ঘৰৰ যোৰ পুখুৰীত
জোনাকীবোৰে কাঁহী জোনৰ স'তে ওমলা চাবগৈ পাৰিম।।

# মায়া

**ৰঞ্জনা দত্ত**

শুকাই ৰঙা পৰি অহা পাতবোৰৰ মাজত
দুথোপা ৰঙিয়াল ফুল
মৰহিবলৈ ধৰা তগৰ জোপাত
কুঁহিপাতে আনিছে
নতুন আশাৰ বতৰা

কিচিৰ মিচিৰ কৰি
ঘনচিৰিকাৰ জাকটো
বহুদিনৰ মূৰত আজি আকৌ
চোতালত পৰিছেহি
চেনেহীয়ে ছটিয়াই দিয়া
গজালি ওলোৱা
ধানমুঠি খাবলৈ
চুচুক চামাককৈ
শালিকা দুটিও কাষ চাপিচেহি

নতুনকৈ উৰিবলৈ শিকা
পাৰ পোৱালি তিনিটাও
মাকৰ লগে লগে
চোতালৰ চুক পালেহি
বৰ ভয় সিহঁতৰ
ঘৰৰ চালৰ তলতে থকা
পাৰবাহটো বানপানীয়ে
নুচুলে বুলিহে
চেনেহীৰ মৰম লাগি গ'ল
নিজলৈ থোৱা
পঁইতা ভাত দুটামান
চোতালত সিঁচি দিলেহি।

# আশাৰ সপোন

## মীনাক্ষি ৰায় ডাকুৱা

আশাবোৰে খলকনি তোলে হৃদয়ত
মাজৰাতি আশাৰ অলেখ সপোন
বুকুত লৈ উজাগৰে থাকোঁ মই
জীৱনৰ মেলা খিৰিকীৰে সোমাই অহা
সূৰ্যোদয়ৰ প্ৰথম কিৰণত সৃষ্টি হয়
এক নতুন বিশ্বাস আৰু আস্থা
তাৰেই অমোঘ শক্তিৰ আলিঙ্গনত
সঁজাল ধৰে নিষ্পাপ সপোনবোৰে।

# মহাভাৰত

**মদন চন্দ্ৰ ডেকা**

শাকতোলা নদীয়েদি বৈ আহিছে
কলীয়া পানী
পাছে তাতে কিনো হ'ল
সাউদৰ নাও সেই নদীয়েদি
কতবাৰ উজান ভাটী!

মৌৰে বাহ লোৱা বুলি
ঔ গছৰ হে বদনাম
পিছ দুৱাৰেদি কিমান সোমাল
কিমানক আতৌ পিতৌ কৰিলে
কোনে তাৰ ৰাখিছে উমান!



# আৰ্তনাদ

**ৰুমিমা দাস**

বাষ্পপিণ্ড হৈ জ্বলে
নিঃসঙ্গ অন্তৰৰ বেদনাবোৰ
বিষ্ফোৰিত হৈ ছিটিকি পৰে
বহু দূৰ দূৰলৈ...
একোটা বাষ্পপিণ্ড হৈ পৰে
একো একুৰা জুই
দেহত নিহিত হৈ থকা
বিষাক্ত কীটবোৰে
কুটি কুটি নিঃশেষ কৰে কলিজা
বিষাক্ত বেদনাৰ দেহটিৰে
অতিক্ৰম কৰিছোঁ দিন-ৰাতি
বেদনাবোৰকে পোৱালি কৰি
কেঁকোৰাৰ দৰে
মৃত্যুলৈ ঠেলিছোঁ জীৱটো
কোনোবাই জানো বুজিব????
অট্টহাস্যৰে মাথোঁ হাঁহিব
কাৰ বাবে???
এয়া ভয়াবহ পৰিণতি
চাৰিওফালে...
মাথোঁ শুনো চিৎকাৰ, আৰ্তনাদ।।

# দাপোণ

## শৰৎ বৰকাকতি

দাপোণখন  নোচোৱালৈ
মই মোৰ আদৰ্শ ব্যক্তি
দাপোণখন চালেই
সিপাৰৰ পৰা সি সিয়ঁৰি দিয়ে
এখন দীঘল তালিকা দেখুৱাই
সি পঢ়ি যায়...
কেতিয়াবা দেউতাৰ মাতত
নহ’লে মাৰ বা কাৰোবাৰ মাত নকল কৰি
নহ’লে মই পঢ়া পুৰণি গ্ৰন্থৰ উদ্ধৃতি দি
উপদেশবোৰ সোঁৱৰায়
আঃ কি বিড়ম্বনা, কিযে বিৰক্তি !
মোৰ টাইডাল সি আজোৰ মাৰি আনে
যোৱাবেলি কনফাৰেঞ্চত চিলোৱা
দামী কোটটো খুলি দলিয়াই দিয়ে
ফালি চিৰাচিৰ  কৰে
মোৰ সমস্ত কাপোৰ কানি...
কোনোবাই সেই অৱস্থাত
আহি দেখে বুলি
মই প্ৰমাদ গণো...
‘ত্ৰাহি মম’ বুলি
গায়ত্ৰী মন্ত্ৰ জপোঁ
সি আকৌ হাঁহে
এইবাৰ অট্টহাঁহি
গায়ত্ৰী মন্ত্ৰৰ প্ৰতিশাৰী বাক্যৰ
নিহিত অৰ্থ সুধি সি মোক বিব্ৰত কৰে
কি কৰোঁ কলৈ পলাওঁ
খেদি ফুৰে মোক দাপোণখনে...

# আই ঃ পিতা

# আই মোৰ

## জোনা মহন্ত

মা,
তোমাৰ চকুৰে বৈ আহিছিল
দুধাৰি চকুলো
যিদিনা মোক প্ৰথম তোমাৰ
বুকুৰ অমৃত পান কৰাইছিলা
সেই অশ্ৰু আছিল মাতৃত্বৰ গৌৰৱ।
তোমাৰ হাতৰ কোমল পৰশত
গৈছিলোঁ টোপনি
তোমাৰ উমাল বুকুৰ মাজত।
কৰিছিলোঁ আমনি তোমাক
টোপনিৰ পৰা জগাই
তোমাৰ চুলি ধৰি, মুখত আঁচুৰি
সহিছিলা সকলো হাঁহি হাঁহি।
প্ৰথম খোজত তুমি
লৈছিলা সাবটি আত্মহাৰা হৈ
মোৰ চকুপানীয়ে তোমাক কন্দুৱায়
মোৰ হাঁহিয়ে তোমাক হঁহুৱায়
ঘৰৰ পৰা ওলাই যাওঁতে
উভতি নহালৈকে তোমাৰ উচপিচনি
কোৱাতো নাছিলা কেতিয়াও তুমি
পলে পলে উপলব্ধি কৰিছোঁ আজি
তোমাৰ ত্যাগ আৰু সহনশীলতা
শত সহস্ৰ প্ৰণাম তোমালৈ
য'তেই আছা থাকা তুমি কুশলে
নোৱাৰোঁ শুজিব কেতিয়াও
তোমাৰ ঋণ।

# পিতালৈ মনত পৰে

জোনা মহন্ত

পিতা, আজি হেনো Father's day
নাপাওঁ বুজি এইবোৰ,
কিন্তু তোমাৰ অভাৱে বৰ কষ্ট দিয়ে।
তুমি নাই,
আছে মাথোঁ বহু মিঠা অনুভৱ।

সেই যে তুমি মাতিছিলা মোক
'মাই' বুলি,
ক'ৰবাৰ পৰা আহিলেও
তুমি যে কৈছিলা
'আহিলি মাই',
আজি যে তুমি নাই 'মাই' বুলি মাতিবলৈ;
আছে কিন্তু তাৰ কম্পন এতিয়াও
দুখৰ মুহূৰ্তত আজিও আহি যেন
কোৱা তুমি, 'নপৰিবি ভাঙি মাই
দিছিলোঁ তোক শিক্ষা,
সততাৰে মুখামুখি কৰিবি সকলোবোৰ,
অন্যায় নকৰিবি আনৰ,
সাধ্য অনুযায়ী কৰিবি সহায়।'


আজিও মনত পৰে
বিয়াৰ সময়ত, তুমি যে মোক কৈছিলা
মোৰ পছন্দৰ সকলোবোৰ দিবলৈ...

## কাব্য ভাবনা

নৰীয়া গাৰেই প্ৰতিটো খবৰ ৰাখিছিলা
অনুভৱ কৰোঁ আজিও,
বৰ মৰমৰ আছিলোঁ তোমাৰ।
সেইবাবেই হয়তো আঁতৰাই ৰাখিলা
তোমাৰ অন্তিম সময়ত,
নিদিলা সুযোগ
তোমাৰ শেষ যাত্ৰাত ভাগ ল'বলৈ।

আজিও চেষ্টা কৰোঁ
তোমাৰ উপদেশ মানি চলিবলৈ,
কৰা যেন আশীৰ্বাদ তুমি
আঁতৰৰ পৰাই,
তুমি দিয়া শিক্ষাৰ মান
পাৰোঁ যেন ৰাখিব সদায়।

আছে জানো তোমাৰ বাবে
পিতৃ দিৱসৰ প্ৰয়োজন,
তুমিতো চিৰদিন আছা
প্ৰতি ক্ষণতেই মোৰ মাজত
এজন আদৰ্শ ব্যক্তি হৈ...




# আই

## দীপালি ডেকা

আই অ’, ক্ষমিবি মোক
তোৰ কণমানি গৰ্ভত
মোক আশ্ৰয় দিলি
ন মাহ ন দিন মোৰ
ভাৰ বহন কৰিলি
কিন্তু,
আজি মই বৰ দুখীয়া অ’
চাচোন আই,
মোৰ এই বৃহৎ ঘৰটোত
তোৰ বাবে অকণো ঠাই নাই
আই অ’,
মোৰ জন্মৰ পিছত তই
নাৰীত্বৰ স্বীকৃতি পাইছিলি
পুত্ৰ সন্তানৰ মাতৃত্বৰে
তোৰ চাগে’ অহঙ্কাৰো হৈছিল
সেইদিনা বাৰু তই ভাবিছিলিনে
তই যে এদিন পদপথত ঠাই পাবি
জান আই,
সেইদিনা মই তোলৈ উভতি
চাব পৰা নাছিলোঁ
তোৰ সোঁতোৰা মুখৰ
কোটোৰা চকুলৈ চাবলৈ
মোৰ সাহস হোৱা নাছিল

## কাব্য ভাবনা

আই অ’ ক্ষমিবি মোক
তই বহুত সপোন দেখিছিলি
মোক ডাঙৰ মানুহ কৰাৰ সপোন
বৰ ডাঙৰ মানুহ হ’লোঁ অ’ আই
বান্ধিব নোৱৰাকৈ ডাঙৰ হ’লোঁ
আই অ’,
মই আজি একেবাৰে নিঃস্ব
সংসাৰৰ চাকনৈয়াত ডুবা
এজন ভাগৰুৱা নাৱৰীয়া
আভিজাত্যৰ মহাসমৰৰ
মই এজন পৰাজিত সৈনিক
আই অ’ ক্ষমিবি মোক।



# আইলৈ মনত পৰে

**শৰৎ বৰকাকতি**

(১)
'সন্ধ্যা যেতিয়া নামে
আইলৈ মনত পৰে' বুলি
যেতিয়া লিখিছিলোঁ
তেতিয়া জানো জানিছিলোঁ যে
তুমি কাষত নেথাকোঁতে
আৰু একেবাৰে নোহোৱা হওঁতে হোৱা
শূন্যতাৰ অনুভৱ ইমান পৃথক...

(২)
নেমু দিয়া দাইলত দুটুকুৰা মাছ
আৰু বনশাকৰ ভাজি
অহাৰ আগনিশা
তুমি যে
কাঁহৰ কাঁহীত দিছিলা সাজি
সেয়া আছিল তোমাৰ
হিয়াৰ আদৰৰ আঁচুফুলৰ চানেকি
তুমি সঁচাকৈয়ে নোহোৱা হওঁতে
মা, আজি মনত পৰিছে
এটি হাহাকাৰ ধ্বনি যেন
ব্ৰহ্মাণ্ডত ক'ৰবাত গুমৰি উঠিছে...

(৩)
বয়স তেতিয়া তোমাৰ সত্তৰ উকলিছে
চকুৰ অসুখে প্ৰায়ে আমনি কৰে
তথাপিতো ৰৈ থাকা
দুপৰীয়াৰ ভাত সাঁজ নিজহাতে ৰান্ধি
কামৰ পৰা ‘সোণটি’ আহিব বুলি
‘লাহে লাহে খাচোন’ বুলি সকীয়াই দিওঁতে
তোমাৰ চকুত আছিল তৃপ্তিৰে তিৰবিৰ
এআকাশ তৰালি
যুগৰ পিছত মাকে পুতেকে বহি
একেলগে খোৱা সেই দিনকেইটি
তুমি চাগে’ লৈছিলা
মনৰ আঁচলত আলফুলে বান্ধি
আকউ এৰি থৈ গুচি যাওঁতে সেয়ে
তোমাৰ চকুত সেইবাৰ নাছিল চকুপানী...

(৪)
যিজনী মানুহে এক বৃহৎ
সংসাৰ চম্ভালি
চাৰিটি সন্তানক
পাখিৰ উমেৰে আছিল আৱৰি
সংসাৰ সমাজক ৰাখিছিল সামৰি
কেনেকৈ বলি হ’ল বিস্মৃতিৰ
নিৰ্বাক, অবুজ চাৱনিতো পিছে
উপচি উঠিছিল কেতিয়াবা
জোনাকৰ স্নিগ্ধ জেউতি
মৰুভূমিত দিকহাৰা মনে
মুহূৰ্ত্তৰ বাবে পাইছিল চাগে’
অতীতৰ মৰূদ্যান হঠাতে বিচাৰি...

(৫)
আজি এছাটি বতাহ্‌ বলে
জিৰজিৰ বৰষুণ পৰে...
গৰজি উঠা আকাশ দেখি
আগতে মনত পৰা
আপোন দেশ আজি কাষতে আছে
কিন্তু তুমি নাই
তোমাক এৰি অহাৰ আগনিশা
কাষতে শুৱাই
চুলিত হাত বুলাবলৈ
তুমি নাই
বহুত দিনৰ পিছত
হঠাতে পাই উথপথপ কৰিবলৈ
তুমি নাই
বিদায়ৰ পৰত
আশিস দিবলৈ
তুমি নাই
নাই যে
নায়েই...



# মা তুমি আহিবানে...

**ৰত্ন কান্ত শৰ্মা**

মা তুমি আহিবানে
আজিও ৰাতি
আহিছিলা মা যোৱা ৰাতি
শেঁতা শিলোৱা দুচকু
পোৱালি হেৰোৱা
সুগৰি পহুৰ কৰুণ চাৱনি
পলক এপলক মাথোঁ
মা বুলি মাতিবই নাপালোঁ
অহা বাটে নীৰৱে গ'লা উভতি

কেতিয়াবা পথাৰ গৰকি
কেতিয়াবা অৰণ্য গচকি
কেতিয়াবা নৈৰ নিজান পাৰে পাৰে
গৈ গৈ অন্তৰ্ধান
প্ৰস্থান মহাপ্ৰস্থান
শেষ হ'ল ৰাতিৰ আহত স্বপ্ন
পৰি ৰ'ল অদৃশ্য পদচিহ্ন
আকাশে বৰষিলে চকুপানী
বতাহত ভাহি আহিল
দুখ আৰু উচুপনি

মাৰ মমতানো কেনে
আঁচলত ধৰি ফেঁকুৰি কেনেনো লাগে

তাক লৈ আজিও নাই ব্যাকুলতা
নাই কোনো অভিমান
উমলিব নজনা বয়সতে
কোনোবা এদিন শাওণৰ ৰাতি
কোৱাহে শুনিছোঁ
শুকুলা ৰথত উঠি
তৰাৰ দেশলৈ বুলি
মা হেনো গ'লগৈ গুচি
মা আহিছিল কালি ৰাতি
আহিবানে মা আজিও তুমি!



# পিতা

**কঙ্কন শৰ্মা**

এবাৰ স্মৰণ কৰিব খুজিছোঁ তোমাক
তুমি ছঁয়াময়া ছবি হৈ গ'লা
ধূসৰ
কেতিয়াবা যেন সপোনত একেলগে আছোঁ
তোমাৰ ঘৰ্মাক্ত মুখ আৰু শীৰ্ণ হাতেৰে পঠিওৱা
মণি অৰ্ডাৰ
মই বৰ সযতনে খৰচ কৰিলোঁ পিতা!

কেতিয়াবা সপোনত তুমি মোক কান্ধত তুলিছা
কেতিয়াবা শাসন কৰিছা
ভয়ে মৰমে মিশ্ৰিত তোমাৰ আকাশ হেন আশ্ৰয়
মই কেতিয়াবাই হেৰুৱালোঁ
ঠেকি ঠেকি শিকিলোঁ বহুত
আয়ে দিয়া মৰমে মোক পাহৰালে দুখ


তোমাৰ নৰিয়াৰ ছবি ৰিণি ৰিণি মনত পৰে
পাহৰণিয়ে মচি নিব যেন সকলো
তথাপি মনত আছে
জ্বলন্ত আঙঠাত পানী ছটিয়াই
সংগ্ৰহ কৰিছিলোঁ অস্থি!
আহুতি দিছিলোঁ বহু ঠাইত
গয়া গচ্ছ গঙ্গা গচ্ছ...

কাব্য ভাবনা

তোমাৰ আঙুলিত ধৰি বাট বুলা সেই ল'ৰাজন
পিতা
এতিয়া বুঢ়া হ'ল
মোৰ  আৰ্জনৰ কিঞ্চিত ভাগো তোমাক
দিব  নোৱাৰিলোঁ

আশা কৰিছিলা ডাঙৰ মানুহ হ'ম
হ'লোঁ মই সঁচাকৈ ডাঙৰ মানুহ
অন্তৰে অন্তৰে অনুভৱ বুজা ডাঙৰ মানুহ!

তথাপি স্মৃতিয়ে আমনি কৰে
মোৰ স্মৃতিলৈ তুমি সদায় আহা
সদায় অনুভৱ কৰোঁ
বেৰত স্থিৰ হৈ চাই আছা সকলো
মোৰ বাবে তুমি এক মহান পিতা!!
পিতা স্বৰ্গ পিতা ধৰ্ম...



# মই মা

## কৃষ্ণা শৰ্মা

মই মা...
এজনী সাধাৰণ মা...
ৰাতিপুৱাৰ পৰা ঘড়ীৰ কাঁটাৰ লগে লগে
দৌৰি ফুৰাই মোৰ কাম।
চাহ, ভাত, টিফিন - সকলোৰে বাবে
সাজু কৰি যাওঁ কৰ্মক্ষেত্ৰলৈ।


নিজৰ বাবে কোনে দিব বাৰু?
যি পাওঁ তাকে খাওঁ
তুমি কি খালা জানো শুনো?

মই বাৰু কি ভাল পাওঁ?
মনতেই নপৰা হ'ল ভাল পোৱাবোৰ;
মই জানো মাথোঁ আনৰ ৰুচিবোৰ;
তাহানি ছোৱালী কালতে মায়ে কৈছিল...
ছোৱালীয়ে হেনো চব খাব লাগে।
কথাই কথাই সকীয়নি...
আতঙ্ক! হয় বিয়া হ'লে সকলো মানিব লাগিব
ময়ো নাজানিলোঁ মাৰ ভাল পোৱাবোৰ।

সৰুতেই আৰম্ভ হ'ল আখৰা জীৱনৰ
মই কেৱল জানো বেলেগৰ ৰুচিবোৰ।

## কাব্য ভাবনা

মই যেন এক স্বয়ংক্ৰিয়
ভাবলেশ অনুভূতিহীন এক যন্ত্ৰ।
হয়! মায়ে শিকাইছিল সহনশীল হ'বলৈ
নহ'লে হেনো নৰ'ব সংসাৰ! ভাঙি ছিঙি যাব!
মোক চাবি দিব নালাগে কোনেও ক'বও নালাগে
মোৰ মগজুত যেন পাকঘৰৰ বাদে একোৱেই নাই
দৌৰি দৌৰিয়ে এদিন চিনিয়ৰ চিটিজেন হ'লোঁ।
তথাপি মোৰ এয়াই আনন্দ মই যে মা...



# অতীত পীড়া ঃ ঐতিহ্য চেতনা

# চিঠি এখনকে লিখোঁ

**জোনা মহন্ত**

বহুদিন লগ পোৱা নাই
মনৰ কথাবোৰ খুলি ক'বলৈ
সেয়ে ভাবিলোঁ চিঠি এখনকে লিখোঁ
কিনো লিখিম
সেই একে গতানুগতিক,
এইমাত্ৰ বাতৰিত দেখিলোঁ,
পৰিয়াল দুটাৰ আঠাইকেইজন
বনৰীয়া কাঠফুলা খাই হাস্পাতালত
আমফানে, কৰ'নাই সংহাৰি ৰূপ
ধাৰণ কৰি বহুতক
গৃহহাৰা কৰিলে
কুৰিশ্বু বান্ধৰ পানীয়ে
প্লাৱিত কৰিলে বহু অঞ্চল

কিন্তু মই কি ভাবিছোঁ জানা
সপোন সপোন লগা
এৰি অহা দিনবোৰৰ কথা
সৰুতে আইতাই কোৱা
ৰাজকুমাৰ আৰু ৰাজকুমাৰী
ধুনীয়া ৰাজপ্ৰাসাদটোৰ কথা

আৰু কি ভাবিছোঁ জানা
দিহিং পাটকাইৰ বন্য প্ৰাণীবোৰৰ কথা
সিহঁতেও দেখোন আমাৰ নিচিনাকৈ

## কাব্য ভাবনা

জীয়াই থাকিবলৈ সংগ্ৰাম কৰিব লাগিব
নহয় নে?
সিহঁতৰ যে আপোন ঘৰখনকেই
আমি কাঢ়ি ল'ব বিচাৰিছোঁ

আৰু কিছুদিন পিছত চাগে'
আমি কৰ'নাৰ সৈতে সহবাস
কৰিবলৈ নিজকে প্ৰস্তুত কৰিব লাগিব
পাৰিম নে বাৰু?
পাৰিবই লাগিব...
নহয় জানো?

এদিন নিজান নদীৰ পাৰত
একেলগে বহি হেঁপাহ পলুৱাই
মনৰ কথাবোৰ পাতিম দিয়া
হয়তো ৰিব ৰিব মলয়াজাকে
উৰুৱাই নিব মনৰ সকলো দুৰ্ভাৱনা

বহু কথাই লিখিলোঁ
চাগে' আমনি পাইছা
আজিলৈ ইমানতেই এৰিলোঁ
আকৌ লিখিম কেতিয়াবা।



# নষ্টালজিয়া

## জোনা মহন্ত

বৰকৈ মনলৈ আহে, সেই দিনবোৰ
গভীৰ নিশাৰ নিস্তব্ধতাত...
পূৰ্ণিমাৰ জোনৰ পোহৰত,
খিৰিকীৰে অহা মলয়া বতাহ জাকে
সোঁৱৰাই দিয়ে সেই দিনবোৰ।
বহুতো স্মৃতি হেৰাই গ'ল
বহুতো আজিও সজীৱ,
কিছুমান স্মৃতিয়ে কেনেকৈ
জীৱনত ইমান সাঁচ বহুৱায় ?
অনুভৱ কৰোঁ কিমান যে
সুন্দৰ আছিল সেই দিনবোৰ।

মইতো একেই আছোঁ,
সলনি হ'ল মাথোঁ সময়,
সুন্দৰ হৈ উপভোগ কৰিছোঁ, জীৱন।
তেন্তে কিয়... ?
উভতি নাহে আৰু সেই সোণালী দিন,
জানো
তথাপি গভীৰ জোনাক নিশা
মলয়া বতাহৰ কোমল স্পৰ্শত,
অতীত সুঁৱৰি
নষ্টালজিক হওঁ।

অনুভৱ কৰোঁ
হৃদয়ৰ গভীৰ কোণত,
উভতি নাহে যে আৰু সেইদিনবোৰ...।

# বাখৰুৱা স্মৃতি

**পঙ্কজ কুমাৰ নেওগ**

পাইন গছৰ হোঁ-হোঁৱনিত
আশ্চৰ্য্যচকিত হৈ কেঞ্চছ্ ট্ৰেছৰ
"অমৃতালয়"ত বহি এদিন গধূলি
ৰচা এটা কবিতা
সেইয়া হৈ পৰিছিল শৈশৱৰ প্ৰথম কবিতা!
সৰোজিনী নাইডুৰ কবিতাত
নিমজ্জিত হৈ অজানিতে
কৰমণ্ডল উপকূল আৰু
লুইতৰ মাছমৰীয়াৰ জীৱন গাথাৰ সন্ধি বিচাৰি
ৰচিছিলোঁ এটা বাঙ্ময় লেখা
সেই লেখাই "এটি চিত্ৰ" ৰূপে
প্ৰকাশ পাইছিল এখন বাতৰি কাকতত
"এটি চিত্ৰ" আছিল শৈশৱৰ মোৰ প্ৰথম লেখা!
শিলপুখুৰী ডাকঘৰলৈ
খৰকৈ চাইকেল চলাই যোৱা দিনটো
মনত পৰে এতিয়াও
এটা ডাঙৰ পাৰ্ছেল আহিছিল
২২/৫, ঝামাপুকুৰ লেন, কলিকতাৰ পৰা
সত্বৰে পাৰ্ছেল খুলি লৈছিলোঁ
নতুন কিতাপৰ মতলীয়া গোন্ধ আৰু
সেই কালজয়ী অনূদিত উপন্যাসবোৰে
মোৰ দিন-ৰাতি কৰিছিল একাকাৰ
সেইয়া আছিল মোলৈ ডাকত অহা

## কাব্য ভাবনা

জীৱনৰ প্ৰথম অমূল্য উপহাৰ!
শৈশৱ গৰকি অহা অনেক “প্ৰথম”বোৰৰ
চকামকা আৱছায়াবোৰ
এইদৰে কুৰুকি কুৰুকি কেতিয়াবা
নামি আহে হৃদয়ৰ অতল তলিলৈ,
স্মৃতিৰ অম্লান দ্যুতিৰ এটি এটি পোৱালমণিৰে
মাথোঁ এধাৰি মই মালা গাঁথি যাওঁ
উজলাই মণিকোঠা হৃদয়ৰ আকৌ এবাৰ
সেই ৰত্নহাৰেই হ'ব এই জীৱনৰ
নিৰ্লোভ পৰম আশিস আৰু
একান্ত অমিয়া উপহাৰ!!



# এলবাম

ৰঞ্জনা দত্ত

দেউতাৰ ঘৰত থকা
ভঙা আলমাৰিটোৰ
একোণত পৰি থকা
মোৰ পুৰণি এলবামটো
আজি বহুত দিনৰ মূৰত
বিচাৰি পালোঁ।
ধূলিৰ চামনি মচি
আজৰি পৰত
উলিয়াই ল'লোঁ চাওঁ বুলি।
ৰংহীন হৈ পৰা অনেক ফটো
ধৰিব নোৱৰাকৈ বিবৰ্ণ।
প্ৰতিখন ফটো যেন
একোটাহঁত গল্প।
ঘৰুৱা অনুষ্ঠান, স্কুল, কলেজ, পিকনিক ইত্যাদি...
দীঘলীয়া বেণীৰে শাৰী, মেক্সি পিন্ধা ছোৱালীবোৰ
আৰু দীঘল জপৰা চুলিৰে
বেলবটম পেণ্ট পিন্ধা বন্ধুবোৰ
চিনিবই নোৱাৰি চোন।
প্ৰিয় সখাৰ ফটো
“মৰমেৰে বন্ধুলৈ
পাহৰি নাযাবা কিন্তু ০৫/০৪/৭৪”
শ্বিলঙত এৰাৰ পৰত দিয়া।
অতদিনে পাহৰিয়েই আছিলোঁ

## কাব্য ভাবনা

মোৰ শৈশৱ আৰু কৈশোৰৰ
প্ৰিয় সখাৰ কথা।
তাৰ পাছত??
গোটেই দিন পাগুলিলোঁ
স্মৃতিৰ অটল গহ্বৰত থকা
পুৰণি কথাবোৰ...
যেন ইমান দিন পাহৰাৰ
ক্ষতিপূৰণ হে কৰিছোঁ।।



# নহ্ কা লিকাই

**ৰঞ্জনা দত্ত**

চেৰাপুঞ্জী গৈছানে বন্ধু?
দেখিছানে শীতৰ শুকান পুৱা
পাইনৰ পাহাৰৰ
বুকু ফালি ওলোৱা
কোনো হতভাগিনী
খাছী গাভৰুৰ
ৰ'দত চিক্‌মিকাই থকা
দীঘল চুলিটাৰি
শীৰ্ণ জলধাৰাৰ বুকুত?

অপৰূপা কা লিকাই তাই
পতিহীনা ভাগ্যহীনা
কণমানি কন্যাই সম্বল
মাতৃ হৃদয় জুৰ কৰা
থুনুকথানাক মাত
মাকৰ পিয়াহ এৰা
বেছি দিন হোৱাই নাই এথোন
নাৰকীয় হত্যা!!
আপোনৰ বিশ্বাসঘাতকতা
আঃ যন্ত্ৰণা বুকুত
বলিয়া ধুমুহাৰ দৰে
তাই দৌৰিছে পাইনৰ মাজে মাজে দিকভ্ৰান্ত উদ্ভ্ৰান্ত
জপিয়াই পৰিল সুউচ্চ

## কাব্য ভাবনা

জলপ্ৰপাতৰ বুকুত
মৃত্যু ? নহয় জন্ম
এক সুন্দৰ নামৰ
নহ্ কা লিকাই তাই


দেখিছানে বন্ধু বৰষাৰ দিনত
নহ্ কা লিকাই ?
ঘন কুঁৱলীৰ মাজে মাজে
হঠাতে দেখা দি
আকৌ লুকাই পৰা
শুনিছানে বন্ধু
প্ৰচণ্ড গৰ্জন আৰু
দুৰ্বাৰ শক্তিৰে বৈ অহা
জলধাৰাৰ বুকুত কোনো
বুকুফটা কান্দোনৰ শব্দ
দেখিছানে তাইৰ
বাধাবিহীন অশ্ৰুধাৰা
যি বৈ আছে অনন্তকাল ?

তুমি মই আমিবোৰে
শীতৰ কোমল পুৱা
কিম্বা বৰষাৰ কুঁৱলীৰ
আৰেঁ আঁৰে দেখা
সুউচ্চ প্ৰস্তৰ প্ৰান্তৰেদি
অহৰহ বাগৰি থকা
শীৰ্ণ কিম্বা উত্তাল জলস্ৰোতৰ
মাজত শুনিছানে কেতিয়াবা
কোনো অভাগিনী মাতৃৰ
হিয়াভগা বুকুৰ কান্দোন
কা লিকাই তাইৰ নাম
এক কৰুণ কিংবদন্তি।।

# অচিন

## পূৰ্ণেন্দু শৰ্মা

দোভাগ ৰাতি
আজিও ভাহি আহে
অভিমানী
চৰাইটিৰ সেই
চিনাকি মাত।
বৰ আপোন লগা
সুৰেৰে গঁথা
যেন নিলগৰ গাঁৱৰ
অচিন বাটত
সোঁৱৰাই দিয়া
নিশাৰ গভীৰতা।।



# উগুনা

**মদন চন্দ্ৰ ডেকা**

উগুনা নুগুচোৱা বহুদিন হ'ল
এফালে উঁই আনফালে বিহপৰুৱাৰ
তলাতল ঘৰ

আই মোৰ ডিঙি কুটেকুটায়
আই তোক জোঁৰায়ে...

পোনে পোনে মণিকূট
কাম নাই নামঘৰৰ বাকৰিত

তৰপে তৰপে জমা হ'ল উগুনা
আইৰ ৰাজহাড় কোনখিনিত ভাঙিছে
তাৰ উমান লৈছা নে বোলো!



# জাকি মাৰি আহিল ৰ'দ

**অমল শইকীয়া**

সৰা পাতৰ শব্দত
উদং চোতালৰ মানচিত্ৰত
নৈৰ উকা গৰাত
জাকি মাৰি আহিল ৰ'দ
ৰ'দত শুকাল ঘামে ধোৱা বুকু
ৰ'দত সেমেকিল তামৰঙী চকু

কিমান অৱসাদৰ পাছত তিতে
পৃথিৱীৰ বুকু
মাছৰ পিঠিত পোহৰৰ ছটফটনিত
ভেঁটফুল সৰে


ঘামৰ তিতা লুণীয়া শৰীৰত
জঁই পৰে সুখ
এজাক বৰষুণৰ বাবেই দুই প্ৰোজ্জ্বলিত হাতত
কৰুণ মিনতি
মৌন ওঁঠত লুণীয়া ঘামৰ
নিমখীয়া চুম্বন।

# সভ্যতা

**পঙ্কজ কুমাৰ বৰুৱা**

প্ৰকৃতিৰ প্ৰদত্ত বল্কল পিন্ধি মানুহ আগুৱাইছিল
সভ্যতাৰ সোপানেৰে নগ্নতা ঢাকি।
বিজ্ঞানৰ বৃষ্টি বস্ত্ৰৰ সৃষ্টি
সভ্যতাৰ অৱদান
বস্ত্ৰ পৰিধান।
নৈ বৈ যায়
সভ্যতা আগুৱায়
আৰু এতিয়া মানুহ আকৌ
পশ্চাৎমুখী নগ্নতাৰ দিশে ধাৱমান।
নৈ ধৰ্ষিতা হ'ল
প্ৰকৃতিও ধৰ্ষিতা হ'ল।
যন্ত্ৰবৎ মানৱ যন্ত্ৰবৎ মন
দশোদিশে মাথোঁ নগ্নতাৰ নৃত্য
পিতৃয়ে পুত্ৰক পুত্ৰই মাতৃক
স্বামীয়ে পত্নীক পত্নীয়ে স্বামীক
বন্ধুৱে বন্ধুক হত্যা।
আৰু কি বাকী ৰ'ল,
এয়াই জানো নহয় আধুনিক সভ্যতা।
ইয়াতকৈ আদিম যুগে ভাল আছিল...
যন্ত্ৰ নাছিল
মন্ত্ৰ আছিল।
নৈবোৰ আছিল কুমাৰী
পাহাৰবোৰ আছিল প্ৰহৰী

এতিয়া নৈ হ'ল ধৰ্ষিতা
পাহাৰ হ'ল কৰ্ষিতা
আধুনিক মানুহবোৰ
স্বাৰ্থপৰ হ'ল
মনবোৰ সিহঁতৰ নিষ্ঠুৰ হ'ল
নিষ্ঠা সততাৰ লুণ্ঠন হ'ল
ভ্ৰষ্টাচাৰ আৰু এখাপ আগুৱাই গ'ল
মানৱতাৰ হত্যা হ'ল...
দেশ দেশৰ যুদ্ধত
ধৰণী ৰাঙলী হ'ল।।



## মুকুতা মণি

**ৰত্ন কান্ত শৰ্মা**

ক'ৰ পৰা জানো উৰি আহিল
এযোৰ পাৰ
চোতালৰ ধূলিৰে উমলিলে
সিঁচি দিলে তগৰৰ হাঁহি
উৰি গ'ল ৰ'দেৰে খেলিম বুলি
ডেউকা মেলোঁতেই
সৰি পৰিল
দুটি এটি মুকুতা মণি
কাণত বাজি ৰ'ল
শৈশৱৰ সৰল হাঁহি।

# গুৱাহাটী ঃ মোৰ মৰমৰ গুৱাহাটী

**কৃষ্ণা শৰ্মা**

গুৱাহাটী!
মোৰ শৈশৱৰ
সেউজীয়া মনোমোহা গুৱাহাটী!
তুমি কেতিয়া হেৰাই গ'লা
গমকে নেপালোঁ মই!

পছিমত নীলাচল, পূবত কন্বাচল, শৰণীয়া,
দখিণত নৰকাসুৰ, সন্ধ্যাচল, কালাপাহাৰ
পাহাৰৰ সেউজীয়া
তুমি ক'ত লুকুৱালা বাৰু?
তুমি এতিয়া ৰূপহী হৈ গ'লা গুৱাহাটী।
ৰাতি বিজুলীৰ জিলমিলে
তুমি জিলিকি উঠা জোনাকী কাৰেঙৰ দৰে।

মৰমৰ গুৱাহাটী! ৰূপহী গুৱাহাটী!
এতিয়াও কিন্তু তোমাকেই ভাল পাওঁ।

শৈশৱৰ খেলি ফুৰা মুকলি বাকৰি নোহোৱা হ'ল,
তুমি মোৰ আপোন গুৱাহাটী অচিনাকি হ'লা,
চিনাকি ঘৰবোৰো অচিনাকি অট্টালিকা হ'ল!
বৰষুণত কাগজৰ নাও খেলা নলাবোৰো নোহোৱা হ'ল,
ঘোঁৰাগাড়ীৰ পিছে পিছে দৌৰি দৌৰি স্কুলৰ পৰা অহা ঘোঁৰাগাড়ীও
হেৰাই গ'ল!

কাব্য ভাবনা

লুইতৰ পাৰৰ বালিও দেখোন নেদেখা হলোঁ।
তোমাৰ মনোমোহা অতীতৰ ছবিখনি এতিয়াও থৈছোঁ
বৰ সযতনে
আলফুলে পৰিষ্কাৰকৈ।

কিন্তু গুৱাহাটী!
আজিৰ শিশুবোৰক দেখি
হয় বৰ কষ্ট!
কিয় জানানে গুৱাহাটী?
আজি শিশুৰ মুক্ত বিচৰণ
হৈ গ'ল বন্ধ।
সোণালী শৈশৱৰ খেল,
কিনিব লগা হ'ল আবেলিৰে,
কিনিব লগা হ'ল পইচাৰে।
শৈশৱ বন্দী হ'ল ওখ পকী দেৱালে আৱৰা
খেলাৰ বাকৰি বোৰত।
শৈশৱৰ আনন্দ ৰুদ্ধ আজি বন্ধ কোঠাৰ টিউচন ৰূমত।
মই তোমাক দোষাৰোপ কৰা নাই গুৱাহাটী!
এয়া যে সময়ৰ স'তে প্ৰগতিৰ খেলা!
মৰমৰ গুৱাহাটী! ৰূপহী গুৱাহাটী!
এতিয়াও ভাল পাওঁ তোমাক।



# প্ৰেম ঃ প্ৰেমৰ অনুভূতি

# প্ৰেম

## বিৰাজ জ্যোতি গোস্বামী

প্ৰেম জানো কোনো ঋতুৰ ফলশ্ৰুতি?
যেতিয়া কুলিয়ে মাতে
নাহৰৰ গোন্ধে পদূলি ঢৌৱায়
প্ৰেমতো কুৰুকি কুৰুকি তেতিয়াও সোমায়হি
যেতিয়া মেঘৰ মাদল বাজে
আৰু সন্ধিয়াৰ আকাশখনিৰ চকুলোৱে
সৰ্পিল গতিৰে পৃথিৱীক সাবটি ধৰে
প্ৰেমৰ বিজুলী তেতিয়াও চমকে
যেতিয়া কুৱঁলীৰ ওৰণি ফালি নমা
শাৰদীয় শুভ্ৰ জোনাকে
শুভ্ৰ শেৱালিৰ দলিচাত
সপোন ৰহণ সানে
প্ৰেমে তাতো হাইতাল সানে
হিয়াত খেপিয়ালে পাওঁ
প্ৰেমৰ উমান উঁহ
সেয়ে আকৌ সুধিছোঁ
প্ৰেম জানো কোনো ঋতু বা 'অৱস্থা'ৰ ফলশ্ৰুতি?
নে ই আমৃত্যু ফল্গু ধাৰা
প্ৰেমিক হিয়াৰ ফলশ্ৰুতি!

# শব্দবোৰ

বিৰাজ জ্যোতি গোস্বামী

মোৰ নৈঃশব্দৰ অৰণ্য ফালি শব্দবোৰ
হিল-দল ভাঙি বাগৰি
আজি সুৰ হৈ গ'ল
ৰৈ গ'ল মাথোঁ
মোৰ মনৰ অভীষ্ট অভিসাৰ
শব্দবোৰত তুমি
সুৰত তুমি
গানবোৰ তোমাৰেই...



# শাশ্বত প্ৰেম

**তপোধন দাস**

কুলিৰ মাতত শিহৰা যৌৱনে ৰিঙিয়াইছে
হাত বাউলি মাতিছে অভিমানী অতীতে
ঠেহ পাতি তলমুৰা হৈছে লাজুক ফাগুন
ওঁঠত আঙুলি চকুত অভিমানী চাৱনি
বহুদূৰ নহয় অতীত ৰিংটোৰ বাট
ওভতোঁ নেকি ভৰপক হয় মানে ঋতু
কাঁইটৰ ফাঁকেদি ছিঙি আনিম গোলাপ
সুবাস বুলাই মাতিম যাদুৰ মন্ত্ৰ
খোপাত তেওঁৰ মেৰিয়াই দিম কেঁচা তগৰ
হৰিণী নয়নত জুমি চাম প্ৰেম
মই অনিৰুদ্ধ হ'লে তেওঁ হ'ব ঊষা
শকুন্তলা হ'লে তেওঁ মই দুষ্মন্ত ৰজা
মোহাচ্ছন্ন হ'ম প্ৰেমৰ অপাৰ মায়াত
পৰিভ্ৰমী হ'ম ঋতুৰ স'তে বনে বনে
মত্ত হ'ম প্ৰেমৰ বিমূৰ্ত আলিঙ্গনত
বিলীন হ'ম শাশ্বত প্ৰেমৰ সংবেদনাত।

# বৃত্ত

**শৰৎ বৰকাকতি**

কেন্দ্ৰত
মোৰ হিয়াখন
পৰিধিত
তোমাৰ সুনীল আকাশ
বৃত্তৰ সংজ্ঞা মোৰ ইমানেই

তুমি হাঁহিলে
এজাক শৰালি উৰে
তোমাৰ মৌনতাত
নিঃসঙ্গতাই চুপতি মাৰে

মনে ধৰফৰায়
বাৰে বাৰে উজুটি খায়
আজি চাগে' অমানিশা
বচ্ কথা সিমানেই !

# কাহিলি কাহিলি পুৱা

(এটি অসমীয়া গজল)

**শৰৎ বৰকাকতি**

মোৰ সপোন দেখাৰ সময় এয়া
নজগাবা মোক কাহিলি কাহিলি পুৱা
দিঠকত দেখা তেওঁক বহু দিন হ'ল
আহিব পাৰে কাহিলি কাহিলি পুৱা...

এতিয়াও পি আছোঁ হিয়াৰ পিয়লাৰ অৱশেষ
চাকীৰ চকুত চকু থৈ, কাহিলি কাহিলি পুৱা...
ওৰেনিশা গম নেপালোঁ, মধুশালাৰ কিযে মায়া
মনত পৰিল ঘৰৰ কথা কাহিলি কাহিলি পুৱা...



# মাথোঁ তোমাৰ বাবে

**ৰুমিমা দাস**

আজিৰ এই শুভক্ষণত
তোমাকেই সুঁৱৰি
কলম লৈছোঁ হাতত
মনৰ বেদনা, ক্ষোভ, দুখ...
সকলোবোৰ উজাৰিম
তুমি হয়তোবা
ভাল নাপাবও পাৰা!
পৰিৱৰ্তনৰ হেঁচাত
অস্তিত্ব বাহাল ৰখাৰ স্বাৰ্থতে
অবিৰত গতি মোৰ
ধুমুহা নেওচি আগবঢ়াৰ প্ৰচেষ্টাত
ভুলেই কৰিলোঁ নে
ভালেই কৰিলোঁ!
হিচাপ ৰাখিবলৈ আজৰি নেপালোঁ।
মেটমৰা দুখ পিঠিত বোজাইলৈ
সুখবোৰ ডেউকাত বান্ধি
মাথোঁ ছুটিয়াই গ'লোঁ
কোনে কি পালে, কি নেপালে
গমকে নেপালোঁ।
মোৰ আজন্মৰ হেঁপাহৰ
পুৰা-গধূলি
আবিৰ সানি
মিছাতে ৰঙীন হোৱাৰ হেঁপাহ
আজি আৰু মোৰ নাই
তথাপিও...
আবিৰৰ ৰং ছুটিয়াই
তোমাৰ সুখবোৰ চাব বিচাৰি
হাবাথুৰি খাইছোঁ।।

# ভাল পোৱাৰ সংজ্ঞা

**ৰুমিমা দাস**

কোৱানা এবাৰ
ভাল পাওঁ বুলি
মাথোঁ দুটি হে শব্দ
হিয়া জুৰ পৰি যোৱা
জীয়াই থাকিবলৈ প্ৰেৰণা পোৱা
মৰুভূমিত আতুৰে
পোৱা এটুপি পানী
কিয়নো নোকোৱা
তুমি ভাল পাব পৰাকৈ
নে তোমাক ভাল পোৱাৰ জোখাৰে
একোৱেই নাই মোৰ
তুমি যদি ভাবা নাই সঁচাকৈ
মিলাই লম দিয়া
মাথোঁ এবাৰলৈ কৈ চোৱা
কি কৰি দিব পাৰোঁ
এই পৃথিৱীত
ক'লেহে বুজিবা
নকওঁ মই তোমাৰ বাবে
আকাশৰ তৰা আনি দিম
এইবোৰ অলীক কল্পনা
মই যে বাস্তৱ
সঁচা ভালপোৱাৰ মূল্য
নিৰূপণ কৰিব পৰা
এবাৰলৈ কৈ চোৱাচোন
তুমি অনুভৱ কৰিব পৰাকৈ
তোমাক বুজাব পৰাকৈ
হয়তো শব্দৰ অভাৱ মোৰ
তথাপি কোৱাচোন এবাৰ
হৃদয়ৰ সমস্ত অনুভৱেৰে
সাবটি ৰাখিম তোমাক
হেৰাব নোৰৰাকৈ
প্ৰতীক্ষা মাথোঁ
কোৱানা এবাৰ।

# তুমি মোৰ মৰমৰ নৈ

**ৰত্ন কান্ত শৰ্মা**

তুমি মোৰ মৰমৰ নৈ
বুকু জুৰি আছা যে বৈ
তোমাৰ দুচকুত সোণ
বাৰিষাৰ লাজুকী জোন
বাসনাৰ বতাহে মনে মনে
উৰুৱাই নিলে বুকুৰ আঁচল
মৌচুমী দেহৰ সুবাস
কি যে আমোলমোল
ভৰ যৌৱনৰ পকনিয়াই
দুগালত পাৰিছে মোহনীয়া টোল
হাঁহিত সৰিছে ৰূপালী তৰা
হাচনাহানাৰ কামনাৰ ৰাগিত
মোৰ পদূলিত ফুলিছে প্ৰেমৰ শতদল
উঠিছে প্ৰণয়ৰ ৰহণীয়া ৰোল।



# হৃদয়ত মাথোঁ তুমি

**ৰত্ন কান্ত শৰ্মা**

তোমাৰ বুকুৰ মাজত
মই ৰোৱা ফুল জুপি
ফুলিছে হবলা আজি গধূলি
আমোলমোল পদূলি
বতাহত আহিছে সুবাস ভাহি
দুচকুত নাচিছে জোনাক
আঘোণ আঘোণ লগা নিশ্বাস
সুগন্ধিৰে কঁপিছে ওঁঠ আৰু নাকৰ পাহি
তুমি ভালপোৱা ফুল ৰজনীগন্ধা
তাকেইতো দিছিলোঁ তোমাক আনি
কাৰ বাবে কি বুলি
ৰচিলা ফুলশয্যা
এপাহি দুপাহি খোপাত গুঁজি
হৃদয়ত এতিয়া
সমুদ্ৰ তীৰৰ ৰাতিৰ হুমুনিয়াহ
ৰাতিৰ নিৰ্জনতাত
দিশহাৰা নাবিকৰ
চৌৰে খেদা বিমূৰ্ত সপোন
জোৱাৰ ভাটাত
মাৰ গ'ল চতুৰ্দশীৰ জোন
আঁউসীৰ পিছত আহিলে পূৰ্ণিমা
কোনো এক পলসুৱা উপকূলত
পেলাম লঙ্গৰ
উভতি আহি জনাম

নিমন্ত্ৰণ নিশাৰ নদী
আহিব বৈ প্ৰেমৰ যমুনা
গাই গীত হিয়া উজাৰি
ৰজনীগন্ধা নহয়
পাৰে পাৰে ৰুম
বাছি বাছি ফুল
সাজিব বৃন্দাবন
থাকিব পখীৰ কলৰৱ
ময়ূৰৰ পিয়াসী কোলাহল
আৰু ৰুম শাৰী শাৰী
ৰঙা নীলা গোলাপ
কাঁইটৰ চাদৰৰ
আভূষণ আৰু অঙ্গৰাগ হ'লেও
গোলাপে ভাল পালে
ভাল পায় আজীৱন
হৃদয় জুৰি।



# গানে প্লাৱন আনে

## জোনা মহন্ত

তোমাৰ গানৰ সুৰে
মোৰ মনৰ প্ৰতিটো কোঠালি
কৰে গুঞ্জৰিত
চৌদিশে বই যায়
প্ৰতিডাল শিৰাই উপশিৰাই
ফৰকাল হৈ থকা আকাশ
ছানি ধৰে ক'লা ডাৱৰে
সৃষ্টি হয় ধুমুহা
মন সাগৰত
ধাৰাসাৰে নামি অহা অশ্ৰুই
প্লাৱিত কৰে মোৰ হৃদয়ৰ
প্ৰতিটো কোঠালি।

# প্ৰেমৰ সংজ্ঞা

## জোনা মহন্ত

প্ৰেম, মৰম, ভালপোৱাত
নাই কোনো স্বাৰ্থ
নাই কামনা, বাসনা।
প্ৰেমৰ আধাৰতেই
ৰৈ যায় বহু
সুমধুৰ স্মৃতি।
বৈ যায় সৃষ্টিৰ নৈ।
অনুভৱৰ শুকুলা কাগজত
মচিব নোৱৰা এক
ৰঙীন চিত্ৰ,
বহু আশাৰ সঞ্চাৰ।
“ভাল পাওঁ” এই শব্দ দুটাই
জানো দিব পাৰে
প্ৰেমৰ অনুভূতি,
নাথাকে যদিহে সম্পৃক্ততাত
হৃদয়ৰ অনুভৱ।
প্ৰেম অৰ্থহীন,
যদিহে নাথাকে বিশ্বাস,
প্ৰেম মূল্যহীন,
যদিহে নাথাকে ত্যাগৰ বাসনা।
নোৱাৰি কৰিব
প্ৰকাশ কবিতাৰে,
নোৱাৰি বুজাব গীতেৰে,
বিশ্লেষণ নহয় অভিজ্ঞতাৰে
নোৱাৰি জুখিব বয়সৰ পৰিধিৰে
প্ৰেম...
মাথোঁ এক মিঠা অনুভৱ।

# অনুস্মৰণ

**ৰঞ্জনা দত্ত**

জলকা লগা আবেলি
পুখুৰীৰ পাৰত বহি
তৰংগৰ আবৰ্তৰ মাজত,
আত্মবিভোৰ মই।
তোমাৰ অনুবিম্ব সংগোপনে
আহে আৰু গুচি যায়।
কিতাপৰ মাজত থকা
তত্ত্বগধুৰ কথাবোৰে
মূৰপোলোকা মাৰে।
মন মগজু আচ্ছন্ন হৈ থাকে
অনুস্মৰণেৰে।
সপোন দিঠক একাকাৰ কৰা
এয়া প্ৰেম নে আসক্তি?
আখৰোটৰ পাক বোৰৰ সংঘাত মনৰ স'তে।
ভাষা হেৰাই যোৱা মুহূৰ্ত
কিবা ক'বা যেন...
কাণত বাজিল শব্দহীন
অনেক কথা।
তোমাৰ হৃদয় গৰকা দৃষ্টিত
মোৰ ঘূৰাই অনা চকু,
ইমান অভিমান!
গুচি গ'লা একেবাৰে
মোৰ আত্মবিভোৰতা ভাঙি।


# ভঙ্গুৰ

পূৰ্ণেন্দু শৰ্মা

কৰুণ ৰাতি
তুমি এদিন আহিছিলা
সপোন ভেদি।

চিনাকি চিনাকি সুৰে
উমাল মাতেৰে
বুলি যাওঁ বুলি

কোমল সূতাৰ
শিকলি ছিঙি
ভঙ্গুৰ ৰাতিৰ
জোনাক গচকি।।



# তোমাৰ বুকুৰ সেউজ

**মীনাক্ষি ৰায় ডাকুৱা**

হেঁপাহৰ ৰাতিপুৱাৰ সূৰ্যৰ স্পৰ্শত
সকলো পাহি প্ৰস্ফুটিত পদুম ফুলো
লাজ পোৱা তোমাৰ মুকুতা সৰা হাঁহিত
এটা ৰঙচুৱা দিনৰ দৰে দেখোন
মানুহৰ হাতে হাতে পোহৰৰ চাকি
সৰিয়হ ফুলৰ হালধীয়া গাত সানি
বেহেলাত বাজে তোমাৰ বুকুৰ সুৰ
নৱপ্ৰভাতৰ ভৈৰৱী ৰাগিনীত
আগবাৰীৰ বকুলগছত ফুলা ফুলত
এক আকাশ তৰা জিলিকা হাঁহি দেখি
গধূলিৰ বেলি মাৰ যোৱাৰ পৰতো
এজাক বৰষুণ আহে হাড়লৈকে তিতে
ভিতৰৰ এন্ধাৰৰ চামনি আঁতৰাই থৈ
মনৰ পদূলিৰে সাঁকো সাজিলে
শুক্লপক্ষৰ চতুৰ্দশীৰ ফৰিং ফুটা জোনাক নামি আহে
আৰম্ভ কৰে সকলোৱে সন্ধ্যাৰ আৰতি
দুখ-বেদনা আৰু নোপোৱাৰ হাহাকাৰ
কৰাল বান্ধে তেজ নিগৰা কোমল কলিজাত
তথাপিও তোমাৰ বুকুত সেউজ ঘাঁহৰ চাদৰ
যুগ-যুগান্তৰৰ ভালপোৱাৰ মিঠা অভিসাৰত।

# ঋতু ঃ প্রকৃতি

# ৰামধেনু

## কস্তুৰী নিভা গগৈ

নীল আকাশত ৰামধেনু
বিচ্ছুৰিত বৰ্ণালীৰ অন্য নাম ইন্দ্ৰধনু
প্ৰকৃতিৰ সাতোৰঙৰ জিলিঙনি
আদিৰ পৰা অন্তলৈকে যেন
সকলো ৰং
বেঙুনীয়া, পাতল নীলা, ঘন নীলা, সেউজীয়া, হালধীয়া, সুমথিৰা বা
কমলা ৰং, তেজ ৰঙা বৰণ
জীৱনো এনেকুৱাই সাতোৰঙেৰে বোলোৱা
সাতোৰঙৰ মাজতে সোমাই আছে বহু ৰং বিৰং
এইয়াই খেয়ালী প্ৰকৃতিৰ বৰণ
বিন্দু নিয়ৰকণাতে জিলিকে সিন্ধু
আবালবৃদ্ধবনিতাই উপভোগ কৰে
আকাশত জিলিকি উঠা ৰামধেনু
বহু কল্প কাহিনীৰ স্ৰষ্টা ৰামধেনু
সপোন সপোন লগা হেঁপাহৰ ৰামধেনু
জিলিকে
আৰু লুকাই যায়
আকাশৰ বুকুতে।

# নদীৰ আহ্বান

## শৰৎ বৰকাকতি

গতিশীলা তোমাৰ হেনো নাম
থুনুক থানাক মাত
ফুটে সভ্যতাৰ
পাৰতে তোমাৰ
প্ৰাণদায়িনী তুমি
অ’ নদী
কিয় আজি এই ৰূপ
কৰিছা সংহাৰ...

মই নদী, মই ধাত্ৰী
হিমৰ অমৃতধাৰা
বিলোৱা মই মাতৃ
বৰষাই যেতিয়া
বনেৰে নঢকা
মাটি খান্দি লৈ আনে
বছৰে বছৰে
তৰপে তৰপে
তলি তৰাং হৈ আহে
ক’ত সামৰোঁ
ইমান পানী
পাৰ ভাঙি হওঁ দুৰ্বাৰ
দেখিও নেদেখা
জানিও নেজানা
নিবিচাৰা তাৰ উপচাৰ...

কাব্য ভাবনা

হোৰাংহো নৈৰ বলিয়া সোঁত
আছিল চীনৰ চকুপানী
গতিৰ শক্তি হ'ল
কল্যাণলে ৰূপান্তৰ
বিজ্ঞানৰ বিজয় কাহিনী...

এৰা, বানপানীৰ চাৰিবিহু
কিমান পাতিম
এৰা, ক্ষয়ক্ষতিৰ লেখ আৰু
কিমান ৰাখিম
মথাউৰি ভঙাপতা
সাহায্যৰ গুণাগঁথা
নকৰোঁ ইবাৰ
ভিক্ষাপাত্ৰ এৰি থৈ
যুগমীয়া সমাধান
কৰোঁগৈ উদ্ধাৰ...

বানৰ কাৰাগাৰত
অসমৰ সমৃদ্ধি
ঊষা যে বন্দিনী
ক'ত সেই চিত্ৰলেখা
সপোনৰ সাঁথৰ ভাঙিব
প্ৰগতিৰ কোঁৱৰ
অনিৰুদ্ধক আনি
ঊষাৰে বিবাহ পাতিব...

বান পৰাস্ত হওক
প্ৰযুক্তিৰ উন্মুক্ত কায়াত
ভাঙি যাওক দেৱাল
সঙ্কীৰ্ণ কাৰাগাৰ...

অ' নদী, অ' নদী
নৰৰূপ ধৰি হোৱা
উন্নতিৰ আধাৰ...

# বাৰিষাৰ গুণ গুণ

**শৰৎ বৰকাকতি**

(১)
তিনিদিন কিনকিনাই থকা বতৰৰ
পিছৰ পুৱাটো
নোপোৱাই পোৱা যেন লাগে
এঙামুৰিটো মাৰিয়েই
বিছনাচাদৰখনৰ নিচিনাকৈ
পৃথিৱীখন সলোৱাৰ ভাব জাগে।

(২)
বাৰিষা প্ৰেমৰ জীপাল ঋতু
নে বাসনাৰ জোৱাৰৰ
নে বহাগৰ অঙ্কুৰিত
মনৰ গুটিটোৱে
জীপ পাই ৰূপ লয়
বাহুমেলা এজোপা গছৰ।

(৩)
এসময়ত তোমাৰ খলাবমাইদি
অকাই পকাই বৈ গৈছিল
বাৰিষাৰ নৈ
এতিয়া বৰষুণজাকে হাঁহে কৈ কৈ।

# নীলা জোনাক

**পঙ্কজ কুমাৰ বৰুৱা**

এদিন কৈছিলা তুমি মোক জোনাক দেখুৱাবা,
সপোন ফুলবোৰ
জোনাকৰ স'তে সৰে
পূৰ্ণিমাৰ নিশা,
দেও পাহাৰৰ কাষত, ৰাংছালিৰ পাৰত।

মই চাই ৰওঁ নিখুঁট
পূৰ্ণিমাৰ জোনটো।।
দূৰত এটি পঁজা,
খেৰ বাঁহেৰে সজা।
তাৰ পৰাই আহিছে
অকণমান ৰেঙনি পোহৰৰ,
জ্বলি থকা এগছি চাকিৰ,
নিশাৰ আন্ধাৰ ৰুধিবলৈ।

পূৰ্ণিমাৰ নিশা
জোন নামি আহিব আকাশৰ পৰা
ৰাংছালি ঘাটত গা ধুবলৈ।
লগে লগে দেওপাহাৰৰ
গন্ধৰ্ব, অপ্সৰাবোৰ
উৰি আহিব ঘাটলৈ,
জোনক সুধিবলৈ,
আনিছানে খবৰ,

কাব্য ভাবনা

আমাৰ মুক্তিৰ?
কেতিয়া? কেতিয়া?
অভিশপ্ত উৰন্ত
অপ্সৰাবোৰৰ প্ৰশ্ন
জোনলৈ।
জোন মৌন, মাথোঁ ক'লে
সময় হোৱা নাই।

গা ধুই জোনে পঁজা ঘৰটোতে কাপোৰ সলাব।
আকাশে দিয়া নতুন
আকাশ নীলা কাপোৰযোৰ পিন্ধিব আৰু উৰি গৈ,
আকাশৰ বুকুত মিলিব।
এতিয়া আকাশৰ পৰা
জোনাক সৰিব।
এইবাৰ ৰূপোৱালী নহয়,
আকাশৰ মৰমভৰা
নীলা জোনাক...
মাথোঁ নীলা জোনাক।।



# শেৱালি ফুলাৰ বতৰত

**অমল শইকীয়া**

শেৱালি ফুলত যেতিয়া মুকুতাৰ দৰে নিয়ৰবোৰ জিলিকি উঠে
তেতিয়া কাঞ্চন পাটীত বহি
আইজনীৰ মাকে বেণী গোঁঠে
দুফালে দুধাৰি বৈ যোৱাকৈ
বেণীৰ প্ৰতিটো ভাঁজত শেৱালিৰ সুবাস

আহিন আহিছে
গেৰ মেলা ধানৰ সুগন্ধিৰে
বতাহত কাকতি ফৰিঙৰ গাভৰু নাচোন
বতাহজাকৰ বিভ্ৰান্তি সূচনা কেনেকৈ হৈছে?
আহিনৰ আঁহে আঁহে
শেৱালিৰ পাহে পাহে
আইজনীৰ মাকৰ বেণীত চিনাকি ঘৰচীয়া গোন্ধ এটাই লুকা ভাকু খেলে
সময়ে বুজি পায় আহিনক
সময়ে আইজনীৰ মাককো চিনে।
শেৱালি ফুলাৰ বতৰত কোন কেনি যায়
কোনে হিচাপ ৰাখে?
দূবৰিৰ বুকুত আহিনৰ শেৱালি সৰে।

# আঘোণৰ ৰিং

**অমল শইকীয়া**

সোণালী চাদৰৰ আঁচল পাৰি
মিঠা মিচিকি হাঁহিৰে
বহি আছে আঘোণ
জিঞা পাখিৰ দৰে উৰিছে উতনুৱা সময়
ঘৰচীয়া গোন্ধত আমোলমোল
ধূলিয়ৰি সন্ধ্যাবোৰত
নিয়ৰৰ চুপতি।

ৰিং এটা মাৰি আঘোণ আহিল
মুখত প্ৰত্যয়ৰ আৰু ভৰসাৰ সোণগুটি হাঁহি
সোণালী চাদৰ পাৰি মিচিকিয়া হাঁহিৰে আঘোণ বহিল

আঘোণৰ ৰিঙত ভঁৰালবোৰ
বলি হ'ল
ভলুকা বাঁহৰ গাধৈত জিলিকিল শইচৰ স্বৰ্ণ
খেৰৰ গোন্ধত নিয়ৰৰ ফুল
আঘোণৰ ৰিঙত ঢৌ খেলা ভৱিষ্যতৰ
জীৱন সম্ভাৱনাৰ মিঠা হাঁহি।

আঘোণৰ ৰিঙত দুখবোৰ হেৰাল

গোহালিৰ গৰুজনী গাভিনী হ'ল
পাচবাৰীৰ মনোহৰ কল থোক
মোক খা মোক খা কৈ জিলিকি উঠিল।
আঘোণৰ ৰিঙত মনবোৰ সজীৱ হৈ পৰিল।
জবাফুলীয়া গোন্ধ এটাই নাকত সঘনে বাহ ল'লে।

আঘোণবোৰ আঘোণ হৈ থাকিল।

# আমন্ত্ৰণ

## ৰঞ্জনা দত্ত

ফাগুনৰ ধূলিয়ৰি
বতাহজাকতো
কিবা বহাগ বহাগ গোন্ধ
বজ্ৰৰোধী নাহৰজোপাতো
শৈশৱ নামিছে
স্ফটিক নীলা আকাশো
সাজু হৈ পৰিছে
শুকুলা কজলা
ছাটিবোৰ মেলিবলৈ।
জেঠত ভৰপক দিবলৈ
কণ কণ কঁঠালৰ মুচি
তল সৰা শিমলু পলাশ...
উতনুৱা বতাহজাকত
কিবা অচিন ফুলৰ গোন্ধ
ৰৈ ৰৈ সুললিত কণ্ঠেৰে
কুলিৰ মৌ মিঠা আমন্ত্ৰণ
বহাগক
বহাগ নাহি পাৰেনে?

# পৰিভ্ৰমী

**ৰঞ্জনা দত্ত**

মন মোৰ পৰিভ্ৰমী
সেয়ে উৰা মাৰে
সিহঁতৰ স'তে।
নীলাভ চিত্ৰপটত
ঘনে ঘনে নতুন চিত্ৰ আঁকি
আগবাঢ়ে সিহঁতৰ জাক।
ক'লা বগা ডাৱৰবোৰে
আগুৰি ধৰি মাজে মাজে
মেল মাৰে সিহঁতৰ স'তে
কৈ যায় ডাৱৰৰ
জীৱন পৰিক্ৰমাৰ কথা...
বাষ্পীভূত পানী, ডাৱৰ, বৰষুণ আৰু ৰামধেনুৰ কাহিনী।
জোৎস্না বিধৌত নিশা
তৰা আৰু ডাৱৰে
লুকা ভাকু খেলে
সিহঁতৰ স'তে।
তলৰ নীলা সেউজীয়াবোৰে
হাত বাউল দি মাতে
কেতিয়াবা জিৰণি লয় কিছুক্ষণ
পৰিধিৰ সিপাৰে আছে সিহঁতৰ দেশ
লক্ষ্য বহু দূৰ...
পৰিশ্ৰান্ত ডেউকাৰ
ৰ'বলৈ আহৰি নাই।
তপ্ত সূৰুয, ধুমুহা, বিজুলী
আওকাণ কৰি
উদ্দীপ্ত উদ্যমেৰে গৈ থাকে
সিহঁতজাক
আৰু মোৰ পৰিভ্ৰমী মন।

# শাৰদী ৰাণী

**কৃষ্ণা শৰ্মা**

শীতল মলয়াজাকে
গাভৰু কঁহুৱাডৰাক
উন্মাদ কৰি যায়।
কমোৱা তুলাৰ দৰে
শুকুলা ডাৱৰবোৰে
উৰি উৰি ওপঙি
শাৰদীয় পথ দেখুৱায়।
সাজি কাচি ডাৱৰে ভাবে
মোক বাৰু দেখিছেনে কঁহুৱাই?
জোনবায়ে জুমি জুমি জিল মিল জোনাকীক
সোধে মনে মনে
দূবৰিত শেৱালি সৰিছেনে নাই?
মই যে শাৰদীক আছোঁ বাট চাই।



# লুইত ঃঃ বৰলুইত

বিৰাজ জ্যোতি গোস্বামী

তিব্বতীয় আকাশখন
কঁহুৱা কোমল ডাৱৰখিনিৰে
ইমান নীলিম ইমান বিশাল
ইমান ওচৰ অথচ ইমান দূৰ

সেই নীলিমাৰ প্ৰেমভৰা চাৱনিত
উদ্বাউল মোৰ সলিলৰাশিক
মানসৰ পাৰ ভাঙি
বোৱাই দিলোঁ হিল-দল ভাঙি
ভৈয়ামৰ পিনে
দিগ্বলয়ৰ অভিমুখে

চাংপ’, লুইত, বৰলুইত
বৰহ্মপুত্ৰ
কতই যে কত নাম দিলে
এই পাগলা মানসপুত্ৰক
গঢ় লৈ উঠিল
সৰু বৰ চহৰ
সহস্ৰ কৃষকৰ সপোন সিঁচা
সোণোৱালী পথাৰ
সহস্ৰ শতাব্দীৰ এক সভ্যতা।

# মিঠা ৰাগিনী

## ৰত্ন কান্ত শৰ্মা

শীতৰ লহৰ আহিছে নামি
মাজে মাজে বৰষুণে
জোকাইছে আহি
জুহালত উম লৈ
আছোঁ গুণগুণাই
কেতিয়াবা কবিতাৰ ফাকি
কেতিয়াবা গীতৰ কলি
কেতিয়াবা এঙাৰেৰে
মজিয়াত আঁকিছোঁ ছবি
মনৰ মাজত ডাঠ কুঁৱলী
কোনখন কাৰ ছবি
ধৰিব নোৱাৰি
শীত আৰু বৰষাই মিলি
কি সুৰ বজালে আজি
হৃদয়ত আবেলিৰ মিঠা ৰাগিনী।

# জোনাক

**কঙ্কন শৰ্মা**

চাকিবোৰ নুমাই দিয়া
জোনাকখিনি আহিব দিয়া
আন্ধাৰে মাতি মাতি
আনিব পৰা নাই অতদিনে
আজি পদূলিমুখত, গছত,
বনত জিৰাব জোনাক
ফুলে পাতে বহিছে জোনাক
ঘৰলৈ হেনো নাহে
আন্ধাৰ তই কাষে কাষে থাক
নহ'লে চিনিব নোৱাৰি জোনাক।



# এটা শীৰ্ণকায় ‘ৰাদী’

**পঙ্কজ কুমাৰ নেওগ**

পিয়াহত মুমূৰ্ষু শীৰ্ণকায় ‘ৰাদী’টো
পৰি থাকে অলস ভাৱে,
ঠিক যেন ভূৰি-ভোজনৰ অন্তত
লৰচৰ কৰিব নোৱৰা বিশ্ৰামৰত এটা অজগৰ।
বুকুত ঊষৰ বালি, সিঁজু কাঁইটৰ জোপোহা আৰু
পাহাৰীয়া সৰু-বৰ ঘূৰণীয়া শিলবোৰ - সেয়েই যথাসৰ্বস্ব;
নাই, বিচাৰিলেও ক’তো মৰা-সুঁতি এটা দেখিবলৈ নাই,
ক’তো নাই এচপৰা সেমেকা মাটিৰ গোন্ধ,
গৰম বতাহজাকে বালিবোৰ উৰুৱাই
‘ৰাদী’টোত ভাঁজ লগা ৰেখা টানে,
বেলি লহিওৱাৰ পৰত গাঁৱৰ পেন্দুকণা কেইটা আহি
বালিৰ ভাঁজবোৰত ঘূৰণীয়া শিলগুটি দলিয়াই
কিবা-কিবি অনামী খেল খেলে,
কাঠ-পেঞ্চিলৰ জোংটো ঘূৰাই ভূগোলৰ মেপত অঁকা
কজলা পাহাৰৰ দৰেই ওখ ওখ টকলা পাহাৰবোৰৰ
ক্ৰমশঃ ছাঁ পৰি আহে -
‘কুম্মা’ আৰু ‘মাছাৰ’ বোৰ খুলি থৈ খন্তেক জিৰণি লয় খেজুৰ গছৰ ছাঁত -
লাহে লাহে জাপ খায় অৱসাদত সিহঁতৰ চকুবোৰ...
হঠাৎ সাৰ পাই উঠে এক যান্ত্ৰিক শব্দত ‘ৰাদী’ ৰ পাৰৰ গাঁওখন,
চহৰৰ পৰা উভতি আহে হাইলাক্স পিক্-আপ্ ভেনবোৰ,
এখন-দুখনকৈ কেইবাখনো পিক্-আপ্ পাৰ হয় গাওঁমুখী হৈ
‘ৰাদী’ ৰ শিলা গৰকি আৰু চৌদিশ ধূলিময় কৰি;

খেতিৰ পূৰ্বঠ খেজুৰবোৰৰ থোক বেছ ভাল দৰত বেচা হ'ল আজি...
ক'ৰ যেন চাতকৰ আকুল আহ্বানত,
আকাশৰ হৃদয় যেন হঠাতে সদয় হ'ল!
নিমিষতে সলনি হ'ল প্ৰকৃতিৰ ৰুক্ষ ৰূপ,
কৰুণাময়ী জলদাৰ পৰম আশিসত নামিল মৰুলৈ ধাৰাসাৰ বৃষ্টি।
টকলা পাহাৰবোৰৰ পৰা আসুৰিক মত্তৰে বাগৰিল বৰষাৰ ধল,
নিমিষতে উপচি পৰিল হিল-দল ভাঙি শীৰ্ণকায় 'ৰাদী' ৰ বুকু,
স্ফীতৰ পৰা স্ফীততৰ হ'ল পলে পলে, ক্ষিপ্ৰৰ পৰা ক্ষিপ্ৰতৰ সোঁত-
'ৰাদী'ৰ জলপৃষ্ঠৰ মাপ লোৱা খুটিডালো সোঁতত দুৰু দুৰু,
সেউজীয়া দাগটো কেতিয়াবাই লুকাল পানীৰ তলত,
হালধীয়া দাগটোও চোন বুৰোঁ বুৰোঁ এতিয়া-
ৰাদীৰ বানৰ সোঁত এতিয়া সাপৰ নেগুৰ ছিগা,
বিপদৰ ৰঙা দাগ চুমিবলৈ আৰু কেই পল বাকী?

'ৰাদী' ৰ পাৰত অকস্মাতে ওলালহি এখন বগা ৰঙী 'ফ'ৰ্ হুইল ড্ৰাইভ্',
সময় প্ৰায় আবেলি এতিয়া, মেঘাচ্ছন্ন আকাশ আজি
বেলিয়েও সোনকালে মাগিছে মেলানি;
য়াকুব ৰাহেইবিৰ আজি বৰ খৰধৰ, বজাৰ সামৰি যেনেতেনে পাব লাগে ঘৰ,
মোবাইলত বাৰম্বাৰ তাগিদা মাকৰ -"গা খুব বেয়া ফাতিমাৰ,
নিব লাগে যেনে তেনে আস্পাতাললৈ নাতিদূৰৈৰ চহৰ খনৰ,
প্ৰসৱৰ দিনো শীঘ্ৰে আহিছে চাপি আৰুনো কেইটা দিন বাকী?
হাব-ভাব বোৰ দেখি এনেহে লাগিছে যেন-
আজিয়েই হ'ব পাৰে সেই অভিপ্ৰেত ৰাতি!
নাই, সঁচাকৈয়ে সময় নাই য়াকুব, কৰ লৰালৰি!"
'ৰাদীৰ'ৰ পাৰত গাড়ীতে ঠুঁতৰিত হাত থৈ য়াকুবে ভাবিলে কিছু দেৰি,
এইটো 'ৰাদী' তাৰ নিচেই চিনাকি, শৈশৱৰ খেলৰ সঙ্গী,
ইয়াতে ডাঙৰ হ'ল সি, টাংগুটি, ফুটবল খেলি, বৰষুণত সাঁতুৰি-নাদুৰি,

চাইফ্, ইব্ৰাহিম, চালেহ্, আহমেদ আৰু গাঁৱৰ বহুতো লগৰী;
ধাৰাসাৰ বৃষ্টিতো খৰস্ৰোতা 'ৰাদী' পাৰ হৈছে আজিলৈ বহুবাৰ,
কোনো ভয় নাই, লগত আছে যেতিয়ালৈ দেউতাকে দি যোৱা
অতি বিশ্বস্ত পুৰণি গাড়ী হিয়াৰো আমঠু এই 'লেণ্ড-ক্রুইজাৰ্'!
এইখন গাড়ীতেই কতবাৰ পাৰ হৈছে বৈতৰণীখন,
বহুতো গভীৰ নিশা-শিলাবৃষ্টি, ধুমুহা কৰি আওকাণ;
গাঁৱৰ পাৰৰে 'ৰাদী' টোৰ ৰেহ-ৰূপ চাই পঁচিশটা বসন্ত পাৰ হ'ল,
বৈ যোৱা পানীৰ ৰং, বৈ যোৱা পানীৰ সোঁত দেখিলেই কৈ দিব য়াকুবে
কোন ফালে হ'ব পাৰে গভীৰ খাৱৈ আৰু কোনফালে গেদেৰে তৰাং!
আজিও বৰষামুখৰ তেনে এটা দিন-চিন্তাৰ নাই অৱকাশ,
ফাতিমাক নিব লাগে অনতিপলমে চহৰলৈ বেছ কিছু বাট;
'ৰাদী 'ৰ পানী বাৰু কিমান গভীৰ হ'ব? খুব বেছি আঁঠুৰ ওপৰ?
অনায়াসে পাৰ হ'ব বিশাল গাড়ীখন চকুৰ পচাৰতে তাৰ!
ইঞ্জিন গৰ্জি উঠিল 'লেণ্ড-ক্রুইজাৰ' ৰ, হেডলাইটে উজলালে 'ৰাদী'ৰ পাৰ,
সন্তৰ্পণে নামি গ'ল য়াকুবৰ গাড়ী বক্ষ বিদাৰি বিশাল জলধাৰাৰ;
আজি যেন বৃষ্টি অধিক মুষলধাৰ, চিনাকি এই 'ৰাদী' ৰ সোঁত অধিক ক্ষুৰধাৰ!
জলকেলিত গৰ্জনেৰে অগ্ৰসৰ 'লেণ্ড-ক্রুইজাৰ' খন,
হঠাতে নিঃশব্দ হ'ল - হঠাতে বন্ধ হৈ গ'ল গাড়ীৰ ইঞ্জিন!
নুমাই গ'ল শক্তিশালী হেডলাইট দুটা, 'ৰাদী' ৰ দুয়োপাৰ মাৰিলে নিতাল-
নামি আহিল কাল ৰাত্ৰিৰ ঘোৰ অমানিশা।
বিশাল আস্ফালনেৰে পাহাৰবোৰৰ পৰা নামি আহিল
অইন এটা দুৰন্ত বানৰ ধল-'ৰাদী'টোৰ বুকু খুন্দিয়াই;
চতুৰ্দিশে ঘিট্ মিট্ আঁউসীৰ আন্ধাৰ ক্ষণে ক্ষণে ঘন-ঘোৰ মেঘৰ গৰ্জন,
বিজুলীৰ চকামকা পোহৰত দেখা গ'ল মাথোঁ ৰাদীটোৰ দুৰ্দান্ত লহৰ,
তাৰ বাহিৰে ক'তো নপৰিল চকু, পোৱা নগ'ল সাৰসুৰ কোনো যে জীৱৰ।
গোটেই নিশাটো সাৰে ৰ'ল মাথোঁ আকাশৰ অবুজ বিলাপ আৰু
ফেনে-ফোটোকাৰে বৈ যোৱা অবাধ্য 'ৰাদী'টোৰ নিলাজ গৰ্জন!

দুদিনৰ পিছত...
চহৰৰ ৰাতিপুৱাৰ খবৰ কাগজবোৰত,
য়াকুব ৱাহেইবি নিজেই খবৰ হ'ল!

টোকাঃ

*(১) 'ৱাদী'-ওমান আৰু কিছুমান আৰৱ দেশৰ পাহাৰৰ উপত্যকাবোৰত দেখিবলৈ পোৱা শুকান নদী বা তেনে ধৰণৰ অগভীৰ ডাঙৰ খাল। এনে ৱাদী সদৃশ ঠাইবোৰৰ মাজেদি চহৰৰ বাট-পথো অতিক্ৰম কৰিব পাৰে। বৰষুণৰ সময়ত পাহাৰৰ পৰা পানী নামি আহি এই ৱাদীবোৰে ভয়ানক ৰূপ ধৰে আৰু আকস্মিক বন্যাৰ (Flash Flood) সৃষ্টি কৰে। এনে বন্যাৰ সোঁত খুব তীব্ৰ বাবে বৰষুণৰ সময়ত ৱাদীবোৰ খোজ কাঢ়ি বা গাড়ী চলাই পাৰ হৈ যোৱা নিৰাপদ নহয়। ধুমুহা বা বৰষুণৰ আগজাননী পালে পুলিচ আৰু প্ৰশাসনে সঘনে সতৰ্ক বাণী শুনালেও বাধা-নিষেধ আওকাণ কৰাৰ ফলত অনেক লোক ৱাদীবোৰ পাৰ হওঁতে কোবাল সোঁতত উটি গৈ মৃত্যু মুখত পৰে।*

*(২) 'কুম্মা' আৰু 'মাছাৰ'- ওমানী লোকসকলে পিন্ধা টুপি আৰু পাগুৰি।*



# কৰ'না ঃ অতিমাৰীৰ গাথা

# বিধ্বস্ত

**অমল শইকীয়া**

আমি হাতদুখন বান্ধি ৰখা নাই
বান্ধি ৰখা নাই ওঁঠ দুটা
আঙুলিবোৰ স্থৱিৰ স্থানুলৈ পৰিৱৰ্তন হোৱাৰ আগতেই
আমি কাম কৰিম। কথা ক'ম। আৰু হাঁহিম।
বিধ্বস্ত মানুহবোৰৰ গানবোৰ শুনিবলৈ আমি আগ্ৰহী হৈ পৰিম।
আমাৰ গানবোৰ কান্দোনৰ দৰে বৰ কৰুণ
বাৰিষাৰ বৰষুণৰ দৰে বৰ গভীৰ
মাজৰাতি অৰণ্যৰ দৰে
বৰ গভীৰ।
আমাৰ হেনো ভোক লাগিছে
ভোকত আঙুলিবোৰ সৰু হৈ পৰিছে।
কণমাণিটোৰ দৰে
আমি নজনাকৈ আমাক পৰিস্থিতিয়ে বিধ্বস্ত কৰি পেলাইছে।

ভুল নিজৰ
যিদৰে শৰীৰৰ ছাল নিজৰ
তেজ নিজৰ, উশাহ নিজৰ
আমাৰ ধ্বংসাত্মক প্ৰবৃত্তিয়ে নিজকে লেলিহান শিখা হৈ চেলেকিছে।
আমি ভয় কৰিছোঁ।
ভয়ত দৌৰিছোঁ মাথোঁ দৌৰিছোঁ।

আমাৰ ভয়ত তৰু লতা বৃক্ষ সকলো দৌৰিছিল
ভয়ত শুকাই পৰিছিল সেউজী অৰণ্য
ফুল আৰু ফলৰ পৰিৱৰ্তে শুকান লঠঙা ডালত পঁচা গোন্ধে বাহ লৈছিল

বিনা প্ৰতিদ্বন্দিতাৰে
সকলোৰে ওপৰত ধ্বংস যজ্ঞ আয়োজন কৰিছিলোঁ আমি

এদিন প্ৰকৃতি বিধ্বস্ত হৈছিল
আৰু আজি নিজেই বিধ্বস্ত হ'লোঁ।



# আশা

**জোনা মহন্ত**

অতীতৰ সপোনবোৰে
কৰে আমনি
নোৱাৰে যে পাহৰাব
সীমাহীন ব্যস্ততাইও
মৰম ভালপোৱাবোৰ
সজীৱ মনত
বাৰিষাৰ প্ৰবল সোঁতেও
নোৱাৰে নিব উটুৱাই
মান অভিমানবোৰো
নোৱাৰে নিব উৰুৱাই
প্ৰচণ্ড ধুমুহাইও
তোলে খলকনি
হৃদয়ৰ গভীৰ গহ্বৰত
তথাপি আগুৱাই যাওঁ
জীৱন বাটত
বহু আশা বুকুত সাবটি

# শ্মশানৰ দুখ

**কঙ্কন শৰ্মা**

কি দুখত ঘূৰাই পঠালোঁ
তাপেৰে বুকুত
নললোঁ সাবটি।

দোষ নিদিবি
সময় কি নিৰ্মম
মহা নিৰ্বাণতো...
কৰিব লগা হ'ল কৃপণালি!

# চিন্তা নকৰিবা

**কঙ্কন শৰ্মা**

আজিৰ এই দিনবোৰ যিদিনা সোঁৰৰণী হ'ব...
মনত নেৰাখে কোনেও
মৃত্যুৰ কথা।
সকলোবোৰ সপোন বুলি
পাহৰি যাব।

ৰৈ যাব স্মৃতিত
একেলগে ঘৰৰ মাজত কটোৱা দিনবোৰৰ কথা।
কেনেদৰে কৰিছিলোঁ ঘৰখন চুক কোণ মাৰি চফা

ৰান্ধনিশাল অনবৰত ব্যস্ত!
অনভিজ্ঞ হাতবোৰ
হৈ গ'ল পৈণত!
উজাৰি উজাৰি পতা
কত কথা!!
নপঢ়াকৈ থকা বহু কিতাপ!
নোচোৱাকৈ থকা বহু
কালজয়ী চিনেমা!
বহু নীতিকথা,
মিতব্যয়িতা,
সহমৰ্মিতা!!

সাঁচি থোৱা বিছনাচাদৰ,
গাৰুৰ গিলিপবোৰে
বহুদিনলৈ দি যাব
আত্মীয়তাৰ সুবাস!!
বহুদিনৰ মলিন আকাশখন,
নীলা হেৰোৱা জলাশয়বোৰ,
মানুহৰ দুখত
উৰিব পাহৰা চৰাইবোৰ!
সকলোবোৰ যেন
এক লীলা!!
আৰুনো কেতিয়া পাম এনে দিন?
হে দুৰ্দিন!

তুমি শিকাই গ'লা মানুহক
বহুকথা।
সকলোৱে সুঁৱৰিব সেই
কথা...
দিন যিমানে পুৰণি হ'ব
সিমানেই গভীৰ হ'ব
সোঁৱৰণী!!
চিন্তা নকৰিবা
দুৰ্দিন নাথাকে বেছিদিন।।

# অপেক্ষা

## কস্তুৰী নিভা গগৈ

অপেক্ষা কৰি আছোঁ
এটি সুসংবাদলৈ
কৰ'না ভাইৰাছ মৰি শেষ হ'ল
ৰোগাক্ৰান্ত মানুহবোৰৰ নিৰাময় হ'ল
নতুনকৈ আক্ৰান্তৰ খবৰ নহা হ'ল,
সেই সংবাদটি পাম কেতিয়া?
ময়ো হ'ব পাৰোঁ আক্ৰান্ত
তুমিও অথবা তেৰোঁ
মৰিবও পাৰোঁ
নিৰাময় লভিবও পাৰোঁ
তুমি অথবা তেৰোঁ
তথাপি আপ্ৰাণ চেষ্টা নিৰোগী হ'বলৈ
কোৱাৰেণ্টাইন
লক্‌ডাউন
এয়াই নিৰোগী তথা ৰোগমুক্ত হোৱাৰ বচন
এয়াই সোণালী সুদিনৰ সপোন
আমি অপেক্ষাৰত।

# আকৌ আহিবনে সেই দিন

## কস্তুৰী নিভা গগৈ

আকৌ আহিবনে আগৰ দিনবোৰ
ছাত্ৰ-ছাত্ৰী স্কুল-কলেজলৈ নিয়মীয়াকৈ যাব
হোষ্টেলসমূহ আকৌ ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিব
পৰীক্ষাসমূহ সময়মতে অনুষ্ঠিত হ'ব
হাট বাট ঘাটবোৰে পুনৰ প্ৰাণ পাই উঠিব
শাক-পাচলি ফল-মূল মাছ-মাংসৰে বজাৰবোৰ
উভৈনদী হৈ পৰিব
সভা সমিতি অধিৱেশন উৎসৱ-পাৰ্ব্বণ-বিবাহ
জন্মদিন প্ৰীতিমিলনৰ থলী ৰং আনন্দেৰে
উপচি পৰিব
হোটেল ৰেষ্টুৰেণ্ট পাৰ্ক কাননসমূহ বন্ধু-বান্ধৱ
পা-পৰিয়াল পৰিজনেৰে মুখৰিত হ'বনে

আকৌ আহিবনে কবিতা গল্পৰে মুখৰিত সাহিত্যৰ
দিনবোৰ
সঙ্গীত নাটক নৃত্য থিয়েটাৰ উপভোগৰ দিনবোৰ
দেশে বিদেশে পৰ্যটকৰ ভ্ৰমণ
ছাত্ৰ-ছাত্ৰীয়ে শিক্ষামূলক ভ্ৰমণৰ অভিজ্ঞতা আকৌ
বুটলিব পাৰিবনে

আকৌ ওভোতাই পাম নে সেই উৎসৱমুখৰ ৰূপে ৰসে
ভৰা দিনবোৰ
নে শাৰীৰিক দূৰত্ব বজাই সকলোতে হিচাপৰ লোকৰ
পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলন !

আশাৰে অপেক্ষা কৰিলেও সন্দেহৰ আৱৰ্তত
সমগ্ৰ পৃথিৱীতেই এতিয়া অৰ্থনৈতিক সঙ্কট
ভগ্ন বিত্তীয় মেৰুদণ্ড পোনাবলৈ সময়ো লাগিব
দিন মাহ বছৰ আমি অপেক্ষা কৰিম
আকৌ উভতি আহক সোণাময় দিনবোৰ
পৃথিৱী আকৌ হাঁহিৰে উজ্জ্বল হওক
মানুহে আকৌ সুখে-দুখে সহযোগী হৈ
মানৱতাৰ গীত জোৰক।



# মোৰ ছাঁটোৰ সন্ধানত

পংকজ কুমাৰ নেওগ

মোৰ ছাঁটোৱে এদিন এটা প্ৰস্তাৱ দিছিল
মোৰ নিঃসংগতাৰ সাৰথি হৈ
ওৰেবাট সহচৰ হোৱাৰ;
মোৰ ছাঁটোৱে এদিন এটা প্ৰস্তাৱ আনিছিল
মোৰ সুখৰ অমলিন হাঁহি আৰু দুখৰ
কান্দোনৰ ভাৰ সমভাগে ভগাই লোৱাৰ;
এটি ভ্ৰূকুটিৰে অহংকাৰে মোৰ
পদাঘাত কৰিছিল বাৰম্বাৰ সেই আকুল আহ্বান
"স-সাগৰা এই বিশাল জগত মোৰ সুহৃদ,
ময়েই ক্ৰান্তদৰ্শী বিশ্বপ্ৰবাহৰ,
নাই মোৰ কোনো নিঃসংগতা"
পৃথিৱীৰ অসুখৰ এই বিপন্ন ঘড়ীত
চৌপাশে নামি অহা অমানিশা এন্ধাৰজাকত,
হঠাতে আজি যেন মই এজন নিঃসংগ নাবিক;
নিৰ্লজ্জ স্বাৰ্থপৰ হৈ পাহৰণিত ডুব যোৱা
মোৰ ছাঁটোৰ সন্ধানত এতিয়া মই পুনৰ উদ্বাউল,
এৰা, ছাঁটোৰ সৈতে অন্তৰৰ আলাপ কৰা
কতদিন যে পাৰ হৈ গ'ল!


# নিৰাময়ৰ অপেক্ষাত ঃ তিনিটা স্তৱকৰ আঁত লৈ

**পঙ্কজ কুমাৰ নেওগ**

"হকাৰে কাগজ দিয়ে। গৰম খবৰ। ধেত্, একো নাই।
উল্কাৰ চিঠিৰে কথা ছপা হোৱা নাই।"
অৱশেষত উল্কাৰ চিঠিৰে আজি কথা ছপা হ'ল
উল্কাৰ আখৰেৰে নামি আহিল মৃত্যুদূত
যৱনিকা পেলাবলৈ পৃথিৱীৰ নাটৰ আঁৰ
চৌপাশে আজি কেৱল প্ৰৱল উল্কাপাত,
ঘনঘোৰ তমসাৰ শীতল নিৰুদ্বেগ উত্তাপ
কালভৈৰৱীৰ তাণ্ডৱ তোলপাৰ।
"পথ আৰু উপপথ গলি
আৰু এভিনিউ বোবা যন্ত্ৰণাত
অন্ধকাৰ, পিছল মৃত্যুৰ সাপ
ভৰিৰ তলেদি যায়" (পোহৰ পোহৰ ক'ত)
এৰা, ভৰিৰ তলেদি আজি
অজস্ৰ পিছল মৃত্যুৰ সাপ
কিলবিলাই পাৰ হৈ যায়
নাজানো কাৰ শৰীৰত বা জিংঘাসাৰ দংশন
আজি দিয়ে যে বহাই!
নতুবা, আই মোৰ ডিঙি কুটেকুটাই!
হে মহীয়সী ৰেছেল!
জেকবক হিয়া দি লাবানৰ চতুৰালিত তুমি
সাত বছৰ কেৱল চাকিলা চকুৰ লুণীয়া

আস্, সুদীৰ্ঘ আছিল সেই দুঃসময়
সুদীৰ্ঘ সাতোটা বছৰৰ অন্তত
পুনৰ প্ৰতাৰিতা হৈছিলা তুমি
জেকবক আপোন কৰাৰ!
প্ৰতাৰিতা তুমি, তোমাৰ ক্ষোভৰ স্ফুলিঙ্গৰে
ছাৰখাৰ কৰিব পাৰিলাহেঁতেন সেই সকলো অন্যায়
কিন্তু ক্ষান্ত, সৌম্য হৈ তুমি সহিলা সকলো
ক্ষমা কৰি দিলা তুমি সহোদৰা লিয়া আৰু তোমাৰ পিতাক
ধন্যা তুমি, মহীয়সী ৰেছেল!
পৃথিৱীৰ মূঢ় জনগণৰ ধ্বংসকামী, পৃথিৱী উছন
কৰিব খোজা
কুপিত ঈশ্বৰ সেইদিনা লজ্জিত হৈছিল
তোমাৰ কৰুণা আৰু ত্যাগৰ পুণ্য বাৰিধিত!
হে মহীয়সী ৰেছেল, তোমাৰ প্ৰাৰ্থনা আৰু পবিত্ৰ
আকুতিয়ে
সেইদিনা আকৌ গলাইছিল
হৃদয় কৰুণাময় পৰমপিতাৰ!
ঈশ্বৰৰ প্ৰতি অনা তোমাৰ চৰম অভিযোগ
সেইয়েই আছিল পুণ্যশ্লোক জগত ৰক্ষাৰ!
হে জননী ৰেছেল! এবাৰ আকৌ কৰোঁ নে ধৃষ্টতা
তোমাক অনুৰোধ কৰাৰ? জগজ্জননীৰ এই বিপন্ন ঘড়ীত
মানৱজাতিৰ বীজ সাঁচি থ'বলৈ
ঈশ্বৰক আজি দিবা নে তুমি
তোমাৰ অনলবী অভিযোগ পুনৰ এবাৰ?
"জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে।
আৰু থাকে জীৱিকাৰ গলিৰ সাঁথৰ
অমৃতৰ পুত্ৰ আমি

মৃত্যু-স্নাতা হে মহানগৰ”...
সকলো শংকা আৰু দ্বিধাৰ অলঙ্ঘ্য গিৰি অতিক্ৰমি
জীৱন জীয়াই থাকিব দুৰ্বাৰ
কাৰণ আমি যে অমৃতৰ পুত্ৰ
“সবার উপরে মানুষ সত্য তাহার উপরে নাই”
আকৌ নতুন প্ৰভাত হ’ব, কাল অমানিশাৰ পৰিব যৱনিকা
পৃথিৱীৰ চোতাল আকৌ উপচি পৰিব
অযুত শিশুৰ কলৰৱেৰে
বিশ্বৰ জনগণ হ’ব পুনু আগুৱান গাই বিশ্ব জিনাৰ গান...!
“আমি পৰ্বত ভাঙিম, সাগৰ সিঁচিম, জঁপিয়াই ধৰিম
তৰা...!!!”



# সপোন হ'ব পাৰে জীৱন

**তপোধন দাস**

এটা সপোন হওঁ হওঁ জীৱন
সহজ হৈ পৰিছে গণ-মৃত্যুৰ পৰিসংখ্যা
ত্ৰাসে আচ্ছন্ন কৰিছে মানুহৰ চৌপাশ
শৰীৰত লাগি আহে মৃত্যুৰ অদৃশ্য বীজাণু
অকস্মাতে হ'ব পাৰে আক্ৰান্ত
য'তেই আক্ৰান্ত ত'তেই বন্দী
নিক্ষিপ্ত হ'ব পাৰে অজ্ঞাত কোঠালিত
সহোদৰৰ পৰা নিমিষতে হ'ব পাৰে বিচ্ছিন্ন
গণ মৃত্যুৰ ত্বৰণত কঁপিছে জীৱনৰ পৰিসংখ্যা
নৰ'ব পাৰে অৱশিষ্ট গণনাযোগ্য সংখ্যা
নিৰৰ্থক হ'ব পাৰে জীৱন নামৰ সপোনবোৰ
সপোন হৈ পৰিব পাৰে জীৱনবোৰ।



# জীৱাশ্মত আৱিষ্কাৰ মানুহ প্ৰজাতি

**তপোধন দাস**

শত বছৰৰ ভৱিষ্যৎ মই সময়
সন্ধান কৰিছোঁ মানুহৰ জীৱাশ্ম
চলাথ কৰিছোঁ পৃথিৱী
নিৰ্ণয় হ'ব পাৰে মানুহৰ জৈৱিক স্থিতি
মানুহৰ অৱয়ব গতি
মস্তিষ্ক প্ৰকৃতি
উদ্ধাৰ হ'ব পাৰে ইতিহাস মানুহৰ

শত বছৰ অতীতৰ প্ৰজাতি মানুহ
অৱয়বত স্বনিয়ন্ত্ৰিত সৌন্দৰ্য
গতিশীল মানুহৰ আছিল শব্দ ভাষা
মস্তিষ্কত আছিল জ্ঞানৰ বিজ্ঞান
নিৰ্ণয় কৰিছিল পোহৰ আৰু শব্দৰ গতি
মহাশূন্যত আৱিষ্কাৰ কৰিছিল নক্ষত্ৰ জগৎ
সভ্যতাৰ ইতিহাস আছিল
মানুহ হৈছিল মানুহ

ক্ষমতাত আক্ৰান্ত হ'ল মানুহ
দণ্ডত ধাৰণ হ'ল আক্ৰোশ
আৱিষ্কাৰ হ'ল মাৰাত্মক অস্ত্ৰ
হঠাৎ ভেদি গ'ল সমস্ত প্ৰজাতি
স্থবিৰ বিজ্ঞান স্তব্ধ গতি

দুৰ্ভেদ্য বেহুত প্ৰজাতি হ'ল বন্দী
আৰ্ত মানুহ হ'ল মৃত্যুমুখী যাত্ৰী
নিশ্চিহ্ন হ'ল পৃথিৱীত মানুহ প্ৰজাতি
মানুহৰে ইতিহাস এই ভগ্নাৱশেষ
ভগ্ন বৃহৎ নগৰবোৰ
বন্দৰত নিথৰ জাহাজবোৰ
বিজ্ঞানৰ পৰীক্ষাগাৰবোৰ
ৰঙা পোহৰৰ যান্ত্ৰিক বাহনবোৰ

শতিকাৰ নিস্তব্ধতা পৃথিৱীত
নিস্তব্ধ ৰাজন্য আদেশ বিপ্লৱৰ শ্ল'গান
নিস্তব্ধ ৰাজপথ আকাশমাৰ্গ

জীৱাশ্মত উদ্ধাৰ মানুহ প্ৰজাতিৰ এই ইতিহাস।



# উন্মুক্ত বিচৰণ

**ৰুমিমা দাস**

জীৱৰ শ্ৰেষ্ঠত্ব দাঙি লৈ
উপকূলত উন্মুক্ত বিচৰণ
উপমাবিহীন তোমাৰ লহৰ
বান্ধোনৰ অদৃশ্য শিকলি
উদ্যত মনে বিচাৰে উলঙ্ঘন
"উদফাই" আজিৰ সমাজত কৰ'না
উপলুঙা নকৰিবা বান্ধৈ
উত্ৰাৱল চাৰিওফালৰ বিভীষিকাত
হুমিয়া কৰ'নাৰ
বীৰদৰ্প বিচৰণ
আকাশ পাতাল একাকাৰ
হেয়জ্ঞানৰ সাহস নাই কাৰো
ক্ষিতি আজি ভীতিগ্ৰস্ত
ক্ষুধাৰ্ত জনতাৰ আৰ্তনাদ
হিল্লোল ভাঙি আহিছে ত্ৰাস
বুজনৰ হঠকাৰী আচৰণত
ম্ৰিয়মাণ, ভয়াৰ্ত জনগণ
সুপ্ৰসন্ন হওক অদৃশ্য শক্তি
মুক্ত হওক ধৰা
আকৌ হওক উল্লাসেৰে
উন্মুক্ত বিচৰণ।

# অপেক্ষা পোহৰৰ

**ৰুমিমা দাস**

ভয়াবহ সময়
অসহায় ধৰিত্ৰী
দুৰ্বল মনৰ গতি
এই ভয়াবহতাই
মনক অস্থিৰ কৰিছে
শব্দবোৰে হেৰুৱাইছে ছন্দ
নিৰাশ সাগৰত ক্ৰমান্বয়ে
গৈ আছোঁ ডুবি ডুবি গভীৰলৈ
কিয় জানো
অনিদ্ৰা, ক্ষোভ, অনাহক চিন্তা,
অথবা হেৰুৱাৰ বেদনাই
ৰঘুমলাৰ দৰে ঘেৰিছে জীৱন
শঙ্কাত কঁপিছে মন
শঙ্কা জীৱনৰ
শঙ্কা নতুন প্ৰজন্মৰ
শঙ্কা এক অনিশ্চিত ভৱিষ্যতৰ
তথাপি অপেক্ষা পোহৰৰ
অপেক্ষা সুদিনৰ।

# আকৌ বহাগ আহিব

**ফাইজুৰ ৰহমান**

আকৌ বহাগ আহিব,
কুলি কেতেকীয়ে বিনাব,
গছত কপৌ ফুলিব,
ঢোল পেঁপা বাজিব,
আমাৰে নাচনীৰ নাচোঁ নাচোঁ লাগিব।

বিহুৰে পথাৰত
মনৰে উলাহত
চেনাইধনক বিচাৰি
বিহুৱান যাচিব।

ঢুলীয়া ডেকাই
চেনেহী নাচনীৰ
লাহতী খোপাত
কপৌফুল গুঁজিব
বিহু বিহু লাগিব গাত।



# কৰ'না ভাইৰাছৰ সংহাৰ

**ফাইজুৰ ৰহমান**

চকুলো বাগৰি যায়।
ৰোগাক্ৰান্ত মানৱৰ
ছটফটনি,
পেটত খামুচি ধৰি
কাহি কাহি ভাগৰি
কৰে আৰ্তনাদ
নিমিষতে শেষ হয় জীৱন।

চেষ্টা অথলে যায়।
জীৱন বিপন্ন কৰি
সহস্ৰ চিকিৎসকে
কৰ'না ভাইৰাছৰ স'তে
অহৰ্নিশে যুঁজি যুঁজি
নিজকে দিয়ে বলিদান।
সকলোকে কৰে সংহাৰ।

হৃদয় বিদাৰি যায়।
শত শত মানৱৰ
শাৰী শাৰী কবৰৰ
নিষ্প্ৰাণ দেহাৰ পৰা
ভাহি অহা আত্মাৰ
কৰুণ বিননি

কঁপি উঠে
ধৰিত্ৰী জননী।

ভয় লাগি যায়।
নিঃশেষ হৈ যাব নেকি
ধৰণীৰ পৰা
অমূল্য মানৱ জীৱন
ভাবিব পাৰোঁনে আমি
মানৱ বিহীন
এখন ধুনীয়া ধৰাৰ???



# চল্লিশ দিনীয়া যাত্ৰা

(প্ৰেৰণা ঃ ‘খিৰিকি কাষৰ কবি’- নৱকান্ত বৰুৱা)

**মদন চন্দ্ৰ ডেকা**

কোনো পৰিকল্পনা নাছিল দূৰ ভ্ৰমণৰ
পৰিয়াল একেলগে থকাৰ কথা নাছিল
বাধ্যবাধকতাৰ মাজত বন্দিত্বৰ যাত্ৰা...

যাত্ৰাৰো থাকে সুকীয়া আমেজ
সিও যদি হয় বিনা আঁচনিৰ
হুৰমূৰ সংগ্ৰহ চাউল দাইল হালধি নিমখ
সৰহীয়াকৈ আলু পিয়াঁজ
পনীৰৰ টিন চয়াবিন চেনী
আৰু এক ট্ৰে কণী

মুকলি বুলিবলৈ বেলকনিখন
থিয় হ’লেই শুনা যায় য’ত
ৰাধাগোবিন্দ পথৰ ব্যস্ত উৰুমি
বিৰক্তিত কোঁচ খায় কপালৰ গাঁঠি

গৃহিণীৰ ঘোষণা
ইচ্ছা তেওঁৰ ৰন্ধাৰ বিধে বিধে ব্যঞ্জন
ল’ৰা-ছোৱালীৰ বাবে বিবিধ জলপান
পৰিয়ালটো আনকালে লগেই নালাগে
ৰেচিপিও আছে শিকি থোৱা

গলিৰ মুখতে কলিতাৰ দোকান
চিন্তা কিহৰ

ৰাতিপুৱা উঠিয়েই বেলকনিত থিয়
চকু যায় যিমানলৈ ডিঙি মেলি চালোঁ
নাই, কোনো নাই
নৰমনিচ বুলিবলৈ পথত কোনো নাই
ভতুৱা কুকুৰ দুটামানে মাথোঁ
খাদ্যৰ সন্ধান কৰে জাবৰৰ দ'মত

ডিঙি ঘূৰাই চিঞৰিলোঁ
"হেৰা, হকাৰ ল'ৰাজনে দি থৈ গ'ল পেপাৰ
চৌধুৰীয়ে পেপাৰ হেনো বন্ধ কৰিছে
বৰুৱাৰ ঘৰত গাখীৰ দিবলৈ আহিছে গুৱাল
মাছ ৰাখিবা নেকি, মাছ!"

উধাতু খাই গৃহিণীৰ বেলকনি দৌৰ
'হেই, কি কৰা কি কৰা
নাজানা নেকি চলি আছে ছ'ছিয়েল ডিষ্টেন্সিং'
মুখখন এপাচিমান কৰি
ভিতৰলৈ সোমাই গ'ল শ্ৰীমতী

সঁচাকৈয়ে পৃথিৱী তলাবন্ধ হ'ল
ৰাস্তাত মানুহ নোহোৱা হ'ল
বাহিৰলৈ ওলালেই হেনো হয় টিকাকৰণ
মাৰিব লাগে ভেকুলী জাঁপ
কৰিব লাগে বুক ডাউন

## কাব্য ভাবনা

এদিন চকুত পৰিল বেলকনিৰ পৰাই
দূৰণিৰ শিৰীষ গছজোপা
আকাশৰ স'তে পাতিছে কথা
আজি যেন বেছি সেউজীয়া
আৰুচোন এপাৰ্টমেণ্ট চৌহদত থকা বটলব্ৰাছ জোপা
কিচিৰ মিচিৰ শব্দেৰে ভৰা
ফেঁহুজালি পৰতে পখীৰ কাকলি
মুখৰিত হয় পুৱাৰ পৃথিৱী
দহদিনৰ অভ্যাসত সোনকালে শোৱাপাটি এৰোঁ
ঠেক বেলকনিত থিয় হৈ চাওঁ
পৃথিৱীখন সঁচাই ধুনীয়া

শ্ৰীমতীৰ নিতে নিতে নতুন ব্যঞ্জন
সন্ধ্যা তৃষ্ণা কবিতাৰো তুলনা নাই
বাঢ়ি যায় ইউ টিউব-ত ৰন্ধন প্ৰকৰণৰ সন্ধান

যিদিনা বিপুলে ইউ টিউব-ত শিকি
জেলেপীৰ পাকৰ কৰিছিল কৰ্ষণ
সেইদিনাই কাকতত পঢ়িছিলোঁ
গঙ্গাৰ পানী হেনো পৰিষ্কাৰ হ'ল
কালি যেতিয়া ৰঞ্জনাৰ ইজেলত
তুলি আৰু ৰঙৰ যুগলবন্দী
তেতিয়াই পঢ়িলোঁ অৰ্ধ শতিকাৰ বিৰতিত
নৰ্মদাৰ পানী নিৰ্মল স্ফটিকৰ ধাৰ হ'ল

কিন্তু নকয় কোনেও কিয় হ'ল নে
ভৰলুৰ পূতিগন্ধময় পানী পৰিষ্কাৰ
নিদিয়ে কোনেও খবৰ
নিৰ্মল হ'ল নে বাহিনীৰ পানী
সন্ধ্যা ললিতা কান্তাৰ ত্ৰিধাৰা!

সেইদিনা যিদিনা শৰতে গীত এটি লিখি
সুৰ কৰি গুণগুণাইছিল
কাকতত পঢ়িছিলোঁ
ব্ৰহ্মপুত্ৰৰ পানী আকউ হৈছে ঘোলা
বই আহিছে সোৱণশিৰিয়েদি
ক্লেদাক্ত জলধাৰা
এটা সুৰ হৈ ডেউকা মেলিছিল প্ৰকৃতিয়ে
আকউ পাতনি দুঃসময়ৰ!

আৰু শুনিলোঁ ৰেডিঅ'ত
সুমনৰ ঈডলি দোচাৰ ব্ৰেকফাষ্টৰ দিনা
ঘৰৰ পদূলিৰ পৰাই হিমালয় দেখা
নামবৰ হাবিৰ পৰা সুগন্ধি বতাহ বলা
অনেক যুগৰ বিৰতিত
কৃষ্ণচূড়া সোণাৰু এজাৰৰ মেলা

"হেৰা চোৱাহি
মাছ বেপাৰীটো এই পুৱাতে ওলাইছেহি
হকাৰ ল'ৰাটোৰ পিছে পিছে
নাৰাখোঁ দিয়া মাছ
ক'ৰ বা ৰে'ড জ'নৰ পৰা আনিছে!
বৰুৱাৰ ঘৰত গাখীৰ দি গ'লহি গুৱালজনে
শৰ্মাও দেখোন মাস্ক পিন্ধি ওলাই গ'ল
হাতত বজাৰৰ মোনা"

শ্ৰীমতীৰ নাই কোনো সঁহাৰি
ম'বাইলত ব্যস্ত
ইউ টিউব-ত দিয়ে সুন্দৰ ৰেচিপি

## কাব্য ভাবনা

চুলি দীঘল হ'ল কটাব পৰা নাই
হওক
আগতে পৃথিৱী কৰ'নামুক্ত হওক
প্ৰকৃতি পুনৰ ধুনীয়া হওক
বুকু ভৰাই লওঁ নিৰ্মল বতাহ

গৃহিণীৰ মেন্যু চুজিৰ পৰোঠা
বেচনৰ বৰফি ৰসগোল্লা
পটলৰ কোপ্তা আলুৰ দম
'ডিমেৰ মাখা মাখা ঝোল'
সন্ধিয়া লুচি ঘুগুনি পায়স

চিন্তা কিহৰ
গলিৰ মূৰত খোলা কলিতাৰ দোকান

চল্লিশ দিনীয়া যাত্ৰাৰ অন্ত পৰিব
শেষ হ'ব বিনন্দীয়া প্ৰকৃতিৰ অভিসাৰ
শেষ হ'ব নিস্তব্ধ প্ৰহৰ
আৰম্ভ হ'ব
স্বাৰ্থান্বেষী মানুহৰ অনন্ত হুতাহ।


# শিলৰ চোলা

**অগস্ত্য বৰুৱা**

শিলৰ চোলা পিন্ধি ল'লোঁ আজি
সূতাৰ আৰু প্ৰয়োজন নাই

সকলোখিনি থাকি যাব শিলৰ ভিতৰত

শেষৰটো নিশ্বাসত সৰি পৰিব চোলাটো
ভিতৰভাগ নিশ্চিতকৈ সেমেকি থাকিব
বাৰিষাৰ আবেলি এটা হৈ।।



# ক'ম বুলি ভাবি থকা কথাবোৰ কোৱাই নহ'ল

**অগস্ত্য বৰুৱা**

ক'ম বুলি ভাবি থকা কথাবোৰ কোৱাই নহ'ল

ব্যৱধানে এতিয়া গঢ়ি তুলিছে এখন নদী
য'ত উটুৱাই দিব পাৰি একোটা দীঘল হুমুনিয়াহ
পাৰত আশা পালি বৈ থাকি
এটা সোণালী দিনৰ

নদীৰ পানী সদায় নতুন

ভৰা নদীৰ সিপাৰে থকা কথাবোৰ ইয়ালৈ নাহে

ইয়াৰ কথাবোৰো তালৈ নাযায়

কথাবোৰ পাছতো ক'ম

খৰস্ৰোতা পানীয়ে উটুৱাই নিয়ক
দুঃসময়ৰ দিনপঞ্জী।

# সপোন বহুদূৰ

**ৰঞ্জনা দত্ত**

সপোন দেখিছিলোঁ...
ইস্তানবুলৰ পুৰণি ৰংচঙীয়া বজাৰ
নীলা মছজিদ আৰু ইমাৰতবোৰৰ
মাজে মাজে ঘূৰি ফুৰাৰ
বচফৰাচত কোনো মায়াময় সন্ধিয়া
নৌকাবিহাৰ বিতোপন সূৰ্যাস্ত চোৱাৰ
অৰহান পামুকৰ উপন্যাসত সিঁচৰিত হৈ থকা
ইস্তানবুলৰ অলিয়ে গলিয়ে ঘূৰি 'ব'জা'ৰ জুতি লোৱাৰ...
শুনিছোঁ,
বচফৰাচত এইবাৰ
প্ৰমোদ ভ্ৰমণ হোৱা নাই।
তাত ডলফিনবোৰে
খেলা কৰিছে মতলীয়া হৈ
নীলা আকাশ আৰু
ডাৱৰৰ স'তে একেলগে।।

সপোন দেখিছিলোঁ..
হোমাৰৰ 'ইলিয়াদ'ৰ মটীয়া পৃষ্ঠাবোৰৰ মাজত থকা
দেশখনত কিছু সময়
বিচৰণ কৰাৰ,
ট্ৰয় চহৰৰ বুকুত ৰাণী হেলেনৰ স্মৃতি বিজৰিত
ধ্বংসস্তূপ আৰু বিশাল ট্ৰ'জান ঘোঁৰাৰ স'তে কিছুক্ষণ
কটোৱাৰ...
শুনিছোঁ মৃত চহৰখন

কাঁইটীয়া জোপোহাৰে ভৰি পৰিছে এইবাৰ।
সপোন দেখিছিলোঁ..
গভীৰ নীলাৰ মাজত
সলিল সমাধি হোৱা পুৰণি কোকোভা চহৰ আৰু
নীলা সাগৰৰ মাজত থকা সুউচ্চ পাহাৰৰ শিলৰ
বুকুত সূক্ষ্ম জালিকটা নিকলাচ গীৰ্জা চোৱাৰ।।

কাপাডচিয়াৰ প্ৰাচীন শিলৰ গুহাত
এৰাতি কটোৱাৰ সপোন দেখিছিলোঁ।
গৰম গেছৰ বেলুনত উঠি
ৰঙা হালধীয়া ৰঙীন শিলৰ উপত্যকা আৰু আকাশ
সাগৰ একাকাৰ হৈ যোৱা নীলাৰ মাজত উৰি ফুৰাৰ
সপোন দেখিছিলোঁ
শুনিছোঁ,
ৰং বিৰঙী বেলুনেৰে ৰঙীন আকাশখন এইবেলি
নিস্তব্ধ
পৰিভ্ৰমী চৰাইবোৰ হেনো তাতে থিতাপি লৈছেহি
বেছ কিছুদিন।

তুৰ্কীত এতিয়া মৃত্যুৰ কিৰিলি...
কেইবাশ বছৰৰ অলেখ যুদ্ধৰ লগতে এই যুঁজৰ
কথাও লিপিবদ্ধ হ'ব।
কোনে জানিছিলে এনে হ'ব বুলি!
সপোন বহুত দেখিছিলোঁ...

(ব'জা-দৈৰ পৰা প্ৰস্তুত কৰা এবিধ থলুৱা পানীয়। কম পৰিমাণৰ এলক'হলযুক্ত।)

# দেৱদূত

(সকলো ডাক্তৰ বন্ধু-বান্ধৱীলৈ মোৰ ক্ষুদ্ৰ উপহাৰ)

**ৰঞ্জনা দত্ত**

বগা আৰু নীলা ৰক্ষা কৱচৰ
আঁৰত থকা দেৱদূতজন
মোৰ অৰ্ধচেতন দেহৰ কাষত
ব্যস্ত অহৰ্নিশে
নাজানো তেওঁ পুৰুষ নে নাৰী,
তেজগোৰা চফল ডেকা নে
ষাঠিয়ে গৰকা কোনো তৰুণ প্ৰৌঢ়।
নিশ্বাসৰ গধুৰ গৰম বাষ্পেৰে
ধুঁৱলি হৈ পৰা পি পি ই কিটৰ আঁৰত থকা তেওঁৰ
চেহেৰাটো মই মাথোঁ কল্পনা কৰোঁ।
হয়তো এজন দেৱদূতৰ দৰেই তেওঁ
যদিওবা কাহানিও দেখা নাই মই
কোনো দেৱদূত।
ভেণ্টিলেটৰৰ বিপ্ বিপ্ শব্দ
আৰু মোৰ ভাগৰুৱা হৃদপিণ্ডৰ শব্দ একাকাৰ হয়...
চেতন অৱচেতনৰ মাজত
মই উপঙি থাকোঁ শূন্যত।
আই চি ইউৰ কিবা অচিন গোন্ধৰ মাজত ফুলৰ
সুঘ্ৰাণ বিচাৰি মই টোপনি যাওঁ।
ৰঙা হালধীয়া তলসৰা
মেপল পাতৰ আলিয়েদি
হাতে হাতে ধৰি গৈ থাকোঁ কাৰোবাৰ স'তে।

## কাব্য ভাবনা

চিনাকি পদূলিৰ মেগ্নলিয়া জোপাৰ গুলপীয়া চাদৰখন
গায়ে মূৰে ঢাকি লওঁ।
ক'ত জানো দেখিছিলোঁ কণমানি দুটা!
বুকুৰ ওপৰতে বহি খেলা কৰেহি।
আস্! উশাহত ইমান কষ্ট !
বিপ্ বিপ্ শব্দত সাৰ পাই যাওঁ।
ৰক্ষা কৱচৰ ভিতৰত
ঘৰ্মাক্ত দেহাৰে,
কাৰ্বন ডাই অক্সাইডৰ
গধুৰ বতাহেৰে কষ্টৰ উশাহ লৈ তেওঁ ব্যস্ত
মোক অক্সিজেন দিয়াত।
বুকুৰ গধুৰ শিলছটা
আঁতৰি যায় লাহে লাহে।
মোৰ অৰ্ধ নিমীলিত চকুৰে
যেতিয়া তেওঁক দেখোঁ
মোৰ আশে পাশে
নিৰ্ভয়ে টোপনি যাওঁ
আই চি ইউৰ যান্ত্ৰিক শব্দবোৰৰ মাজত।

# পাৰ হৈ যাব এই দুঃসময়

**শৰৎ বৰকাকতি**

পাৰ হৈ যাব এই দুঃসময়
সন্মিলিত প্ৰাৰ্থনাৰ অসীম শক্তিৰে
উছৰ্গিত বিজ্ঞানীৰ শ্ৰমৰ জলেৰে
জ্বলিব আকৌ শলিতা চাকিৰ
সৃষ্টিৰ ৰং ছটিয়াব
আশাৰে উজলিব
মানুহৰ মৰহা হৃদয়।
পাৰ হৈ যাব এই দুঃসময়...

সামৰিক শক্তিৰে খোদিত দেশৰ সীমা
মন্দিৰ, মছজিদ, গীৰ্জাত পালিত
ভাগ ভাগ অলৌকিক ভক্তিৰ মহিমা
জুপুৰীক ভেঙুচোৱা সুউচ্চ অট্টালিকা
আভিজাত্যৰ প্ৰতীক ভোগৰ আহিলা
একাকাৰ হৈ কঁপে, যেন মৃন্ময়
আজি মাথোঁ সত্য, মৃত্যুৰ ভয়।
পাৰ হৈ যাব এই দুঃসময়...

বিৱৰ্তনৰ বহু স্তৰ পাৰ হৈ
জীৱশ্ৰেষ্ঠ বুলি
গঢ়িলে মানৱে জগতত পৰিচয়
আকৌ নীলা হোৱা নিকা আকাশে

নির্ভয়ে উৰি ফুৰা বনহংসজাকে
কোলাহলমুক্ত সতেজ বতাহে
প্ৰত্যাহ্বান দি সোধে মানুহক
বিজ্ঞান, প্ৰযুক্তিৰে
কৰিব পাৰিবানে
বিশ্বক এনেকুৰা
শক্তিৰ নিলয়!
পাৰ হৈ যাব এই দুঃসময়...



# সোণাপুৰ বহুদূৰ

**শৰৎ বৰকাকতি**

খৰকৈ খোজ দে
আবেলি হ'ল
তিনিজন মিলি আমি
দূৰত্ব জিনিম বুলি
পণ লোৱা
তেৰ দিন হ'ল
সোণাপুৰ
বহুতো দূৰ
খাবলৈ একো নাই
পানীকে খা
ভৰি যদি চলা নাই
বিহুনাম গা
নিশালৈ থমকি নৰ'বি
ভাগৰ লাগিছে বুলি
এবাৰো নকবি
সোণাপুৰ বহু.. ও ও তো দূৰ...

এন্ধাৰ নামিলে
উজুটি খাবি
জোতাযোৰ ফাটি গ'লে
কি কৰিবি
গোলাঘাটৰ ৰহিমক
আজান ফকীৰ

## কাব্য ভাবনা

নগএগ্রা মোক মাত
ভোটাই ডেকা বুলি
নামে কামে বিষ্ণু ৰাভা
তই যা আগবাঢ়ি
লগে লগে আছোঁ আমি
পিছলৈ নাচাবি
ফেক্টৰীৰ মজুৰি
ৰহিমে নেপালে
চিকিউৰিটি কামো
মোৰ হঠাতে হেৰালে
চহৰৰ মলৰ কাম এৰি
আমাক মাতিলি
গাঁৱলৈ ঘূৰি যাওঁ বুলি
শুনালি মাদলৰ সুৰ
সোণাপুৰ বহু.. ও ও তো দূৰ...

ছন পৰা পথাৰত গৈ
কঠীয়া সিঁচিম
অসমৰ নামঘৰৰ
ইটাবোৰ গাঁথিম
বাৰীৰ বাঁহ কাটি
হাঁহ কুকুৰাৰ
গঁড়াল সাজিম
বৰ পুখুৰীটোত
এজাকে লগে ভাগে
মাছৰ পোনা দিম
বুকুৰ লাচিতে
মনে মনে ক'লে
শতৰুৰ শেন চকু
নিজকে বচাবি
ঘামবোৰ বোৱালেও
সাহখিনি সাঁচি থবি
ভাগৰ লাগিলেও
সপোনবোৰ ননমাবি
পাহৰি নাযাবি
মাদলৰ সুৰ
সোণাপুৰ বহু.. ও ও তো দূৰ...

# স্বপ্ন ঃ স্মৃতি ঃ বিষাদ

# দুটা স্তৱক

## কস্তুৰী নিভা গগৈ

### বিপন্ন সময়

চৌপাশে বানৰ বিভীষিকা
নাই স্থান নাই অন্ন নাই বস্ত্ৰ
জলপ্ৰলয়ৰ আতঙ্কত ম্ৰিয়মান
পোৱা নাই পৰিত্ৰাণ
বিপন্ন সময়ত কেৱল আৰ্তনাদৰ বিষাদভৰা গান

### শাওণ

বৰ্ষাসিক্ত উৰ্বৰা পথাৰ
লাৱনী ৰোৱনীৰ কেঁচা ঘাম
শ্যামলিমা গগণ
চৌদিশে সেউজঘন
অশ্ৰুমতী শাওণ
মনোৰম অনুপম।

# গুণ গুণ গুণ...

**শৰৎ বৰকাকতি**

বুকুত নে মগজুত
গুণ গুণ গুণ গুণ
মৌমাখি এজাকে
বৈ আনে অনেক সপোন
সত্য, শিৱ, সুন্দৰ
প্ৰেম আৰু মমতাৰ
জীয়া জীয়া অনুভৱ
আমোলমোলোৱা
কত শত হিয়াৰ চুপহিত
বহি শুহি থাকে
উৰি উৰি বৈ আনে
তিল তিলকৈ গঢ়ে
সপোন চপচপীয়া
মৌচাক সাজে
বুকুত
নে মগজুত নেজানো
মাথোঁ
শুনো গুণ গুণ
গুণ গুণ গুণ গুণ...

# সপোনবোৰ জীয়াই থাকে

**জোনা মহন্ত**

আনন্দবোৰ উটি গ'ল
কোবাল সোঁতৰ স'তে,
মাথোঁ পৰি ৰ'ল
অলেখ হুমুনিয়াহ
উমি উমি জ্বলে
অন্তৰত দুৰ্ভাৱনা
সোণালী সপোনবোৰ
অন্তৰতে মাৰ গ'ল
নিজৰেই ঘৰ পথাৰ
যেন অচিনাকি
সকলো হেৰুৱাৰ বেদনাত
হৈ পৰে কঠিন জীয়াই থাকিবলৈ
তথাপিও....
বুকুৰ সপোনবোৰ জীপাল কৰি
আকৌ ধৰিত্ৰী সেউজীয়া কৰোঁ।

# শৈশৱৰ প্ৰেম

জোনা মহন্ত

শিকিছিলোঁ লিখিব আখৰ শৈশৱতে
যুক্তাক্ষৰৰ গাঁঠনিয়ে কন্দুৱাইছিল
বাৰে বাৰে...
কাৰচিভ্ ৰাইটিং....
স্মল লেটাৰ, কেপিটেল লেটাৰৰ
পাকবোৰ দেখিলেই উঠিছিল কঁপনি
নুবুজিলোঁ আজিও
But যদি বাট, put হয় পুট কেনেকৈ

সংখ্যাবোৰ লাগিছিল তেনেই উজু
দহোটা আখৰৰ মাজতেই সকলো
চিঞৰি চিঞৰি কৰিছিলোঁ মুখস্থ
যোগ, বিয়োগ, পূৰণৰ নেওতা
ভাল লগাৰ মাজেৰেই শিকিলোঁ
সংখ্যাৰ স্থান, ভগ্নাংশ, ঐকিক নিয়ম
জ্যামিতিৰ উপপাদ্যৰ লগতে আৰু
বহু গণিতৰ নীতি...


লাহে লাহে আহি বীজগণিত,
ত্ৰিকোণমিতি, স্থানাংক জ্যামিতি, পৰিসংখ্যাই দিলে
মৃদু জোকাৰণি,
পৰিছিলোঁ প্ৰেমত নুবুজাকৈ
অঙ্কৰ পৰিসৰ

## কাব্য ভাবনা

ষ্টেটিক্স, ডাইনামিক্স, মেট্রিক্স,
কেলকুলাচ, জটিল সংখ্যাৰ
আবিৰ্ভাৱত -
দেখিলোঁ চকুৰে সৰিয়হৰ ফুল।

ৰাখিলোঁ সম্পৰ্ক ওৰেটো জীৱন
যদিও বহু কষ্টেৰে
শৈশৱৰ প্ৰেমৰ স'তে...

এতিয়াহে দেখোঁ নহয় সৰলৰৈখিক
জীৱনৰ ছন্দ
খোজেপতি খাঁও উজুটি
বিচাৰি সমিধান।



# প্ৰেমৰ স্তৱক

**ৰুমিমা দাস**

চ'তৰ প্ৰখৰ ৰ'দত
ক্ৰমশঃ
শুকাবলৈ লৈছে জীৱন
আকাশলৈ উৰি যাব
ক্ৰমশঃ দুখৰ মুহূৰ্তবোৰ
একে উশাহতে
সাউতকে মন দোলনাত
কঁপি উঠে তোমাৰ স্মৃতি
সযতনে সাঁচি থোৱা
চেনাইৰ বিহুৱানখনি
হেঁপাহৰ বিহুটি
এইবাৰ গৃহতে জাপে জাপে
বিহুৱানৰ গোন্ধ
য'ত হেৰাই হেৰাই অনুভৱ কৰোঁ তোমাক
তোমাৰ ভালপোৱাক
এইবাৰ বিহুৱানৰ ভাঁজতে থাকক
অনুভৱৰ শব্দৰ মিছিল।

# আছে জোনাক আছে নিয়ৰ

**ৰুমিমা দাস**

শাৰদীয় জোনাক
চোতাল ভৰা শেৱালি
কি যে আকুলতা
কি যে মাদকতা
হেঁপাহৰ আহিন মাহ
পূজাৰ আনন্দ
প্ৰকৃতিৰ লগে লগে
আনন্দত মতলীয়া আমিও
অন্তৰৰ দুখবোৰ ঠেলি
জোনাকৰ এই নিশাটি
নিবিড়ভাৱে সংগোপনে
দুয়ো আজি দুয়োতে মগন
জিৰণি লোৱাৰ সময় নাই
উচপিচ হেঁপাহৰ মনটোক
বুকুৰ উত্তাপেও যেন
আহৰি দিয়া নাই
শেৱালিৰ সুবাসত মতলীয়া দুয়ো
এক মিঠা অনুভৱ
মিঠা মিঠা শাৰদী শিহৰণ
আহিনৰ লগতে তোমাৰ
মিঠা অনুভূতিৰ সপোনটিয়ে
সিক্ত কৰি থৈ গ'ল
মোৰ দুচকু
আছে জোনাক আছে নিয়ৰ
আছে তলসৰা অলেখ শেৱালি
তথাপি শূন্য চৌদিশ
আধা ভগা সপোনৰ বিননি
ক'তোৱেই নাই তুমি।।

# অপৰাহ্নৰ ৰং

**কঙ্কন শৰ্মা**

লাহে লাহে বেলিটো
পৰি আহিছে....
এতিয়া আৰু বেছিকৈ নাভাবোঁ
দুপৰীয়াৰ কথা
অথবা ৰাতিপুৱাৰ কথা!

ৰাতিপুৱাবোৰ বা পুৱাবেলাৰ কথা সুঁৱৰি
স্মৃতি গাঠ খাই থকা
অলেখ ছবি
যিমান বৰ্ণালেওতো
নাহে উভতি!

কৰ্মময় দুপৰ বেলাটো
কত যে কি কৰিলোঁ
নহ'ব বুলি একোৱেই নাভাবিলোঁ
তেতিয়া বৰকৈ অহা নাছিল ৰাতিপুৱাৰ কথা
বেলি লহিওৱাৰ কথাও
মনলৈ নাহিছিল।
এতিয়া আবেলি পৰত
প্ৰতীক্ষা কেৱল সন্ধিয়াৰ!
আৰু দূৰত গভীৰ আন্ধাৰ!

দুখ নালাগে..
সেই চোকা বেলিটোৰো

## কাব্য ভাবনা

এতিয়া একেই আবেলি
পাৰে মানে বিলাইছে ৰং
হেঙুল-হালধীয়া, বেঙুনীয়া!
ভাল লাগে ভাবি
প্রতিটো ভাগতেই আছে
নিজা কীর্তি
নিজা স্মৃতি!

আন্ধাৰতো আকাশখনে
লৈ বহি আছে
অলেখ তৰাৰ চাকি।
আৰু জোনবায়ে দি আছে
শীতল ৰূপোৱালী
প্রতিটো ক্ষেত্রৰেই আছে
নিজা মাদকতা!
সেয়েহে এতিয়া
বেছিকৈ নাভাবোঁ
ৰাতিপুৱা বা দুপৰীয়াৰ কথা।



# মেঘৰ কোলাত সৌদামিনী তাই মৃণালিনী

**ৰত্ন কান্ত শৰ্মা**

চন্দ্ৰাৱলী ৰাতি
খুলি দিলোঁ হৃদয়ৰ দুৱাৰ
সোমাই আহিল মৃদু মলয়া এছাটি
ৰহণীয়া ফুলনিৰ বৰণীয়া ফুলৰ সুবাস সানি
উৰি আহিল ডেউকা মেলি
দুখিলামান ধূসৰ পৃষ্ঠা
প্ৰেয়সী নে অইন কাৰোবাৰ
পুৰণি ডায়েৰীৰ
কোনোবাটো পাতত লাগি আছে এতিয়াও
শকুন্তলা মেঘদূতৰ সুগন্ধি সুবাস
কোনোবাটো পাতত আকৌ
প্ৰেম আৰু অভিসাৰৰ বাখৰুৱা গোন্ধ
কোনোবাখিনিত লিখা আছে
সৰু সৰু দুটি এটি টোকা ৰাগৰঞ্জিত ৰঙা আঁক দিয়া
আৰু আছে পেঞ্চিলেৰে অঁকা
কোনো এক প্ৰাচীন চহৰৰ
প্ৰগল্‌ভা নাৰীৰ মোহনীয় ছবি
স্মৃতি আৰু স্মৰণ এতিয়া বৰ নিঃকিন
ছবিখন চিনাকি হ'লেও
নামটো মনলৈ নাহিল
মনত বাৰে বাৰে দোলা দি গ'ল
ক ফলাৰ পঞ্চম শাৰীৰ

কাব্য ভাবনা

পঞ্চম বৰ্ণটো যেন হ'ব পাৰে
নীলা চকুৰ সেই নাৰীৰ
নামৰ প্ৰথম আখৰ
কোন বাৰু সেইজনী কাৰনো সোণ
সপোন ভাগি ৰাতি শেষ হ'ল
মাৰ গ'ল পূৰ্ণিমাৰ ভাগৰুৱা জোন।



# পুনশ্চ

**মদন চন্দ্ৰ ডেকা**

আকৌ এটা সাধুকথাৰ জন্ম হ'ল
সাউদৰ পুতেক বণিজৰ পৰা উভতি নাহিল
ৰৈ ৰৈ তেজীমলাৰ ভাগৰ লাগিল

আকাশত চক্ৰাকাৰে শগুন উৰিছে
কপালত হাত দি
পিতায়ে আকাশলৈ চাইছে

তেজবেলি বন্দুকৰ শব্দত
ৰাতিটো জিঘাংসু হৈ উঠাৰ পৰতে
সি ঘৰমুখী হৈছিল

এতিয়া ইয়াত বতাহ নাই
তেজীমলাৰ চকুপানী চকুত শুকাল
শগুণৰ জাক আকাশ ঢাকি উৰিছে

ৰক্তহীনতাই প্ৰধান বেমাৰ
নহয়, একমাত্ৰ বেমাৰ
নিৰাময়ৰ কাহিনী কথনেই পৃষ্ঠভূমি এই সাধুকথাৰ।

# বাৰমিহলি

# কবিতা

**ফাইজুৰ ৰহমান**

তুমি অপৰূপা, তুমি অনন্যা
তোমাৰ তুলনাত মই নগণ্য
তথাপি তোমাক ভাল পাওঁ
গোপনে তোমাৰ সান্নিধ্য লওঁ।

আহিছিলা মোৰ জীৱনলৈ
তুমি জান জুৰি, নদী হই
তুমি খাল বিল সাগৰ হই
তুমি চৰাই চিৰিকতি হই
তুমি গছ লতিকা বননি হই।

মোৰ দেহৰ ৰন্ধ্রে ৰন্ধ্রে
তোমাৰ আবহমান গতি
মোৰ দেহত, মোৰ প্ৰাণত
মোৰ হৃদয়ত. তোমাৰ স্থিতি।

প্ৰভাতে প্ৰভাতে আজি
ৰূপৰ দলিচা সাজি
বাট চাই আছোঁ তোমালৈ
জীৱন লগৰী তুমি
ৰূপৰ দলিচা গচকি
আহা মোৰ মন জুৰাবলৈ।

# বন্ধুত্ব

**ঋমিমা দাস**

কথা দিলোঁ বন্ধুত্বৰ
কটাম তোমালোকৰ স'তে
সুখ-দুখৰ
ভাগ-বতৰা কৰিম
জীৱনৰ পোৱা-নোপোৱাবোৰ
অকপটে মেলি দিম
তোমালোকৰ আগত
মোৰ দুখৰ কৰণি
কটনৰ Alumni house ত
মায়াময় সন্ধিয়া
নেমেলোঁ দিয়া বেদনাৰ শীত
গভীৰতাৰ বন্ধুত্বৰ
বিয়লি বেলাত
মাথোঁ সিঁচি যাম
সোণ হালধীয়া
হেঁপাহৰ ৰং।

# ৰেস্পন্দ্

**তপোধন দাস**


তোমাক কিহেৰে কেনেকৈ কৰো ‘ৰেস্পন্দ্’
ক’ৰবাত হেৰুৱালোঁ ‘কেপেইবিলিটি’
‘টাইম এণ্ড চিতুৱেইচনত এড্‌জাষ্ট’ হোৱা নাই ‘লাইফ্’
‘এড্‌জাষ্ট্’ হোৱা নাই আয়ে শিকোৱা ‘আইডিঅলজী’
বোপায়ে শিকোৱা ‘আচল মানুহ’ৰ ‘প্ৰিঞ্চিপ্‌ল্‌চ’
পাঠশালাত হেড্ ছাৰে কোৱা ‘হাই মৰেলচ্‌ৰ এক্সিলেঞ্চ’
‘ডিমনেটাইজেচন’ত অচল হোৱা ‘কাৰেঞ্চি’ যেন গোটেইবোৰ!
‘এড্‌জাষ্টমেণ্টে এভেইল’ কৰা নাই ‘নিউ ৰিকোয়াৰ্‌মেণ্টচ’
‘কম্প্ৰাইজড্ অফ স্কীল্‌চ্’
‘টু ডাইজেষ্ট্ ইল্লিগেলিটিজ্ অৰ ক্ৰাইমচ্’
‘অ’ৰ’ ধৃতৰাষ্ট্ৰৰ দৰে অন্ধ হ’বলে’
গান্ধাৰীৰ দৰে চকুত বান্ধি ল’বলে’ কাপোৰ

কিছু সময় লাগিব ‘এড্‌জাষ্ট্’ হওঁতে
কিছু সময় লাগিব তোমাক ‘ৰেস্পন্দ্’ কৰোঁতে
প্ৰতীক্ষা কৰা যেন সময়লে’...

# সমীকৰণ

**তপোধন দাস**

মন মগজুত হিয়া বুকুত
মন চঞ্চল হয় হৃদয় গম্ভীৰ
মন মৰহে হিয়া দহে
মনত চিন্তা হিয়াত উপলব্ধি
মনত দুখ হিয়াত কান্দোন
দিনটোৰ বাট মনৰ পৰা হিয়ালৈ
ৰিংটোৰ বাট কান্দোনৰ পৰা হাঁহিলৈ
হিয়া জীৱনৰ সৰল সংজ্ঞা
মন আজীৱন জটিল সমীকৰণ



# কিতাপ


**কঙ্কন শৰ্মা**

বহু দিনৰ মূৰত
কলম তুলি ল'লোঁ
লিখোঁ বুলি দুআষাৰ
হৃদয়ৰ অনুভৱ!
হাততেই থমকি ৰয়
কলম মৌন হয়
কাগজ উকা হৈ ৰয়
এই উকা কাগজেই কয়
বহু কথা...
উদাৰতা, উদাসীনতা, শুভ্ৰতা

যেতিয়া কাগজৰ বুকুত
নীলা আঁচোৰবোৰ পৰে
উৎফুল্লিত হয়
থুপ হৈ একেলগে
চুবুৰি পাতে।
কিতাপ হৈ একাত্মতাৰে সহবাস কৰে
বতাহত লাহি পাতবোৰ কঁপে
সেমেকা সুঘ্ৰাণ বিয়পে
প্ৰাপ্তিত চকুপানী মচি মচি
কাগজবোৰ মলিয়ন হয়
পুৰণি হৈ গৈ থাকে
লগে লগে বাঢ়ে আদৰ

## কাব্য ভাবনা

ইজনে সিজনে নি মৰম কৰে
বিছনাৰ কাষত শুৱাই লয়
যাত্ৰা কৰে দূৰ-দূৰণিলৈ
বিয়পাই যায় বিভিন্ন অনুভূতি
বুকুবোৰ কোনোবাই খাব
নীলা আঁচোৰবোৰ কুটিব
সযতনে ৰাখা
ইয়াৰ যে মৃত্যু নাই মৃত্যু নাই
লাগিলে শুভ্ৰ কাগজত
পুনৰ নীলা আঁচোৰেৰে
নতুন প্ৰজন্মক উপহাৰ দিয়া
কিতাপ হওক নদী
লিখাবোৰ নীলা পানী
জীৱনৰ অমৃত !
পান কৰা পান কৰা।



# হীৰুদাৰ সোঁৱৰণত

**কঙ্কন শৰ্মা**

শব্দবোৰৰ হাহাকাৰ
পিতৃহাৰা সিহঁত
কলমৰে চিকুণ কৰা শব্দবোৰ
ন সাজে সাজি কাচি
জুৰ কৰিছিল মন প্ৰাণ
প্ৰতিষ্ঠিত শব্দই এতিয়া
গুণগুণাব
নতুন শব্দ কোনে চিকুণাব?

কবিতাবোৰে কান্দিব
গানবোৰে কান্দিব
পথাৰে কান্দিব
কান্দিব শেৱালি, কপৌ, গোলাপ
যুতি মালতী
ভৰুণ ধাননিয়ে হিয়াধুনি
কান্দিব
আকাশ বতাহ মেঘ সকলোৱে
সিহঁতক কোলাত লৈ ফুৰা
মানুহজন নাই।

চৌদিশ চৌপাশ
দিগন্ত বিয়াপি
মৌন কান্দোনত
আমি উচুপিম।

# কথা

**অমল শইকীয়া**

কথাবোৰ নোকোৱাকৈ থকাই ভাল
ক'লেই লেঠা লাগে
কথাত কথা বাঢ়ে
কথা বাঢ়িয়েই কথাৰ
ওজন কমে

কিছুমান কথাই দীঘল হাত মেলি পৰ্বতটো
খহাই আনিব খোজে
কিছুমান কথাই শ্ৰেয়বোৰ প্ৰেয় কৰে
আপাত ৰমণীয় বস্তু বুলি
পি খায়

আপেক্ষিক ভাৱে আজিকালি কথাবোৰ
লুভীয়া হ'ল
আজিকালি কথাবোৰে বকচিচ আশা কৰে
লুভীয়া কথাবোৰ দেখিলে কলাত্মক কথাবোৰ আঁতৰি যায়
দুৰ্নিবাৰ কথাবোৰ নৈৰ বুকুত লীণ যায়
কিছুমান কথাই কথাক বিশ্বাস
জন্মায়।
কথাই কথাক নতুন পোছাক পিন্ধায়।

# সময়

**মদন চন্দ্ৰ ডেকা**

নৈত সাঁতুৰিছিলোঁ একেলগে
পথাৰৰ বোকাত লেটি লৈছিলোঁ
জোনাকত গা ধুইছিলোঁ একেলগে

হাজাৰ যোজনৰ দূৰত্ব
শতিকাৰ ব্যৱধান
কেৱল মাথোঁ কেৱল
ইগ'ই কুটে আমাৰ বন্ধুত্ব ।।



# সীমা

**অগস্ত্য বৰুৱা**

কিমান হাওলি পৰিলে ভাগি পৰিব পাৰে
গছজোপাই নাজানে

কিমান দূৰলৈ গ'লে ঘূৰি অহাৰ বাট হেৰুৱাই পেলায়
বহু মানুহে নাজানে

তেৰোঁ ওলাই গৈছিল সত্যৰ সন্ধানত
নাজানিলে, তেৰোঁ হেৰাই গ'ল

ঘূৰি আহিল বুদ্ধ হৈ

আমাক ছাঁ দিবলৈ হাওলি পৰা মানুহবোৰেও নাজানে
সীমাৰেখা

পৰি থাকে উঠিব নোৱৰা হৈ।।

# ৰাৱণ

**ৰঞ্জনা দত্ত**

মন আৰু মগজুৰ পাকবোৰত
কুৰুকি কুৰুকি সোমাই থকা
ৰাৱণবোৰে সময় পালেই
মোক জোকাই থাকে।
মই ৰঙা চকু দেখুৱাই
সিহঁতক শুৱাই থওঁ।
মাদল ঝুমুৰৰ শৰদত
বা গোলাপী পানীৰ সাগৰত
সিহঁতৰ অতপালি চৰে।
কেতিয়াবা সহস্ৰ ৰাৱণে
তোলপাৰ কৰে
মোৰ সিৰা উপসিৰা
সিহঁতৰ লগত যুঁজি
যুঁজি মই ভাগৰি পৰোঁ।
নিঃশব্দে নিতালে নিৰ্জনতাত
চকু মুদি বহি ৰওঁ...
গুচি যাওঁ অনাদি কাললৈ
বুদ্ধৰ সপোনৰ দেশলৈ
মনৰ ৰাৱণবোৰে
নিতাল মাৰে।

# কলমটো বৰ মৰমৰ

**ৰত্ন কান্ত শৰ্মা**

কলমটো বৰ পুৰণি
সুলেখা বৰ মৰমৰ
দোষ তাইৰ এটাই
জানে মাথোঁ লিখিব
প্ৰেমৰ কবিতা
বৰ দুখেৰে এদিন
প্ৰিয়তমাক লুকুৱাই ৰাখিব দিলোঁ
কিতাপৰ দ'মৰ মাজত
আছে তাত অনেক কিতাপ
লেডী চেটাৰলিজ্ লাভাৰ
গাৰ্থিয়া লৰকা জীবনানন্দ
ফিনিক্স পখীৰ গান
আৰু মন অজন্তা
এতিয়া লিখিম
হাল আৰু হালোৱাৰ
তেজ আৰু ঘামৰ কবিতা
গঢ়ি আনিম নাঙলৰ ফাল
আৰু কাঁচি
তৰাই দেখি নাচিব ৰাতি
চিপচিপীয়া বৰষুণত
সিঁচিলো বিবিধ কঠীয়া
শাওণৰ ৰঙা ৰ'দত
ঘামি জামি ৰোৱনীয়ে ৰুলে
আহিনত গৰ্ভৱতী শইচৰ

মনোলোভা গোন্ধ
কোনোবাডৰাত ডাচ কেপিটেল
কোনোবাডৰাত চে গুৱেভাৰা
কোনোবাখিনিত আকৌ
ষ্ট্ৰংগাৰ দেন ষ্টিল
আঘোণৰ পথাৰখন হ'ল
ভিন্ন ভিন্ন গোন্ধে
হালধীয়া সোণবৰণীয়া
আইৰ বাবে সজালোঁ
ভঁড়াল চাৰিচুকীয়া
আজৰি পৰত যাম হাটলৈ
বেয়া নেপাবাদেই কোনেও
আনিম কিনি খাৰু মণি থুৰীয়া
আনিম ৰঙা ফোঁট দগমগীয়া
মোৰ প্ৰিয়তমা যে হৈ আছে
এতিয়াও বৰ ধুনীয়া
মোৰ বাবে আনিম
মনে মনে মোনাত ভৰাই
পাবলো নেৰুডা
হেম বৰুৱাৰ খনতো আছেই
আৰু যে লিখা আছে
'সাগৰ দেখিছা
দেখা নাই কেতিয়াও
ময়ো দেখা নাই
শুনিছোঁ তথাপি...'
সেহটো প্ৰিয় কবিতা
দেৱকান্ত বৰুৱাৰ
"সাগৰ দেখিছা"।

# প্ৰেমৰ কবিতা নিলিখোঁ

**ৰত্ন কান্ত শৰ্মা**

কাগজ কলম সামৰিলোঁ
সঁচাকৈ নিলিখোঁ
শপত ল'লোঁ
লিখিবৰ মন নাই আৰু প্ৰেমৰ কবিতা
শব্দবোৰ হৈছে নিৰ্বাসিত
লিখিব নোৱাৰোঁ কোনো
শুৱলা বাক্য
চিন্তাত আহিছে বাৰ্ধক্য
ঘটিছে স্মৃতি বিভ্ৰম
কাৰ বাবে কি বুলি
কবিতা লিখিম
কেতিয়াবাই হেৰাইছে ঠিকনা
দৃষ্টিও দিকভ্ৰান্ত
তিনিকুৰি তিনিৰ বয়সত
প্ৰেমৰ ভাবনা সঁচাই ভ্ৰান্ত
এনেয়েও এই বয়সত এনেবোৰ কথাই নাপায় শোভা
সেয়ে হয়তো
নাতিনীয়ে সেৰা জনাই
দিলেহি লাখুটি
নীতিয়ে দিলে গেৰুৱা বস্ত্ৰ
বোৱাৰীয়ে আগবঢ়ালে
গীতা শাস্ত্ৰ
প্ৰিয় পত্নী উচুপি উঠিল

## কাব্য ভাবনা

অজানিতে চকুলো সৰিল
শেষবাৰৰ বাবে ভাহি উঠিল
প্ৰিয় বান্ধৱীসকলৰ
মিচিকিয়া হাঁহি
আৰু কজলা চকু
হঠাৎ উক মুকৈ
সাৰ পালোঁ
বাহিৰত ৰিম ঝিম বৰষুণ
খিৰিকীখন খুলি দিলোঁ
সোমাই আহিল আবেগৰ বতাহ
পুৱতি নিশাৰ সপোনৰ
নিষ্ফল কামনাৰে
তুলি ল'লোঁ
ৰঙা ৰং আৰু তুলিকা
আঁকিলো মৰমসনা
প্ৰভাতী সূৰুযৰ ছবি
আঁকিলোঁ ৰঙা গোলাপৰ কলি
অদৃশ্য কাৰোবাৰ কোমল হাতে
খোপাত ললেহি গুঁজি
আকাশলৈ মূৰ তুলি চালোঁ
উৰি গ'ল মৰম বিলাই
অচিনাকি চৰাইৰ জাক
এইবাৰচোন নামি আহিল
প্ৰেমৰ ডবাপিতা বৰষুণ এজাক।

# মদনৰ কি দোষ

**শৰৎ বৰকাকতি**

এখন নদী
এখন অৰণ্য
ৰূপালী নদীৰ বালিত
এজাক তৃষাতুৰ নাৰীৰ বিশৃংখল পদচিহ্ন
আকাশত শৰতৰ পূৰ্ণচন্দ্ৰ
সেয়া হেনো ব্ৰহ্মনিশা
মুৰুলীৰ সুৰে সুৰে
নাচিছে যমুনা
ভক্তিময় প্ৰেমত মুখৰ
কবিৰ কল্পনা...
গোপীৰ কৃষ্ণপ্ৰেমত
মদনৰ প্ৰৱেশ নিষেধ কিয় ?
সেই অপৰূপ নিশাৰ মায়াত
নিজেও বিমুগ্ধ হৈ
তূণৰ কাঁড়
কৰিলেই যেনিবা নিক্ষেপ
তাত মদনৰ কি দোষ ?

# এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

## কস্তুৰী নিভা গগৈ

তলাবন্ধৰ সময়
গৃহবন্দীৰ সময়
চিকিৎসক সকলক নমস্কাৰ বাৰম্বাৰ
দিনে নিশাই অতি ব্যস্ত তেওঁলোক
ৰোগীৰ পৰিচৰ্যা আৰু
কৰ'না প্ৰতিৰোধৰ বাবে
কোনোৱে আৰ্তজনক ৰছদ-পাতি যোগান ধৰিছে
কোনোৱে আৰ্তজনক ৰান্ধি বাঢ়ি খুৱাইছে,
কোনোৱে সঙ্গীতৰ মূৰ্চ্ছনাৰে পৰাণ জুৰাইছে
কোনো ব্যস্ত লিখি পঢ়ি গল্প কবিতা উপন্যাস প্ৰবন্ধ
আৰু কৰি আছে অতুলনীয় অনুবাদ
কোনোৱে শুনাইছে আপুৰুগীয়া
পুৰণি গীত মাত
কোনোৱে কঢ়িয়াই আনিছে
বা-বতৰা দেশ বিদেশৰ
কোনোৱে ৰন্ধন প্ৰকৰণ বিধে বিধে
কোনোৱে বা হাঁহিৰ খোৰাক যোগায়,
সময়ে সময়ে
কোনোৱে পঠিয়ায় মন জুৰোৱা আলোকচিত্ৰ
ফল ফুল ৰংচঙীয়া বাৰেবৰণীয়া
বাৰীৰ পাচলি বাছকবনীয়া
বাৰীৰ পুখুৰীত হাঁহৰ খেল-ধেমালি,
কোনোৱে দূৰদৰ্শনৰ বাতৰি ধাৰাবাহিক

ক্ষণে ক্ষণে চায়
কোনোৱে Netflix আৰু Amazon ৰ বোলছবি
Series উপভোগ কৰি যায়
মাংস মাছ নহ'লেও ক্ষতি নাই
আলু পিটিকাৰে জুতি লগা ভাত সাঁজ নতুবা খিচিৰি
আলু ভাজি
চেলেকি চেলেকি খায়
নিজে নিজৰ কাম ৰন্ধা-বঢ়া, ধোৱা-পখলা সৰা-মোচা
সকলো কৰি যায়,
কোনোৱে নীৰৱে সকলোৰে কথোপকথন
কৰে উপভোগ
সকলো অতি ব্যস্ত
গৃহবন্দী যদিও গৃহকৰ্মত নিয়োজিত
পৃথিৱীৰ এনে দুৰ্দিনত
সকলোৰে ধৈৰ্য পৰীক্ষাত আমি
সকলোবোৰ হ'ম বিজয়ী
সকলোৱে সফলতাৰ পতাকা উৰুৱাম
আমি এজাক সফল প্ৰাক্তন কটনিয়ান॥

